www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

# অসম বাৰ্তা

ঘৃণাৰে নিজক ভাৰাক্ৰান্ত কৰি নল'বা, তুমি ভবাতকৈ ই অতি গধুৰ বোজা। – মেডাম দ্য চেভিন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৬০ | বৃহস্পতিবাৰ | ৩০ জুলাই, ২০২৬ চন | Volume/Year- I | Issue- 260 | Thursday | 30th July, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

## বানত হেৰুওৱা শৈক্ষিক নথিৰ ডুপ্লিকেট কপি দিব চৰকাৰে

**আৰক্ষীৰ ৰিপৰ্ট অবিহনেই বিনামূলীয়াকৈ পাব এডমিট কাৰ্ড, মাৰ্কশ্বীট, পঞ্জীয়ন পত্ৰ**

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৯ জুলাই ঃ** অসমৰ উজনিৰ তিনি জিলাৰ প্ৰলয়ংকৰী বানপানীয়ে কেৱল ঘৰ-দুৱাৰ আৰু খেতি-পথাৰেই ধ্বংস কৰা নাই, বহু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতো গ্ৰাস কৰি লৈ গৈছে। বানৰ সোঁতত উটি গৈছে কিতাপ-পত্ৰ, প্ৰমাণ পত্ৰ, এডমিট কাৰ্ড, ❑ ৬ পৃষ্ঠাত

## বানাক্ৰান্তসকলক ক্ষতিপূৰণ আৰু মানৱ-সৃষ্ট দুৰ্যোগৰ তদন্তৰ দাবীৰে কংগ্ৰেছৰ গুৱাহাটী উচ্চ ন্যায়ালয়লৈ পত্ৰ

**ৰাজ্য চৰকাৰে ন্যায়ালয়ৰ নিৰ্দেশনা অৱজ্ঞা কৰাৰ অভিযোগ**

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৯ জুলাই ঃ** অসমৰ শেহতীয়া বানপানীক মানৱ-সৃষ্ট দুৰ্যোগ বুলি অভিহিত কৰি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ আইনী কোষে বুধবাৰে গুৱাহাটী উচ্চন্যায়ালয়ৰ মাননীয় মুখ্য ন্যায়াধীশলৈ এখন আনুষ্ঠানিক পত্ৰ প্ৰেৰণ কৰে। এই পত্ৰখনত ৰাজ্য চৰকাৰে এই ধ্বংসলীলাক ❑ ৬ পৃষ্ঠাত

**শিৱসাগৰত বানৰ ক্ষয়-ক্ষতিৰ জৰীপ আৰম্ভ ঃ অসম চৰকাৰে বানপীড়িতলৈ সাহায্য**

# এক লাখ বানাক্ৰান্ত পৰিয়াললৈ ১৫ হাজাৰ টকাকৈ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৯ জুলাই ঃ** উজনি অসমৰ বান পৰিস্থিতি কিছু পৰিমাণে শাম কাটিলেও দুৰ্যোগৰ বিভীষিকা এতিয়াও সম্পূৰ্ণৰূপে শেষ হোৱা নাই। বহু বানপীড়িত পৰিয়ালে ওখ ঠাইৰ পৰা নিজৰ ঘৰলৈ উভতি আহি সৰ্বস্ব হেৰুওৱাৰ বেদনাৰে চকুলো টুকিবলগীয়া হৈছে। বলিয়া বানপানীয়ে বহু লোকৰ ঘৰ-বাৰী আৰু জীৱিকা নিঃশেষ কৰি থৈ গৈছে। ইতিমধ্যে অসম চৰকাৰে বানপীড়িতসকললৈ সাহায্য আগবঢ়াবলৈ কেবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰিছে। এই প্ৰেক্ষাপটতে বুধবাৰে শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী বিমল বড়াই এখন সংবাদমেল সম্বোধন কৰি জিলাখনৰ বান পৰিস্থিতি আৰু চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে ৰাইজক অৱগত কৰে। শিৱসাগৰ নগৰৰ কেপিএম হলত অনুষ্ঠিত এই সংবাদমেলত মন্ত্ৰী বড়াই কয় যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে বানৰ প্ৰতি লক্ষ্য ৰাখি আক্ৰান্ত পৰিয়ালসমূহলৈ সাহায্য ঘোষণা কৰিছে। জিলাখনত বানৰ দ্বাৰা প্ৰভাৱিত প্ৰায় এক লাখ পৰিয়ালক ১৫, ০০০ টকাকৈ এককালীন সহায় প্ৰদান কৰা হ'ব। এই সাহায্য প্ৰদানৰ বাবে চৰকাৰে জৰীপৰ কাম ❑ ৬ পৃষ্ঠাত



## শিৱসাগৰৰ প্ৰতিটো বানপীড়িত পৰিয়াললৈ ১০ লাখ টকাৰ দাবী বিধায়ক অখিল গগৈৰ

**৪০ হাজাৰ পৰিয়ালৰ বাবে প্ৰয়োজন ৪ হাজাৰ কোটি টকা ঃ মুখ্যমন্ত্ৰীৰ পদত্যাগৰো পৰামৰ্শ**

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৯ জুলাই ঃ** অসমৰ বানপানীৰ দুৰ্যোগত ক্ষতিগ্ৰস্ত লোকসকলৰ প্ৰতি চৰকাৰৰ সহায়ৰ পৰিমাণক লৈ তীব্ৰ সমালোচনা কৰিলে শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। বুধবাৰে শিৱসাগৰত ❑ ৬ পৃষ্ঠাত



**সাৱধান ! যিকোনো সময়ত অসমক ঢাহি মুহি নিব ২৮৮০ মেগাৱাট দিবাং বহুমুখী জলবিদ্যুৎ প্ৰকল্পই**

# ২০৩০ৰ ভিতৰত অৰুণাচলত সম্পূৰ্ণ হৈ উঠিব বহুকেইটা জলবিদ্যুৎ প্ৰকল্প

**ল'ৱাৰ দিবাং ভেলী জিলাত দ্ৰুতগতিত আৰম্ভ দেশৰ সৰ্ববৃহৎ জলবিদ্যুৎ প্ৰকল্প**



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৯ জুলাই ঃ** আগন্তুক ২০২৯-৩০ বৰ্ষৰ ভিতৰত চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত সম্পূৰ্ণ হৈ উঠিব আৰু কেইবাটাও জলবিদ্যুৎ প্ৰকল্প। অৰ্থাৎ আগন্তুক দুই-তিনি বছৰৰ ভিতৰত চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত মূৰ দাঙি উঠিব প্ৰায় ছয়টাকৈ বৃহৎ জলবিদ্যুৎ প্ৰকল্পই। এই প্ৰকল্পবোৰৰ কাম সম্প্ৰতি দ্ৰুতগতিত চলিছে যদিও বৰ্তমানলৈকে সম্পূৰ্ণ কৰাৰ নিৰ্দিষ্ট লক্ষ্য নিৰ্দ্ধাৰণ কৰা হোৱা নাই। এই আটাইবোৰ জলবিদ্যুৎ প্ৰকল্প আগন্তুক বৰ্ষসমূহত চুবুৰীয়া ৰাজ্যখনত নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে নিঃসন্দেহে সিবিলাক হ'ব অসমৰ বাবে একো একোটা বৃহৎ জলবোমা সদৃশ। উল্লেখ্য যে, চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত এইদৰে ইটোৰ পিছত সিটোকৈ ❑ ৬ পৃষ্ঠাত

# বানপৰিস্থিতি বুজ ল'বলৈ অমিত শ্বাহৰ পুনৰ ফোন

**মুখ্যমন্ত্ৰীক আশ্বাস ঃ কেন্দ্ৰৰ পৰা অব্যাহত থাকিব সকলো ধৰণৰ সহায়**

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৯ জুলাই ঃ** অসমৰ বানপানীৰ পৰিস্থিতিৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে গুৰুত্বপূৰ্ণ দৃষ্টি ৰখা দেখা গৈছে। বুধবাৰে পুনৰবাৰ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে টেলিফোনিক বাৰ্তালাপ কৰি ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতিৰ সম্পূৰ্ণ খবৰ লয়। ইয়াৰ লগতে গৃহমন্ত্ৰীগৰাকীয়ে সাহায্য, পুনৰুদ্ধাৰ আৰু পুনৰ্নিৰ্মাণৰ ক্ষেত্ৰত প্ৰয়োজন ❑ ৬ পৃষ্ঠাত



## যন্তৰ মন্তৰৰ প্ৰতিবাদক লৈ উত্তাল লোকসভা

**ছাত্ৰ আন্দোলনৰ প্ৰতিবাদক লৈ ৰাহুল গান্ধীৰ কঠোৰ সমালোচনা**



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৯ জুলাই ঃ** নীট ইউজি পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল আৰু ইয়াক কেন্দ্ৰ কৰি হোৱা ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদৰ প্ৰসংগত বিৰোধী দলপতি ৰাহুল গান্ধীয়ে বুধবাৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক লক্ষ্য কৰি এক তীব্ৰ সমালোচনা কৰে। ২০ জুলাইত যন্তৰ মন্তৰত প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰীৰ বিৰুদ্ধে আৰক্ষীয়ে চলাইছিল বুলি অভিযোগ কৰা অবৰ্ণনীয় অত্যাচাৰৰ প্ৰসংগ উত্থাপন ❑ ৬ পৃষ্ঠাত

## আঢ়ৈশ বছৰীয়া ধৰ্মীয় অনুষ্ঠানৰ পাঁচ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত মাটি ক্ৰয়ত নিষিদ্ধ

**বিধানসভাত গৃহীত ঐতিহাসিক বিধেয়ক**

**খিলঞ্জীয়া সুৰক্ষাৰ বাবে এই আইন, কোনো ধৰ্ম বৈষম্য নহয়হু**



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৯ জুলাই ঃ** অসম বিধানসভাত বুধবাৰে এক গুৰুত্বপূৰ্ণ বিধেয়ক গৃহীত কৰা হয়, যাৰ জৰিয়তে ৰাজ্যৰ আঢ়ৈশ বছৰ পুৰণি কোনো ধৰ্মীয় অনুষ্ঠানৰ পাঁচ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত বাহিৰৰ কোনো ব্যক্তিয়ে মাটি ক্ৰয় কৰিব নোৱাৰিব। বিধানসভাৰ বাজেট অধিৱেশনৰ আজিৰ দিনটোতে 'অসম ভূমি আৰু ৰাজহ নিয়ন্ত্ৰণ (সংশোধন) বিধেয়ক, ২০২৬' সদনত উপস্থাপন কৰি দীঘলীয়া বিতৰ্কৰ পাছত গৃহীত কৰা হয়। সংসদীয় পৰিক্ৰমা মন্ত্ৰী ❑ ৬ পৃষ্ঠাত

## শিক্ষা ব্যৱস্থাৰ প্ৰধান শত্ৰু আৰএছএছ ঃ ৰাহুল গান্ধী

**ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ 'পৃষ্ঠীয়' বুলি কটাক্ষ ঃ ছাত্ৰ আন্দোলনক সমৰ্থন**

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৯ জুলাই ঃ** লোকসভাত বুধবাৰে বিৰোধী দলপতি ৰাহুল গান্ধীয়ে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘক লক্ষ্য কৰি এক তীব্ৰ আৰু বিস্ফোৰক সমালোচনা আগবঢ়ায়। ৰাজহুৱা পৰীক্ষা (অনিয়ম প্ৰতিৰোধ) সংশোধনী বিধেয়কৰ বিতৰ্কৰ সময়ত ভাষণ দি ৰাহুল গান্ধীয়ে কয় যে ভাৰতীয় জনতা পাৰ্টীৰ মতাদৰ্শগত অভিভাৱক তথা গুৰুস্থানীয় সংগঠন ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই ভাৰতীয় শিক্ষা ব্যৱস্থাৰ আত্মাক দখল কৰি ৰাখিছে, আৰু তেওঁলোকৰ মূল উদ্দেশ্য হৈছে মানুহক অন্ধ অনুগামী বা 'অন্ধভক্ত' হিচাপে গঢ়ি ❑ ৬ পৃষ্ঠাত

## সংসদত অসাংবিধানিক আৰু অসংসদীয় ভাষা ব্যৱহাৰ ৰাহুল গান্ধীৰ !

**ৰাহুল গান্ধীৰ সদনৰ ভাষাক অভিযোগ ঃ কিৰেণ ৰিজিজুৰ তীব্ৰ কটাক্ষ**

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৯ জুলাইঃ** লোকসভাত ৰাজহুৱা পৰীক্ষা(নীতি বহিৰ্ভূত উপায় প্ৰতিৰোধ) সংশোধনী বিধেয়ক, ২০২৬ অৰ্থাৎ প্ৰশ্নকাকত ফাদিল বিৰোধী বিধেয়কক লৈ বিতৰ্ক অব্যাহত থকাৰ মাজতে কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে বিৰোধী দলপতি ৰাহুল গান্ধীক লক্ষ্য কৰি এক তীব্ৰ কটাক্ষ কৰে। বুধবাৰে সংবাদ মাধ্যমৰ আগত ৰিজিজুৱে ❑ ৬ পৃষ্ঠাত



## কয়লা ব্লক আবণ্টন কেলেংকাৰী গোচৰৰ পৰা দোষমুক্ত প্ৰয়াত প্ৰধানমন্ত্ৰী মনমোহন সিং

**মৃত্যুৰ প্ৰায় দুবছৰ পিছত চিৰদিনলৈ বন্ধ গোচৰ ঃ চিবিআইৰ বন্ধ প্ৰতিবেদন গ্ৰহণ**



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৯ জুলাই ঃ** মৃত্যুৰ প্ৰায় দুবছৰৰ পিছত প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙক কয়লা ব্লক আবণ্টন কেলেংকাৰীৰ দৰে হাই প্ৰফাইল গোচৰটোৰ পৰা দোষমুক্ত ঘোষণা কৰিলে দেশৰ উচ্চতম ন্যায়ালয়ে। বুধবাৰে দেশৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্ত তথা ন্যায়াধীশ জয়মল্য বাগচী আৰু ভি মোহনাৰে গঠিত বিচাৰপীঠে প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ বিৰুদ্ধে চলি থকা গোচৰটো চিৰদিনলৈ ❑ ৬ পৃষ্ঠাত

# দিছপুৰত অসম-নাগালেণ্ড সীমা বিবাদ নিষ্পত্তিত গুৰুত্বপূৰ্ণ বৈঠক

**উৰিয়ামঘাটৰ উচ্ছেদ প্ৰসংগ আৰু সীমান্তৱৰ্তী সমস্যা সমাধানৰ বাবে আলোচনা**



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৯ জুলাই ঃ** অসম আৰু নাগালেণ্ডৰ মাজত বহু দশক ধৰি চলি অহা সীমা সমস্যাৰ সমাধানৰ বাবে দুয়োখন ৰাজ্যৰ চৰকাৰে সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰি আহিছে। তাৰেই অংশ হিচাপে বুধবাৰে দিছপুৰৰ লোকসেৱা ভৱনত অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু নাগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী য়ানথুংগো পেটনৰ ❑ ৫ পৃষ্ঠাত

## অসম চৰকাৰৰ পৰা ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ সম্পৰ্কত প্ৰতিবেদন পোৱা নাই কেন্দ্ৰই

**লোকসভাত কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা ৰাজ্যিক মন্ত্ৰী দুৰ্গাদাস উইকীৰ উত্তৰ**

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৯ জুলাই ঃ** অসমৰ টাই আহোম, মৰাণ, মটক, চুতীয়া, কোচ ৰাজবংশী আৰু চাহ জনগোষ্ঠীকে ধৰি ছয়টা জনগোষ্ঠীক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদানৰ প্ৰস্তাৱ ইতিমধ্যে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছে। বুধবাৰে লোকসভাত কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা ৰাজ্যিক মন্ত্ৰী দুৰ্গাদাস উইকীয়ে এই কথা স্পষ্টভাৱে জনায়। অসমৰ এই ছয়টা জনগোষ্ঠীয়ে দশক দশক ধৰি অনুসূচিত জনজাতিৰ মৰ্যাদাৰ দাবী কৰি আহিছে, যিটো বিষয়ত কেন্দ্ৰীয় চৰকাৰ কিমান সচেতন আৰু প্ৰক্ৰিয়া কিমান আগবাঢ়িছে, সেই সম্পৰ্কে লোকসভাত উত্থাপিত এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে ❑ ৫ পৃষ্ঠাত

## বানৰ পিছত মৃত পশুধন আঁতৰোৱাৰ অভিযানত কৰ্মীসকলৰ প্ৰশংসা মুখ্যমন্ত্ৰীৰ

**সেনাৰ উদ্ধাৰ কাৰ্যক শলাগ, ৰোগ প্ৰতিৰোধত ব্যাপক পৰিষ্কাৰ অভিযান অব্যাহত**

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৯ জুলাই ঃ** উজনি অসমত বান বিভীষিকা এতিয়াও সম্পূৰ্ণৰূপে শেষ হোৱা নাই। কিছু কিছু এলেকাত পানীৰ পৰিমাণ কমিলেও স্বাভাৱিক অৱস্থা ঘূৰি আহিবলৈ বহু সময় বাকী থকা বুলি জানিবলৈ দিছে প্ৰশাসনে। এই প্ৰলয়ংকাৰী বানে ৰাজ্যখন যেন এক মৰিশালীৰ দশাত উপনীত কৰিছে, য'তে-ত'তে পৰি আছে মানুহৰ লগতে হাজাৰ হাজাৰ পশুধনৰ মৃতদেহ। এই মৃত পশুধনসমূহ সুৰক্ষিতভাৱে আঁতৰাই ❑ ৫ পৃষ্ঠাত



## নিউ হাৰাংগাজাও ষ্টেচনত ভূমিস্খলনৰ ফলত বিঘ্নিত ৰে'ল সেৱা ঃ কেইবাখনো এক্সপ্ৰেছ বাতিল আৰু পুনঃনিৰ্ধাৰিত

**লাইন-১ আৰু লাইন-২ স্থগিত, লাইন-৩ৰ জৰিয়তে চলাচল ঃ যাত্ৰীসকলক পূৰ্বতে তথ্য নিশ্চিত কৰাৰ আহ্বান**



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৯ জুলাই ঃ** লামডিং—বদৰপুৰ পাহাৰীয়া ৰে'ল পথৰ নিউ হাৰাংগাজাও ষ্টেচনত ৰে'ল ট্ৰেক খহি পৰাৰ ফলত ৰে'ল চলাচল এতিয়াও সম্পূৰ্ণৰূপে স্বাভাৱিক হোৱা নাই। ট্ৰেকৰ অৱনতিৰ বাবে ষ্টেচনৰ লাইন নং—১ আৰু লাইন নং—২ সাময়িকভাৱে স্থগিত ৰখা হৈছে, যাৰ ফলত উত্তৰ-পূব সীমান্ত ৰে'লৱেই বহুকেইখন ৰে'ল বাতিল আৰু পুনঃসূচীকৰণ কৰিবলৈ ❑ ২ পৃষ্ঠাত

## নিৰ্মাণ শ্ৰমিকৰ দীৰ্ঘদিনীয়া দাবী পূৰণৰ বাবে লখিমপুৰত ধৰ্ণা

**চিকিৎসা সাহায্য, পেঞ্চন আদিৰ পৰা বঞ্চিত শ্ৰমিকৰ আক্ষেপ**

**ষ্টাফ ৰিপৰ্টাৰ, লখিমপুৰ, ২৯ জুলাই ঃ** নিৰ্মাণ শ্ৰমিকসকলৰ দীৰ্ঘদিনীয়া দাবীসমূহ পূৰণৰ বাবে বুধবাৰে লখিমপুৰ জিলাৰ শ্ৰম বিষয়াৰ কাৰ্যালয়ত এক প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে সদৌ অসম নিৰ্মাণ শ্ৰমিক সন্থাই। জিলাখনৰ তিনিটা নিৰ্মাণ শ্ৰমিক সংগঠনে লখিমপুৰ নগৰৰ চিডি ৰোডত থকা জিলা শ্ৰম বিষয়াৰ কাৰ্যালয়ত এই ধৰ্ণা অনুষ্ঠিত কৰি চৰকাৰী নিয়ম অনুযায়ী পাবলগীয়া ❑ ৬ পৃষ্ঠাত

**আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱসত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দাবী**

# নামেৰীত চাৰিগুণ বৃদ্ধি বাঘৰ সংখ্যা

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৯ জুলাই ঃ** সমগ্ৰ বিশ্বতে ২৮ জুলাই দিনটো আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস হিচাপে পালন কৰা হয়। বাঘৰ সংৰক্ষণ, পৰিস্থিতি তন্ত্ৰত ইয়াৰ গুৰুত্ব আৰু বাঘৰ বাসস্থানৰ প্ৰতি আহি পৰা ভাবুকিৰ বিষয়ে সজাগতা সৃষ্টি কৰাই এই দিৱস পালনৰ মূল উদ্দেশ্য। পূৰ্বৰ শতিকাত প্ৰায়



৯৭ শতাংশ বাঘ নোহোৱা হোৱাৰ ভয়ংকৰ পৰিসংখ্যাৰ প্ৰতি সঁহাৰি জনাই ২০১০ চনত ৰাছিয়াৰ চেণ্ট পিটাৰ্ছবাৰ্গ টাইগাৰ ছামিটত ব্যাঘ্ৰ দিৱস পালনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। এই প্ৰেক্ষাপটত অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বুধবাৰে গৌৰৱেৰে ঘোষণা কৰে যে ৰাজ্যখনে বাঘ ❑ ৬ পৃষ্ঠাত

২৮ জুলাইৰ পৰা ৩ আগষ্টলৈ জিলাজুৰি চলিব বিশেষ সজাগতা অভিযান

# বিশ্ব হেপাটাইটিছ দিৱসত গোলাঘাটত সজাগতা সমদল

**অসম বাৰ্তা, ২৯ জুলাই ঃ** বিশ্ব হেপাটাইটিছ দিৱস উপলক্ষে জিলা স্বাস্থ্য সমিতি, গোলাঘাটৰ উদ্যোগত মঙলবাৰে ভাইৰেল হেপাটাইটিছ সম্পৰ্কে জনসচেতনতা বৃদ্ধিৰ লক্ষ্যৰে এক সজাগতা সমদল উলিওৱা হয়। যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয় চৌহদৰ পৰা ৰাষ্ট্ৰীয় ভাইৰেল হেপাটাইটিছ নিয়ন্ত্ৰণ কাৰ্যসূচী (NVHCP)ৰ জিলা ন'ডেল বিষয়া ডাঃ ৰঞ্জিত হাজৰিকাই সমদলটোৰ শুভাৰম্ভ কৰে। সমদল উদ্বোধন কৰি ডাঃ হাজৰিকাই কয় যে ভাইৰেল হেপাটাইটিছ সম্পূৰ্ণৰূপে প্ৰতিৰোধযোগ্য আৰু সময়মতে ৰোগ চিনাক্ত কৰি চিকিৎসা আৰম্ভ কৰিলে এই ৰোগৰ জটিলতা বহুলাংশে হ্ৰাস কৰিব পৰা যায়। সেয়েহে জনসাধাৰণে সজাগ হৈ নিয়মীয়া স্বাস্থ্য পৰীক্ষা, সুৰক্ষিত স্বাস্থ্য আচৰণ আৰু চৰকাৰী চিকিৎসালয়ত উপলব্ধ বিনামূলীয়া পৰীক্ষা-চিকিৎসা সেৱাৰ সুবিধা গ্ৰহণ কৰা উচিত বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত জিলা টীকাকৰণ বিষয়া (DIO), এপিডেমিঅ'লজিষ্ট, মাইক্ৰ'বায়'লজিষ্ট, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান (NHM)ৰ জিলা কাৰ্যসূচী পৰিচালন গোটৰ বিষয়াসকল, জিলা মিডিয়া বিশেষজ্ঞ (DME), সমন্বিত ৰোগ নিৰীক্ষণ কাৰ্যসূচী (IDSP)ৰ বিষয়াসকল, আশা কৰ্মী, এএনএম, জিএনএম শিক্ষাৰ্থী আৰু স্বাস্থ্য বিভাগৰ বহু বিষয়া-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। সজাগতা সমদলৰ জৰিয়তে ভাইৰেল হেপাটাইটিছৰ প্ৰতিৰোধ, লক্ষণ, আগতীয়াকৈ ৰোগ চিনাক্তকৰণ, সময়মতে চিকিৎসা গ্ৰহণ আৰু সুৰক্ষিত স্বাস্থ্য আচৰণৰ ওপৰত জনসাধাৰণক সজাগ কৰা হয়। আশা কৰ্মীসকলে সাধাৰণ ৰাইজৰ মাজত সচেতনতামূলক প্ৰচাৰ পত্ৰিকাও বিতৰণ কৰে। ইফালে বিশ্ব হেপাটাইটিছ দিৱস উপলক্ষে ২৮ জুলাইৰ পৰা ৩ আগষ্ট, ২০২৬লৈ গোলাঘাট জিলাৰ বিভিন্ন স্বাস্থ্য কেন্দ্ৰ, বানপ্ৰভাৱিত এলেকা আৰু বান সাহায্য শিবিৰসমূহত বিশেষ সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। স্বাস্থ্যকৰ্মীসকলে এই সময়ছোৱাত ভাইৰেল হেপাটাইটিছৰ প্ৰতিৰোধ ব্যৱস্থা, বিনামূলীয়া পৰীক্ষা আৰু চৰকাৰী চিকিৎসা সুবিধাৰ বিষয়ে জনসাধাৰণক বিস্তৃতভাৱে অৱগত কৰিব। উল্লেখ্য যে, প্ৰতি বছৰে ২৮ জুলাই বিশ্ব হেপাটাইটিছ দিৱস পালন কৰা হয়। এই বছৰৰ বিষয়বস্তু হৈছে "Let's Break It Down — হেপাটাইটিছ নিৰ্মূল কৰাৰ সময়"। এই বিষয়বস্তুৰ মূল লক্ষ্য হৈছে হেপাটাইটিছৰ প্ৰতিৰোধ, পৰীক্ষা, চিকিৎসা আৰু স্বাস্থ্যসেৱা লাভৰ ক্ষেত্ৰত থকা সকলো বাধা দূৰ কৰি অধিকসংখ্যক লোকক স্বাস্থ্যসেৱাৰ আওতালৈ অনা আৰু ২০৩০ চনৰ ভিতৰত হেপাটাইটিছ নিৰ্মূলৰ লক্ষ্যত উপনীত হোৱাত সমাজক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ উদ্বুদ্ধ কৰা।

# বান পীৰিতৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা মুখ্যমন্ত্ৰী বান সাহায্য পুজি লৈ আগবঢ়ালে ১.৫ (ডেৰ) লাখ টকা

**শ্ৰীমন্ত শংকৰদেৱৰ সংঘই প্ৰচাৰ নহয়, সদায় সেৱাকেই অগ্ৰাধিকাৰ দিয়ে ঃ কুশল ঠাকুৰীয়া, প্ৰধান সম্পাদক**

**অসম বাৰ্তা, নুমলীগড়, ২৯ জুলাই** ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘই কৰা সামাজিক আৰু মানৱীয় সেৱাৰ প্ৰচাৰ-প্ৰসাৰৰ প্ৰয়োজন অনুভৱ নকৰে। সমালোচকসকলে যিমানেই সমালোচনা নকৰক কিয়, সেই সমালোচনাই সঙ্ঘক অধিক দায়িত্বশীলভাৱে কাম কৰিবলৈ অনুপ্ৰেৰণা যোগাই আহিছে বুলি মন্তব্য কৰে শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই। বুধবাৰে উজনি অসমৰ প্ৰলয়ংকাৰী বানত ক্ষতিগ্ৰস্ত ৰাইজৰ খবৰ ল'বলৈ যোৱাৰ পথত বোকাখাতত সংবাদ মাধ্যমৰ সৈতে মত বিনিময় কৰি ঠাকুৰীয়াই কয় যে, এটা জাতীয় সংগঠন হিচাপে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বহু সামাজিক দায়িত্ব আছে। সেই দায়িত্ব পালন কৰিয়েই সঙ্ঘই সীমিত সামৰ্থ্যৰ ভিতৰত নীৰৱে সামাজিক আৰু মানৱীয় সেৱা আগবঢ়াই আহিছে। তেওঁ কয়, এইবাৰৰ প্ৰলয়ংকাৰী বানত সঙ্ঘৰ বহু ভকত আৰু সদস্যও ক্ষতিগ্ৰস্ত হৈছে। এনে পৰিস্থিতিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সেৱা বাহিনীৰ সেৱক-সেৱিকাসকলে দিন-ৰাতি বানাক্ৰান্ত লোকসকলক সহায় কৰাৰ কামত নিয়োজিত হৈ আছে। কেৱল ত্ৰাণ বিতৰণতে সীমাবদ্ধ নাথাকি, বানৰ পিছত ক্ষতিগ্ৰস্ত লোকসকলৰ স্থায়ী পুনৰ্সংস্থাপনৰ বাবে কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰি, সেই বিষয়েও সঙ্ঘই চিন্তা-চৰ্চা চলাই আছে। এই ক্ষেত্ৰত চৰকাৰৰো গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলিও তেওঁ উল্লেখ কৰে। কুশল ঠাকুৰীয়াই আৰু জানিবলৈ দিয়ে যে, বানাক্ৰান্ত লোকসকলৰ সহায়ৰ উদ্দেশ্যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ দ্বাৰা পৰিচালিত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, অধ্যাপক আৰু সকলো কৰ্মচাৰীয়ে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ নগাঁও জিলা আয়ুক্তৰ জৰিয়তে ডেৰ লাখ টকাৰ অনুদান আগবঢ়াইছে। ইয়াৰ উপৰি, বুধবাৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ নগাঁও জিলা শাখাৰ সদস্যসকলেও বানপীড়িত ৰাইজৰ বাবে প্ৰয়োজনীয় খাদ্য-সামগ্ৰী আৰু অত্যাৱশ্যকীয় সামগ্ৰী লৈ বানাক্ৰান্ত অঞ্চললৈ ৰাওনা হোৱা বুলি তেওঁ সদৰি কৰে। প্ৰলয়ংকাৰী বানৰ সময়ত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই আগবঢ়োৱা এই মানৱীয় পদক্ষেপে সমাজৰ বিভিন্ন মহলত প্ৰশংসা লাভ কৰিছে।

# মাজুলী সমষ্টিৰ প্ৰাক্তন বিধায়ক মহীধৰ পেগুৰ সোঁৱৰণত গছপুলি ৰোপণ



**অসম বাৰ্তা, উজনী মাজুলী, ২৯ জুলাই ঃ** মাজুলী সমষ্টিৰ প্ৰাক্তন বিধায়ক মহীধৰ পেগুৰ মৃত্যু তিথি উপলক্ষে আজি শুকান সুঁতি গাঁৱত গছ পুলি ৰোপণৰ এক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে শুকান সুঁতি গাঁৱৰ যুৱক দিলীপ কুটুমে আঁত ধৰা অনুষ্ঠানত প্ৰথমে এগছি বন্তি প্ৰজ্বলন কৰে মহীধৰ পেগুৰ বোৱাৰী কমলা পেগুৱে। ইয়াৰ পিছত মহীধৰ পেগুৰ স্মৃতি চাৰণ সভা অনুষ্ঠিত হয়। অনুষ্ঠানত ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দুৰ্গেশ্বৰ শইকীয়া, মাজুলী সাহিত্যৰ সভাপতি কমল দত্তই মহীধৰ পেগুৰ কৃতি আৰু কৃতিত্ব সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। সাংবাদিক সঞ্জীৱ কুমাৰ দত্তই কৰ্মযোগী মহীধৰ পেগুৰ স্মৃতিত মাজৰ দেউৰী কপাঁহতলী গড়কাপ্তানী পথটো নামকৰণ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ প্ৰতি আহ্বান জনায়। অন্যহাতে মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ ৩০ নং চাংগা সমষ্টিৰ সাধাৰণ সদস্য নীল কান্ত দলে প্ৰয়াত মহীধৰ পেগুৰ এটি প্ৰতি মুৰ্ত্তি নিৰ্মাণ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা বুলি জানিবলৈ দিয়ে। উল্লেখ্য যে ১৯৮৯ চনৰ ৩০ আগষ্টত মৃত্যু হোৱা মহীধৰ পেগুৰ মৃত্যু হয়। আজি ৩৭ সংখ্যক মৃত্যু তিথিৰলগত সংগতি ৰাখি মহীধৰ পেগুৰ পৰিয়ালৰ উদ্যোগত শুকান সুঁতি গাঁৱৰ যুৱক সংঘ, মহিলা সমিতিৰ সহযোগত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। গছপুলি ৰোপণ কাৰ্যসূচী শুভাৰম্ভ কৰে পৰিবেশ মিত্ৰ অতুল হাজৰিকাই। কৃষ্ণ চুড়া আৰু ৰাধা চুড়া মিলাই ২০০ জোপা গছ পুলি ৰোপণ কৰা হয়। অনুষ্ঠানত মহীধৰ পেগুৰ দ্বিতীয় পুত্ৰ বৰ্তমান লক্ষ্মীমপুৰৰ নিৱাসী মোহন পেগু, মাজুলী সাহিত্যৰ সম্পাদক গোবিন কুমাৰ খাউণ্ড, নীৰৱ প্ৰকৃতি কৰ্মী খগেন শইকীয়া, সাংবাদিক ক্ৰমে প্ৰাঞ্জল খাউণ্ড, সনজিৎ অভয়পুৰীয়া, মাজু পুত্ৰ মিত্ৰদেৱ পেগু, সৰু পুত্ৰ প্ৰকৃতিশ পেগু, শুকান সুঁতি গাঁৱৰ যুৱক সংঘ সদস্য সকল আৰু মহিলা সমিতি আদি ভালেসংখ্যক সচেতন লোকে অংশগ্ৰহণ কৰে

# নিউ হাৰাংগাজাও ষ্টেচনত ভূমিস্খলনৰ ফলত বিঘ্নিত ৰে'ল সেৱা ঃ কেইবাখনো

বাধ্য হৈছে। ৰে'ল কৰ্তৃপক্ষৰ সূত্ৰমতে, লাইন—১ যোৱা ২০ জুলাইৰ দুপৰীয়া ১২ বজাৰ পৰা আৰু লাইন—২ যোৱা ২৩ জুলাই নিশা ১১: ০৫ বজাৰ পৰা বন্ধ হৈ আছে। বৰ্তমান সকলো ৰে'ল কেৱল লাইন নং—৩১ জৰিয়তে চলাচল কৰি আছে যদিও লাইন—৩১ ট্ৰেকৰ অৱস্থাও কৰ্তৃপক্ষই নিয়মিতভাৱে পৰ্যবেক্ষণ কৰি থকা বুলি জানিবলৈ দিছে। যাত্ৰীসকলৰ সুৰক্ষা আৰু সুবিধাক অগ্ৰাধিকাৰ দি ৰে'ল কৰ্তৃপক্ষই সন্ধিয়া ৭ ৰজাৰ পৰা পুৱা ৫ বজালৈ যাত্ৰীবাহী ৰে'লৰ চলাচল সীমিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূব সীমান্ত ৰে'লৱেই যোৱা চপ্ত জুলাইৰ পৰা ৩০ জুলাইলৈ বিভিন্ন দিনত একাধিক এক্সপ্ৰেছ ট্ৰেইন বাতিল, পুনঃসূচীকৰণ অথবা পথত নিয়ন্ত্ৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বাতিল কৰা ৰে'লসমূহৰ ভিতৰত আছে ১৫৬১৭ গুৱাহাটী—দুল্লভচৰা এক্সপ্ৰেছ, ১৫৬১৮ দুল্লভচৰা—গুৱাহাটী এক্সপ্ৰেছ, ১৫৬১৫ গুৱাহাটী—শিলচৰ এক্সপ্ৰেছ আৰু ১৫৬১৬ শিলচৰ—গুৱাহাটী এক্সপ্ৰেছ। তদুপৰি ১৫৬৫০ নাৰেংগী—আগৰতলা, ১৫৬৪৯ আগৰতলা—নাৰেংগী, ১৫৬০৯ গুৱাহাটী—চাইৰাং, ১৫৬১০ চাইৰাং—গুৱাহাটী, ১৫৬১১ ৰঙিয়া—শিলচৰ, ১৫৬১২ শিলচৰ—ৰঙিয়া, ২০৫০১ আগৰতলা—আনন্দ বিহাৰ তেজছ এক্সপ্ৰেছ, ১৪৬১৯ আগৰতলা—ফিৰোজপুৰ এক্সপ্ৰেছ আৰু ১৫৬০৮ শিলচৰ—তিৰুৱনন্তপুৰম এক্সপ্ৰেছ আদি বহুকেইখন ৰে'লৰ যাত্ৰা নিৰ্ধাৰিত সময়ৰ পৰিৱৰ্তে কেইবাঘণ্টা পিছুৱাই দিয়া হৈছে। আনহাতে ১২৫০৩ বেংগালুৰু কেণ্ট—আগৰতলা, ১২৫০১ কলকাতা—আগৰতলা, ১৫৬২৫ দেওঘৰ—আগৰতলা আৰু ১৭০৩১ চাৰলাপল্লী—আগৰতলা আদি কেইবাখন ৰে'ল সুবিধাজনকভাৱে পথত নিয়ন্ত্ৰণ কৰি চলোৱা হ'ব বুলি ৰে'লৱেই সদৰি কৰিছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেই কয় যে ট্ৰেক সম্পূৰ্ণৰূপে সুৰক্ষিত নোহোৱালৈকে এই ব্যৱস্থা অব্যাহত থাকিব। যাত্ৰীসকলক যাত্ৰাৰ পূৰ্বে সংশ্লিষ্ট ৰে'লৰ শেহতীয়া অৱস্থা নিশ্চিত কৰিবলৈ ৰে'লৱেৰ তথ্য ব্যৱস্থা বা অনুসন্ধান কেন্দ্ৰৰ সৈতে যোগাযোগ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে, যাতে যাত্ৰীসকলে অযথা অসুবিধাৰ সন্মুখীন নহয়।

# অসমৰ বান বিধ্বস্ত অঞ্চললৈ কেন্দ্ৰীয় চৰকাৰৰ এহেজাৰ কোটি টকাৰ আৰ্থিক পেকেজ

## উজনি অসম মুছলিম কল্যাণ পৰিষদৰ আদৰণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২৯ জুলাই ঃ** উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা কেন্দ্ৰীয় চৰকাৰক উজনি অসমৰ অবিভক্ত শিৱসাগৰ জিলাত হোৱা প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে ৩০০০ কোটি টকাৰ অৰ্থনৈতিক পেকেজ ঘোষণা কৰিবলৈ দাবী উত্থাপন কৰা হৈছিল। তেনেদৰে শতিকাৰ আটাইতকৈ ডাঙৰ দুৰ্যোগ হিচাপে পৰিগণিত হোৱা উজনি অসমৰ বিধংসী বান পৰিস্থিতিৰ বাবে সদৌ টাই আহোম ছাত্ৰ সন্থাৰ সভাপতি বসন্ত গগৈয়ে৪০০০ কোটি টকাৰ বিশেষ অৰ্থনৈতিক পেকেজ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি ড° উৎপল শৰ্মায়ো দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এই বিপদৰ সময়ত অসমলৈ অহাৰ দাবী উত্থাপন কৰাৰ লগতে বিশেষ কেন্দ্ৰীয় আৰ্থিক পেকেজ বিচাৰিছিল। কেইবাটাও জাতীয় আৰু জনগোষ্ঠীয় সংগঠনৰ এনে ন্যায্য দাবীৰ প্ৰতি সঁহাৰি জনাই আজি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বান বিধ্বস্ত অসমলৈ জৰুৰীকালীন ভাৱে এহেজাৰ কোটি টকাৰ সাহায্য মঞ্জুৰ কৰে। অসমবাসীৰ দাবীৰ প্ৰতি সঁহাৰি জনাই কেন্দ্ৰীয় চৰকাৰে তৎকালীনভাৱে এই কেন্দ্ৰীয় পুঁজি মোকলাই দিয়াৰ বাবে উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়া আৰু সাধাৰণ সম্পাদক চামচুল হুছেইনে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছে। তদুপৰি অসম চৰকাৰে বান আক্ৰান্ত জিলা সমূহলৈ ১৫০ কোটি টকা আবণ্টন দিয়াৰ উপৰিও মৃতকৰ পৰিয়াললৈ ৪ লাখ টকাৰ এককালীন সাহায্য ঘোষণা কৰিছে। তদুপৰি ক্ষতিগ্ৰস্ত হোৱা প্ৰতি গৰাকী ছাত্ৰ ছাত্ৰী সকলৰ কিতাপ পত্ৰ কিনিবলৈ নগদ ১০০০ টকাকৈ বিশেষ অনুদান আগবঢ়োৱাৰ বাবে উজনি অসম মুছলিম কল্যাণ পৰিষদে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰিছে। ঐতিহাসিক শিৱসাগৰ আৰু চৰাইদেউ জিলাত হোৱা বিধ্বংসী বান পৰিস্থিতি এতিয়াও স্বাভাৱিক হোৱা নাই। শিৱসাগৰ জিলাৰ খাতপথাৰ, পানবেছা, জেঙনিকটীয়া, পলশনিৰ উপৰিও নাজিৰা মহকুমাৰ চণ্টক, বিহুবৰ, কেন্দুগুৰি, শিলাসাকো, ৰজাপুলকে ধৰি বিভিন্ন অঞ্চলৰ লক্ষাধিক ৰাইজৰ লগতে বহু পশুধন ক্ষতিগ্ৰস্ত হৈছে। খোদ শিৱসাগৰ নগৰৰ মাজমজিয়াৰ ডঃ এম আই বড়া পথৰ আৰক্ষী অধীক্ষক কাৰ্যালয়কে ধৰি বৃহৎ অঞ্চল এতিয়াও বানৰ কবলত আছে। কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা লাভ কৰা এহেজাৰ কোটি টকাৰ আৰ্থিক পেকেজৰ ধন প্ৰতিটো বানাক্ৰান্ত অঞ্চলৰ ক্ষতিগ্ৰস্ত লোকসকলক চিনাক্ত কৰি প্ৰদান কৰিবলৈ উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতি সভাপতি মনিৰুল ইছলাম বড়া আৰু সাধাৰণ সম্পাদক চামচুল হুছেইনে অসম চৰকাৰৰ প্ৰতি আহ্বান জনাইছে।

# সৰুপথাৰৰ অংকিতা এণ্টাৰপ্ৰাইজৰ 'বিশেষ আড্ডা' - অনুপ্ৰেৰণাৰ এক অনন্য মঞ্চ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ২৯ জুলাই ঃ** সৰুপথাৰ নগৰৰ ব্যস্ততাৰ মাজত অৱস্থিত এখন কিতাপৰ বিপণী। বাহ্যিকভাৱে ই হয়তো আন এখন সাধাৰণ কিতাপৰ দোকানৰ দৰেই। কিন্তু ইয়াৰ অন্তৰালত লুকাই আছে এক ব্যতিক্ৰমী চিন্তা, এক সৃজনশীল প্ৰয়াস আৰু সমাজ গঢ়াৰ এক নীৰৱ আন্দোলন। খনিকৰ গাঁৱৰ বিশিষ্ট ব্যৱসায়ী তথা সৰুপথাৰ সমজিলাৰ জ্যেষ্ঠ সাংবাদিক দ্বিপেন কুমাৰ বৰাই প্ৰতিষ্ঠা কৰা অংকিতা এণ্টাৰপ্ৰাইজ আজিৰ দিনত কেৱল কিতাপ বিক্ৰীৰ বিপণী হৈ নাথাকি জ্ঞান, চিন্তা আৰু অনুপ্ৰেৰণাৰ এক সজীৱ মিলনস্থল হিচাপে পৰিচিত হৈছে। প্ৰতিটো মাহৰ শেষৰ শনিবাৰে নিয়মীয়াকৈ অনুষ্ঠিত হোৱা "শনিবৰীয়া আড্ডা" অনুষ্ঠানটোৱে ইতিমধ্যে অঞ্চলটোৰ বৌদ্ধিক পৰিমণ্ডলত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। এই মঞ্চত শিক্ষা, সাহিত্য, সংস্কৃতি, ক্ৰীড়া, স্বাস্থ্য, সমাজসেৱা, সাংবাদিকতা আদি বিভিন্ন ক্ষেত্ৰত কৃতিত্ব অৰ্জন কৰি সমাজলৈ বিশেষ অৱদান আগবঢ়োৱা ব্যক্তিসকলক আমন্ত্ৰণ জনাই তেওঁলোকৰ জীৱনসংগ্ৰাম, অভিজ্ঞতা আৰু সফলতাৰ কাহিনী স্থানীয় ৰাইজ, বিশেষকৈ উঠি অহা প্ৰজন্মৰ আগত উপস্থাপন কৰা হয়। ফলস্বৰূপে, এই অনুষ্ঠান কেৱল আড্ডাতে সীমাবদ্ধ নাথাকি এক জীৱন্ত শিক্ষণ প্ৰক্ৰিয়ালৈ ৰূপান্তৰিত হৈছে। এই ধাৰাবাহিকতাৰেই অংশ হিচাপে এইবাৰ অংকিতা এণ্টাৰপ্ৰাইজে আয়োজন কৰে এক "বিশেষ আড্ডা" অনুষ্ঠানৰ। অনুষ্ঠানটোৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসমৰ সংবাদ জগতৰ এক সুপৰিচিত আৰু জনপ্ৰিয় নাম, বিশিষ্ট সাংবাদিক নিতুমনি শইকীয়া। অংকিতা এণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰী দ্বিপেন কুমাৰ বৰা আৰু সংবাদকৰ্মী কুলেশ বৰাৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানটোৰ আৰম্ভণিতে মুখ্য অতিথি গৰাকীক উষ্ম আদৰণি জনোৱা হয়। অংকিতা এণ্টাৰপ্ৰাইজৰ উপৰি সৰুপথাৰ সমজিলা আছু, চুতীয়া ছাত্ৰ সন্থা, আটছা, আটুৱা আৰু বহু শুভাকাংক্ষীয়ে ফুলাম গামোচা, স্মাৰক আৰু শুভেচ্ছাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানৰ এক বিশেষ আকৰ্ষণ আছিল- দুজন প্ৰতিভাৱান ছাত্ৰই নিজ হাতে অংকন কৰা নিতুমনি শইকীয়াৰ সুন্দৰ প্ৰতিচ্ছবি তেওঁৰ হাতত তুলি দিয়াৰ হৃদয়স্পৰ্শী মুহূৰ্ত। ইয়াৰ পিছত আৰম্ভ হয় এক মননশীল আৰু আৱেগঘন মত-বিনিময়। উপস্থিত ৰাইজৰ বিভিন্ন প্ৰশ্নৰ উত্তৰত নিতুমনি শইকীয়াই তেওঁৰ বাল্যকালৰ পৰা বৰ্তমানলৈকে জীৱনৰ প্ৰতিটো অধ্যায় অতি অকপটে বৰ্ণনা কৰে। তেওঁ কয় যে, শৈশৱৰ পৰাই অসমৰ বিশিষ্ট সাংবাদিক, সাহিত্যিক আৰু বুদ্ধিজীৱী হোমেন বৰগোহাঞিৰ আদৰ্শই তেওঁক গভীৰভাৱে প্ৰভাৱিত কৰিছিল। সেই আদৰ্শক বুকুত সাৱটি লৈয়েই জীৱনৰ লক্ষ্য নিৰ্ধাৰণ কৰি তেওঁ সাংবাদিকতাৰ কঠিন পথত আগবাঢ়িছিল। আলোচনাৰ সময়ত তেওঁ নিজৰ শৈশৱৰ বহু তিতা-মিঠা স্মৃতি ভাগ-বতৰা কৰে। পৰিয়ালৰ সৈতে কিদৰে জীৱনৰ কঠিন সময় অতিক্ৰম কৰিছিল, বাল্যকালতে নিজ মাতৃক তেওঁ কিদৰে নিজকে হোমেন বৰগোহাঞিৰ দৰে এজন ব্যক্তি হোৱাৰ কথা দিছিল, কেনেকৈ আৰু কিহৰ বাবে সমাজৰ এঘৰীয়া মনোভাৱৰ সন্মুখীন হৈছিল, আনকি ঘৰৰ সন্মুখৰ নামঘৰত অনুষ্ঠিত বৰসভা বা ভাওনা দূৰৰ পৰা চাই সময় কটাবলগীয়া হোৱা বেদনাদায়ক অভিজ্ঞতাও তেওঁ আৱেগেৰে বৰ্ণনা কৰে। তেওঁৰ এই অকৃত্ৰিম আত্মকথনে বহু শ্ৰোতাৰ চকু সেমেকাই তোলে। ইয়াৰ লগতে তেওঁ গুৱাহাটীত টিউচন কৰি নিজা খৰচ উলিওৱা, এটা বছৰ বেচৰকাৰীভাৱে শিক্ষকতা কৰা, তৰ্ক প্ৰতিযোগিতাৰ ভাগ লোৱাৰ মধুৰ অভিজ্ঞতা আৰু সাংবাদিকতা জীৱনৰ আৰম্ভণিৰ পৰা আকাশবাণী গুৱাহাটী, এন.ই. টিভি, নিউজ লাইভ আৰু বৰ্তমান অসমৰ আগশাৰীৰ সংবাদ মাধ্যম প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক হিচাপে কৰ্মৰত হোৱালৈকে দীঘলীয়া যাত্ৰাপথৰ নানা উত্থান-পতনৰ কাহিনীও সজীৱভাৱে দাঙি ধৰে। অনুষ্ঠানটোত উপস্থিত শিক্ষাবিদ, সাংস্কৃতিক কৰ্মী, সংবাদকৰ্মী, সমাজকৰ্মী, বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়া, ছাত্ৰ-ছাত্ৰী তথা সচেতন ৰাইজে ঘণ্টাৰ পিছত ঘণ্টা একান্তমনে তেওঁৰ বক্তব্য শুনি থাকে। তেওঁৰ বক্তব্যৰ মাজত এনে আকৰ্ষণ আছিল যে, অনুষ্ঠানৰ আৰম্ভণিৰ পৰা অন্তিম মুহূৰ্তলৈকে প্ৰায় কোনো লোকেই আসন এৰি উঠি যোৱা নাছিল। তেওঁৰ জীৱনসংগ্ৰাম, অধ্যৱসায়, কৰ্মনিষ্ঠা আৰু সমাজৰ প্ৰতি দায়বদ্ধতাৰ কাহিনীয়ে উপস্থিত প্ৰতিজনকে গভীৰভাৱে অনুপ্ৰাণিত কৰে। অনুষ্ঠানৰ অন্তত নিতুমনি শইকীয়াই কয় যে, এখন কিতাপৰ বিপণীৰ সন্মুখত এনে ধৰণৰ বৌদ্ধিক আড্ডাৰ আয়োজন এক ব্যতিক্ৰমী আৰু প্ৰশংসনীয় পদক্ষেপ। তেওঁ অংকিতা এণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰী দ্বিপেন কুমাৰ বৰাক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে অনুষ্ঠানটো সফল কৰি তোলাত সহযোগিতা কৰা সকলো সংগঠন, শুভাকাংক্ষী আৰু উপস্থিত ৰাইজৰ প্ৰতিও কৃতজ্ঞতা প্ৰকাশ কৰে। উল্লেখ্য যে, এই বিশেষ আড্ডাত নিতুমনি শইকীয়াক মুখ্য অতিথি হিচাপে আমন্ত্ৰণ জনোৱাৰ ক্ষেত্ৰত তেওঁৰ ঘনিষ্ঠ উৰিয়ামঘাটৰ যুৱক তথা ধনশিৰি মহকুমা ছাত্ৰ সন্থাৰ সভাপতি বিকাশ বৰাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এখন কিতাপৰ দোকানৰ সন্মুখত আৰম্ভ হোৱা এই "শনিবৰীয়া আড্ডা" আৰু "বিশেষ আড্ডা" আজিৰ দিনত কেৱল আড্ডাৰ মাজতে সীমাবদ্ধ নাই। ই ক্ৰমে সৰুপথাৰ সমজিলাত জ্ঞান, সাহিত্য, সংস্কৃতি, মূল্যবোধ আৰু ইতিবাচক চিন্তাৰ বীজ সিঁচি উঠি অহা প্ৰজন্মক বৌদ্ধিকভাৱে সমৃদ্ধ কৰি তোলাৰ এক নীৰৱ কিন্তু শক্তিশালী সামাজিক আন্দোলনলৈ ৰূপান্তৰিত হৈছে। এই ব্যতিক্ৰমী প্ৰচেষ্টাই নিঃসন্দেহে অঞ্চলটোৰ শিক্ষা, সাংস্কৃতি আৰু মননশীল পৰিৱেশক অধিক সমৃদ্ধ কৰাৰ লগতে ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক উজ্জ্বল দৃষ্টান্ত স্থাপন কৰিছে।

বানাক্ৰান্তৰ হুংকাৰ "এইবাৰ খৰালি শিল খান্দিবলৈ অহা মাফিয়াক জীৱন্তে দাহ কৰা হ'ব"

# চণ্টক-বিহুবৰত আপোনজনক হেৰুৱাই সপোনৰ ঘৰখনলৈ চাই চাই বন্যাৰ্তই নিগৰাইছে অশ্ৰু

**অসম বাৰ্তা, নামতি, ২৯ জুলাই ঃ** ইতিহাসত প্ৰথমবাৰৰ বাবে সৃষ্টি হোৱা দিখৌ নদীৰ প্ৰলয়ংকাৰী বানত নাজিৰাৰ হাজাৰ হাজাৰ পৰিয়ালৰ জীৱনলৈ নমাই আনিলে কাল অমানিশা। এপলকতে ধ্বংসস্তূপত পৰিণত হোৱা চণ্টক-বিহুবৰত এই বিধ্বংসী বলিয়া বানত শ শ পৰিয়ালে আপোনজনক মুহূৰ্ততে হেৰুৱাই এতিয়া একাঠুলৈকে পলসত সোমাই সপোনৰ ঘৰখনলৈ চাই চাই বন্যাৰ্তই নিগৰাইছে অশ্ৰু। নিমিষতে বাঢ়ি অহা দিখৌ নদীৰ বলিয়া বানে তচনচ কৰি পেলোৱা ঘৰখনৰ কথা বাদ দি জীৱনটো ৰক্ষাৰ বাবে কোনোবাই ঘৰৰ মুধচত, কোনোবাই খেৰৰ ওপৰত, কোনোবাই বিদ্যুতৰ তাঁৰত বহি আশ্ৰয় লৈ প্ৰাণ ৰক্ষাৰ যুঁজত অৱতীৰ্ণ হ'ব লগাত পৰিস্থিতিৰ সন্মুখীন হ'ল। শতাধিক জনৰ চকুৰ আগতেই উটুৱাই লৈ গৈছিল আপোনজনক, হেঁপাহৰ ঘৰখন, মৰমৰ পশুধনক। উটুৱাই নিলে সা-সম্পত্তি। এক বুজাব নোৱাৰা অৱৰ্ণনীয় দৃশ্য। এতিয়া বিভিষিকাময় পৰিৱেশত চৌদিশে কেৱল আৰ্তজনৰ গুঞ্জন। চণ্টক, বিহুবৰ, নেপালী খুঁটি, শিলনী, ডাৰ্ক চাইক্লিং, আদি অঞ্চলৰ লগতে নাজিৰা সমজিলাৰ হাজাৰ হাজাৰ পৰিয়ালৰ বাসগৃহ এতিয়াও পানীৰ তলত আৰু একাঠু পলসত পোত গৈ আছে। বিভিন্ন প্ৰান্তৰ পৰা সহায়ৰ বাবে অহা সাহায্যকাৰী অনুষ্ঠান, চৰকাৰৰ পৰা কিবা অলপ খাদ্য সামগ্ৰী, খোৱা-পানী বটল পোৱাৰ আশাতভজি বাটে-পথে দলে দলে ৰৈ থকা দৃশ্যবোৰ কিমানযে হৃদয়বিদাৰক হৈ পৰিছে অনুভৱ কৰিব নোৱাৰি। এক কৰুণ অপৰিৱেশৰ মাজত জীয়াই থকাৰ তাগিদাত দিন কটাইছে বন্যাৰ্তই। জীয়াই থকা পশুধন কেইটাক কাষতে লৈ পথৰ ওপৰত তমবুৰ তলতেই পাৰ কৰিছে এইসকল দুৰ্ভগীয়া পৰিয়ালে। যতে ততে সিঁচৰিত হৈ আছে নিজৰ ব্যৱহৃত বাহনখন। গাড়ী, মটৰচাইকেল সমূহ পলসৰ মাজত আৱদ্ধ হৈ পৰি আছে। নিজৰ সপোনৰ ঘৰখনত সোমাবলৈ এইসকলৰ আৰু কিমান সময় লাগিব সেয়া এতিয়াই ক'ব পৰা অৱস্থাত নাই। এক প্ৰকাৰে নিঠৰুৱা, নিৰুপায় এই পৰিয়ালবোৰ। চৰকাৰে এই পৰিয়ালবোৰক এক নতুন জীৱন প্ৰদান কৰিবলৈ আঁচনি প্ৰস্তুত কৰি শেষ কৰিব পাৰিব যে সেয়া নিশ্চিত নহয়। আজি বিহুবৰ ঔগুৰিজান, নেপালী খুঁটি অঞ্চলৰ ভালেকেইজন বানাক্ৰান্ত ৰাইজে এই প্ৰতিবেদকৰ আগত বুক ফুটাই চকুলো নিগৰাই ক্ষোভ উজাৰি কয়, এইবাৰ খৰালি সময়ত অসম-নাগালেণ্ড সীমান্তৱৰ্তী বিহুবৰ অঞ্চলত যিয়েই শিল খনন কৰিবলৈ আহিব সেই মাফিয়া সকলক জীৱন্তে দাহ কৰি আমাৰ আপোনজনক হেৰুৱাৰ মৰ্মান্তিক বেদনা উজাৰি পেলোৱা হ'ব বুলি কঠোৰ হুংকাৰ প্ৰদান কৰে। আনহাতে জলপ্ৰলয়ত সৰ্বস্বান্ত হোৱা ৰাইজক বিভিন্ন প্ৰান্তৰ পৰা সহায়কাৰী সকলে দিয়া পানী বটল সমূহ ব্যৱহাৰ কৰাৰ পাছত বন্যাৰ্ত সকলে কোনো নিৰ্দিষ্ট ঠাইত নেপেলাই য'তে ত'তে পেলোৱাৰ ফলত অনাগত দিনত পুনৰ এনে পানী আহিলে বা বৰষুণ দিলে নলা - নৰ্দমা, পুখুৰী, জলাশয় সমূহে দি ওলাই যোৱা পানীক বাধা প্ৰদান কৰিব সেয়া নিশ্চিত। তেনে হ'লে পুনৰ প'লকটে জলমগ্ন হৈ পৰিব অঞ্চলসমূহ। সেয়ে জনগণে অতি সচেতনতাৰে আগবঢ়াৰ প্ৰয়োজনীয়তা আহি পৰিছে।

**NAME CORRECTION**

Sworn before Notary Public at Udalguri dated on 17-07-2026 that my actual and correct name is SOMESHWARI BORO and my husband's actual name is CHANDRA KANTA BORO, residents of Vill: Bajrajhar, P.O.: Rowta, P.S.: Rowta, Dist.: Udalguri, B.T.R., Assam. But in my land documents (Dag No. 4233, P.P. No. 117), my name and my husband's name were wrongly recorded as SAMESWARI BORO and CHANDRA KT BORO. Also in the Mouzadar certificate (Dag No. 171, P.P. No. 117), our names were wrongly recorded as SAMESWARI KHAKHLARI and SAMBAR KHAKHLARI. Both are same and SOMESHWARI BORO, SAMESWARI BORO, and SAMESWARI KHAKHLARI refer to the one and same person, i.e., myself. Likewise, CHANDRA KANTA BORO, CHANDRA KT BORO, and SAMBAR KHAKHLARI refer to the one and same person, i.e., my husband.

*Someshwari Boro*

AB-112/2026

# বৰডুমচা-পেঙেৰী আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান সম্পন্ন



**অসম বাৰ্তা বিশেষ, পেঙেৰী, ২৯ জুলাই ঃ** আজি পেঙেৰী হাইস্কুল প্ৰেক্ষাগৃহত বৰডুমচা-পেঙেৰী আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান সম্পন্ন হৈ যায়। মুগংপথাৰ জাতীয় বিদ্যালয়ৰ ছাত্ৰীসকলে পৰিৱেশন কৰা দিহানামেৰে আৰম্ভ কৰা অভিনন্দন অনুষ্ঠানটি সঞ্চালনা কৰে 'আসাম প্ৰেছ ক'ৰেছপণ্ডেণ্টছ ইউনিয়ন' (আপকু)ৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি তথা মৰাণ সাহিত্য সভাৰ সভাপতি ৰবীন মৰাণে। আছুৰ আঞ্চলিক সমিতিখনৰ সভাপতি আৰু সম্পাদক ক্ৰমে উত্তম মহন আৰু বিপ-ৰজ্যোতি মৰাণে আঁত ধৰা সভাত কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে বক্তব্য প্ৰদান কৰে। তাৰ ভিতৰত ক্ৰমে প্ৰাক্তন আছু নেতা পূৰ্ণ বৰুৱা, পেঙেৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অনিল বৰগোহাঁই, শিক্ষক বলীন্দ্ৰ মহন্ত, পেঙেৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান ধীৰাজ থাপা, আছুৰ সদৌ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি আৰু সম্পাদক ক্ৰমে প্ৰতীম নেওগ আৰু কনচেং গগৈ, শ্ৰীমন্ত শংকৰদেৱ উচ্চ মাধ্যমিক বিদ্যালৰ সহকাৰী শিক্ষক সূৰ্যকান্ত গগৈ আদি অন্যতম। উক্ত সভাত বৃহত্তৰ বৰডুমচা-পেঙেৰী অঞ্চলৰ মেট্ৰিক আৰু হাইয়াৰ ছেকেণ্ডাৰী পৰীক্ষাত উত্তীৰ্ণ ডেৰ শতাধিক কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। তাৰ ভিতৰত তিনিটাকৈ সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষা আই এ টি (IISER Aptitude Test), নীট (National Eligibility cum Entrance Test) আৰু জে ই ই (Joint Entrance Examination)ত উত্তীৰ্ণ পেঙেৰীৰ অভিলেখ শৰ্মা (পিতাঃ কুলদীপ শৰ্মা), চিকিৎসা বিজ্ঞানৰ স্নাতক ডিগ্ৰী লাভ কৰা অন্তৰীক্ষা বৰুৱা (পিতাঃ প্ৰমোদ বৰুৱা) আৰু ডেইজী সোণোৱাল (পিতাঃ মহানন্দ সোণোৱাল), বিশেষভাৱে সক্ষম ছাত্ৰী নুৰ জাহান বেগমক বিশেষভাৱে অভিনন্দন জনোৱা হয়। অভিনন্দন পৰ্বৰ সামৰণিৰ পাছত অভিনান্দিত ছাত্ৰী অঙ্গীয়া গগৈ, অভিভাৱক প্ৰমোদ বৰুৱা, মহানন্দ সোণোৱাল আদিয়ে একাষাৰ কয়।

**জিলা আয়ুক্তৰ তদাৰকত ১০ হাজাৰ পেকেট প্ৰেৰণ**

# শিৱসাগৰলৈ নগাঁও জিলা প্ৰশাসনে পঠিয়াব খাদ্যৰ ৫০ হাজাৰ টোপোলা

**অসম বাৰ্তা, পুৰণিগুদাম, ২৮ জুলাই ঃ** শেহতীয়া সংহাৰী বানত বিস্তৰভাবে ক্ষতিগ্ৰস্ত হোৱা শিৱসাগৰ জিলাৰ বানাক্ৰান্ত পৰিয়ালসমূহৰ সহায়ৰ বাবে নগাঁও জিলা প্ৰশাসনেও ব্যাপক সাহায্য অভিযান চলাই আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ পুঁজিৰে জৰুৰীভাৱে শিৱসাগৰ জিলালৈ খাদ্য সামগ্ৰীৰ ৫০ হাজাৰ টোপোলা সাহায্য হিচাপে প্ৰেৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু জিলা প্ৰশাসনৰ অক্লান্ত প্ৰচেষ্টাৰ ফলত বৰ্তমানলৈকে ১০, ০০০ তকৈও অধিক জৰুৰী খাদ্য সামগ্ৰীৰ টোপোলা শিৱসাগৰলৈ প্ৰেৰণ কৰা হৈছে। একোটা টোপোলাত আছে ৮ কেজি চাউল, ২ কেজি দাইল, এক লিটাৰ মিঠাতেল আৰু আধা কেজি নিমখ। জিলা আয়ুক্ত দেৱাশিস শৰ্মাই এই কথা প্ৰকাশ কৰি কয় যে, আজিৰ দিনটোতো ১০, ০০০ ৰ পৰা ১২, ০০০ হাজাৰ পেকেট প্ৰেৰণৰ প্ৰস্তুতি চলোৱাৰ সমান্তৰালকৈ আগন্তুক সময়ছোৱাত ১৬, ০০০ পেকেট আৰু পৰৱৰ্তী পৰ্যায়ত সৰ্বমুঠ ৫০, ০০০ তকৈও অধিক সাহায্য পেকেট বিতৰণৰ এক বৃহৎ লক্ষ্য ধাৰ্য কৰা হৈছে। জিলা আয়ুক্ত গৰাকীয়ে এই বিশাল প্ৰস্তুতিৰ নিজেই তদাৰক কৰিছে। আজি দুপৰীয়া পলাশনিস্থিত গুদাম পৰিদৰ্শন কৰাৰ পিছত আবেলি নগাঁও আৰক্ষী আৰক্ষী ছাউনীৰ সমূহীয়া প্ৰেক্ষাগৃহত চলি থকা টোপোলা বন্ধা কাম পৰিদৰ্শন কৰে। এই পৰিদৰ্শন কালত কালত অতিৰিক্ত জিলা আয়ুক্ত মৃদুল বড়ো, অতিৰিক্ত জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া দীপাংকৰ বৰ্মন, জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মা আৰু জিলা প্ৰকল্প বিষয়া বিজয়ন্ত গোস্বামীও উপস্থিত থাকে। জিলা আয়ুক্তই জনোৱা মতে, বানপীড়িত ৰাইজৰ কাষত সদায় থিয় দিয়াৰ সংকল্পৰে এই সাহায্য প্ৰক্ৰিয়া অধিক ক্ষিপ্ৰ কৰি তুলিবলৈ অতিৰিক্ত সাহায্য সম্ভাৰো প্ৰস্তুত কৰা হৈছে, যিসমূহ অতি সোনকালে শিৱসাগৰলৈ প্ৰেৰণ কৰা হ'ব। জিলাখনৰ তিনিটা স্থানত দিনে নিশাই শিৱসাগৰৰ বাবে সাহায্য সামগ্ৰীৰ টোপোলা বন্ধা আৰু প্ৰেৰণৰ কাম পূৰ্ণগতিত চলাই থকা হৈছে।

# গোলাঘাটত আন্তঃ বেটালিয়ন (অপ্স) যোৰহাট ছেক্টৰ টেবুল টেনিছ প্ৰতিযোগিতা

**অসম বাৰ্তা ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৮ জুলাই ঃ** কেন্দ্ৰীয় ৰিজাৰ্ভ আৰক্ষী বাহিনী (চিআৰপিএফ)ৰ গোলাঘাটৰ জোনাকী নগৰত অৱস্থিত 142 নম্বৰ বেটালিয়নে ২৭ জুলাইত আন্তঃ বেটালিয়ন (অপ্স) যোৰহাট ছেক্টৰ টেবুল টেনিছ প্ৰতিযোগিতা-২০২৬ৰ সমাপন অনুষ্ঠান ৮৮ সংখ্যক চিআৰপিএফ প্ৰতিষ্ঠা দিৱসৰ সৈতে সফলভাৱে আয়োজন কৰে। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে পি. আৰ. জাম্ভোলকৰ, মহাপৰিদৰ্শক (অপাৰেশ্যন), জোৰহাট ছেক্টৰ, চিআৰপিএফ। তদুপৰি আৰ. ডব্লিউ. ডাৱা, উপ মহাপৰিদৰ্শক আৰক্ষী, খটখটি ৰেঞ্জ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত বিকাশ পাণ্ডে, কমাণ্ডেণ্ট, 119 নম্বৰ বেটালিয়ন; বিশাল খাণ্ডেলৱাল, কমাণ্ডেণ্ট, 149 নম্বৰ বেটালিয়ন; ড° সত্যবীৰ বৰ্মা, কমাণ্ডেণ্ট, 155 নম্বৰ বেটালিয়ন লগতে জ্যেষ্ঠ বিষয়াসকল, অধীনস্থ বিষয়াসকল, বাহিনীৰ জোৱান আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকল উপস্থিত থাকে। মুখ্য অতিথি আৰু অন্যান্য অতিথিসকলক স্বাগতম জনাই মোহিন্দৰ কুমাৰ, কমাণ্ডেণ্ট, 142 নম্বৰ বেটালিয়ন, এই অনুষ্ঠানৰ গুৰুত্ব উল্লেখ কৰে আৰু আয়োজক দলৰ আন্তৰিক প্ৰচেষ্টাৰ প্ৰশংসা কৰে। তেওঁ সকলো অতিথি আৰু অংশগ্ৰহণকাৰীক ধন্যবাদ জ্ঞাপন কৰে। কাৰ্যসূচীৰ আৰম্ভণি পুৱা ৮৮ সংখ্যক চিআৰপিএফ প্ৰতিষ্ঠা দিৱস উপলক্ষে শহীদসকলক শ্ৰদ্ধাঞ্জলি, কোৱাৰ্টাৰ গাৰ্ডত সন্মান প্ৰদৰ্শন, সৈনিক সন্মিলন আৰু অন্যান্য আনুষ্ঠানিক কাৰ্যসূচীৰ জৰিয়তে সম্পন্ন হয়, যি চিআৰপিএফৰ নিৰ্ধাৰিত নিয়ম আৰু পৰম্পৰা অনুসৰি অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত মুঠ 10টা বেটালিয়ন—20, 30, 36, 68, 119, 138, 142, 155, 171 আৰু 186—অংশ গ্ৰহণ কৰে। খেলুৱৈসকলে উৎকৃষ্ট খেলাধূলাৰ মনোভাৱ, শৃংখলা আৰু প্ৰতিযোগিতামূলক মানসিকতাৰ প্ৰদৰ্শন কৰে। 142 নম্বৰ বেটালিয়নে পুৰুষ দ্বৈত শাখাত 36 নম্বৰ বেটালিয়নক পৰাস্ত কৰি চেম্পিয়ন হয়, আৰু পুৰুষ একক শাখাত 186 নম্বৰ বেটালিয়নৰ বিৰুদ্ধে ৰানাৰ-আপ স্থান লাভ কৰে। সমাপন অনুষ্ঠান চিআৰপিএফ বুক অফ চেৰেমনিৰ নিৰ্ধাৰিত নিয়ম অনুসৰি সম্পন্ন হয়, য'ত মুখ্য অতিথি আৰু বিশিষ্ট অতিথিয়ে বিজয়ী আৰু অংশগ্ৰহণকাৰীসকলক ট্ৰফী, পদক, প্ৰমাণপত্ৰ আৰু অন্যান্য পুৰস্কাৰ প্ৰদান কৰে। অনুষ্ঠানত এক মনোমোহা সাংস্কৃতিক কাৰ্যসূচীও আয়োজন কৰা হয়। আকাংক্ষা ডান্স একাডেমী, ৰূপা নটৰাজ ডান্স একাডেমী, স্নেহা ডান্স ফ্ল'ৰ, আৰজিজেড ডান্স ষ্টুডিঅ', কে.কে.বি.বি. স্কুল, মণিকাঞ্চন কলা নিকেতন, নয়নমণি নৃত্যাঞ্জলি কলা কেন্দ্ৰ, হ'লি চাইল্ড স্কুল (যুগল নৃত্য), জীত ডান্স একাডেমী আৰু ভেনোজ গোলাঘাট গ্ৰুপ ডান্স দলৰ শিল্পী আৰু ছাত্ৰ-ছাত্ৰীয়ে আকৰ্ষণীয় অনুষ্ঠান পৰিৱেশন কৰে। এইবোৰে অসমৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শন কৰাৰ লগতে একতা, সম্প্ৰীতি আৰু ৰাষ্ট্ৰীয় একতাক প্ৰচাৰ কৰে। উদযাপনৰ অংশ হিচাপে গোলাঘাট চহৰৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এখন চিত্ৰাংকন প্ৰতিযোগিতা আয়োজন কৰা হয়। এই প্ৰতিযোগিতা দুটা শ্ৰেণীত- শ্ৰেণী 1ৰ পৰা 3 আৰু শ্ৰেণী 4ৰ পৰা 6- অনুষ্ঠিত হয়। প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা প্ৰতিযোগীসকলক ট্ৰফী, প্ৰমাণপত্ৰ, স্মাৰক আৰু মিঠাই প্ৰদান কৰা হয়, আৰু আন প্ৰতিযোগীসকলক উৎসাহ দিবলৈ সান্ত্বনা প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। এই অনুষ্ঠানত মুখ্য অতিথি, বিশিষ্ট অতিথি, অংশগ্ৰহণকাৰী বেটালিয়নসমূহৰ কমাণ্ডেণ্টসকল আৰু আয়োজক একক 142 নম্বৰ বেটালিয়নৰ কমাণ্ডেণ্ট আৰু দ্বিতীয়-ইন-কমাণ্ডৰ পৰিয়ালৰ সদস্যসকলৰ উপস্থিতিয়ে অনুষ্ঠানটোক অধিক গাম্ভীৰ্য আৰু উষ্ণতা প্ৰদান কৰে। নিজৰ ভাষণত মুখ্য অতিথিয়ে 142 নম্বৰ বেটালিয়নৰ এই অনুষ্ঠানটো সফলভাৱে আৰু পেছাদাৰীভাৱে আয়োজন কৰাৰ বাবে প্ৰশংসা কৰে। তেওঁ খেল আৰু সাংস্কৃতিক কাৰ্যসূচীয়ে একতা বৃদ্ধি কৰা, মনোবল উন্নত কৰা আৰু বাহিনীৰ শাৰীৰিক-মানসিক স্বাস্থ্য সুদৃঢ় কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি উল্লেখ কৰে। মিডিয়াই এই অনুষ্ঠানটোৰ বিস্তৃত কভাৰেজত গুৰুত্বপূৰ্ণ আৰু সহায়ক ভূমিকা পালন কৰে, যাৰ ফলত চিআৰপিএফৰ কাৰ্যকলাপ আৰু সাফল্যসমূহ সাধাৰণ জনতাৰ মাজত অধিকভাৱে পোহৰলৈ আহে। অনুষ্ঠানটো পুৰস্কাৰ বিতৰণ, সাংস্কৃতিক কাৰ্যসূচী আৰু সামূহিক ভোজৰ সৈতে সফলভাৱে সমাপ্ত হয়, যিয়ে শৃংখলা, একতা, পেছাদাৰী দক্ষতা আৰু ৰাষ্ট্ৰ সেৱাৰ প্ৰতি চিআৰপিএফৰ অটল প্ৰতিশ্ৰুতি প্ৰদৰ্শন কৰে।

**বুলি চাহা নামৰ এগৰাকী ব্যৱসায়ীৰ দোকানত লক্ষাধিক টকাৰ সামগ্ৰী জব্দ**

# দ'মে-দ'মে ওলাইছে নিষিদ্ধ প্লাষ্টিক আৰু ম্যাদ উকলা সামগ্ৰী

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ২৮ জুলাই ঃ** সৰুপথাৰ নগৰত নিষিদ্ধ প্লাষ্টিক আৰু ম্যাদ উকলি যোৱা খাদ্য সামগ্ৰীৰ অবাধ বেহাৰ বিৰুদ্ধে মঙ্গলবাৰে সৰুপথাৰ সমজিলা প্ৰশাসন, সৰুপথাৰ পৌৰসভা, গোলাঘাট জিলাৰ খাদ্য সুৰক্ষা বিভাগ আৰু প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ বিষয়াসকলে যৌথভাৱে এক বিশেষ অভিযান চলাই বৃহৎ পৰিমাণৰ সামগ্ৰী জব্দ কৰে। অভিযানটোৱে অঞ্চলজুৰি আলোড়ন সৃষ্টি কৰাৰ মাজতে গ্ৰাহকৰ স্বাস্থ্য সুৰক্ষা আৰু পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত প্ৰশাসনৰ কঠোৰ স্থিতিক পুনৰ স্পষ্ট কৰি তুলিছে। জানিব পৰা মতে, সৰুপথাৰ নগৰৰ ৭নং ৱাৰ্ডৰ মহল তিনিআলিত অৱস্থিত 'এম. এছ. চাহা ষ্ট'ৰ নামৰ এখন গেলামালৰ দোকানৰ বিৰুদ্ধে স্থানীয় ৰাইজে দীৰ্ঘদিন ধৰি অভিযোগ উত্থাপন কৰি আহিছিল। সেই অভিযোগৰ ভিত্তিত সংশ্লিষ্ট বিভাগসমূহে যৌথভাৱে অভিযান চলায়। অভিযানকালত দোকানখনৰ তিনিটাকৈ গুদামঘৰত তালাচী চলাই লক্ষাধিক টকাৰ নিষিদ্ধ একক ব্যৱহাৰযোগ্য প্লাষ্টিক সামগ্ৰী জব্দ কৰা হয়। ইয়াৰ লগতে বৃহৎ পৰিমাণৰ ম্যাদ উকলি যোৱা বিভিন্ন খাদ্য সামগ্ৰী, ঠাণ্ডা পানীয়ৰ বটল, বিস্কুটৰ পেকেট আৰু অন্যান্য প্ৰসাধন সামগ্ৰী উদ্ধাৰ হয়। এই সামগ্ৰীসমূহ গ্ৰাহকৰ স্বাস্থ্যৰ বাবে অতি ক্ষতিকাৰক হ'ব পাৰে বুলি বিষয়াসকলে মন্তব্য কৰে। ৰাইজৰ অভিযোগ অনুসৰি, একাংশ অসাধু ব্যৱসায়ীয়ে বহুদিন ধৰি নিষিদ্ধ প্লাষ্টিক সামগ্ৰী আৰু ম্যাদ উকলি যোৱা খাদ্যবস্তু বিক্ৰী কৰি আহিছিল। এনে কাৰ্যকলাপৰ জৰিয়তে সাধাৰণ গ্ৰাহকৰ জীৱন আৰু স্বাস্থ্যৰ সৈতে হেতালি খেলাৰ অভিযোগো উত্থাপিত হৈছে। দোকানখনৰ স্বত্বাধিকাৰী বুলি চাহা নামৰ মহিলা ব্যৱসায়ীগৰাকীৰ বিৰুদ্ধে পূৰ্বেও বিভিন্ন ধৰণৰ অভিযোগ উত্থাপিত হৈছিল বুলি স্থানীয় একাংশ লোকে দাবী কৰিছে। অভিযানৰ অন্তত জব্দ কৰা সকলো সামগ্ৰী সৰুপথাৰ পৌৰসভাৰ এখন ট্ৰাকত ভৰাই নিয়াৰ ব্যৱস্থা কৰা হয়। খাদ্য সুৰক্ষা বিভাগৰ বিষয়াসকলে জনোৱা মতে, জব্দ কৰা সামগ্ৰীসমূহ আইন অনুসৰি পৰীক্ষা আৰু তদন্ত কৰা হ'ব। তদন্তত অভিযোগসমূহ সত্য প্ৰমাণিত হ'লে সংশ্লিষ্ট ব্যৱসায় প্ৰতিষ্ঠানখনৰ বিৰুদ্ধে প্ৰচলিত আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইফালে, এই অভিযানৰ পিছত সৰুপথাৰৰ ব্যৱসায়ী মহলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। সচেতন মহলে এনে অভিযান নিয়মীয়াকৈ চলাই যোৱাৰ দাবী জনোৱাৰ লগতে নিষিদ্ধ প্লাষ্টিকৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে বন্ধ কৰা আৰু ম্যাদ উকলি যোৱা খাদ্য সামগ্ৰী বিক্ৰীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণৰ আহ্বান জনাইছে। ৰাইজেও বজাৰত খাদ্য সামগ্ৰী ক্ৰয় কৰাৰ পূৰ্বে ম্যাদৰ তাৰিখ ভালদৰে পৰীক্ষা কৰাৰ লগতে কোনো অনিয়ম চকুত পৰিলে তৎক্ষণাত প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনোৱা হৈছে। ইফালে ইমানখিনি ম্যাদ উকলা আৰু নিষিদ্ধ প্লাষ্টিক জব্দ কৰাৰ পিছতো ব্যৱসায়ী বুলি চাহাৰ মুখ আৰু চাল-চলনত কোনো ধৰণৰ অনুসূচনা দেখা পোৱা নগ'ল।

# শিৱসাগৰ জিলাৰ দুই শতাধিক বানাক্ৰান্ত পৰিয়ালক তিনিচুকীয়া জিলা মইনা পাৰিজাতৰ উদ্যোগত সাহায্য প্ৰদান

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৮ জুলাই ঃ** চলিত মাহৰ মাজভাগত হঠাতে উজনি অসমত অহা প্ৰলয়ংকাৰী বানৰ ফলত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট আদি কেইবাখনো জিলা বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। প্ৰলয়ংকাৰী বানৰ ফলত ক্ষতিগ্ৰস্ত হোৱা জিলা কেইখনৰ বানাক্ৰান্ত ৰাইজে দিকবিদিক হেৰুৱাই পেলাইছে। বানাক্ৰান্তই ঘৰ-বাৰী, জীৱ-জন্তু, অন্যান্য সা-সম্পত্তি হেৰুৱাৰ লগতে বহুজনে নিজৰ আত্মীয়ক চিৰদিনৰ বাবে হেৰুৱাব লগীয়া হৈছে। বৰ্তমানলৈকে প্ৰলয়ংকাৰী বানত প্ৰায় ৭০ গৰাকী ব্যক্তিৰ মৃত্যু ঘটাৰ বিপৰীতে বহু কেইগৰাকী ব্যক্তি সন্ধানহীন হৈ আছে। বৰ্তমানলৈকেও অৰ্ধগলিত মানুহৰ মৃতদেহ উদ্ধাৰ কৰি থকাৰ বিপৰীতে শ শ জীৱ-জন্তুৰ অৰ্ধগলিত মৃতদেহ উদ্ধাৰ কৰা হৈছে। উক্ত প্ৰলয়ংকাৰী বানত অধিক ক্ষতিগ্ৰস্ত হৈছে শিৱসাগৰ আৰু চৰাইদেউ জিলা। আনহাতে প্ৰলয়ংকাৰী বানত মৃত্যু হোৱা অধিকাংশ ব্যক্তিয়েই হৈছে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ। জিলা কেইখনৰ কেইবা শতাধিক গাঁৱৰ ৰাইজ আজি বানৰ কবলত পৰি আশ্ৰয় শিবিৰত থাকিবলগীয়া হৈছে। হাজাৰ-হাজাৰ বিঘা ধান খেতি বানৰ কবলত পৰি নষ্ট হোৱাত খেতিয়ক সকলে মূৰে কপালে হাত দিবলগীয়া হৈছে। চৌদিশে কেৱল বানাক্ৰান্তৰ আৰ্তনাদ। এনে সময়তে বানাক্ৰান্তৰ কাষত থিয় দিছে চৰকাৰ, প্ৰশাসনৰ লগতে অসমৰ বিভিন্ন দল সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠান আৰু মানৱ দৰদী ব্যক্তিসকল। তেওঁলোকে বানাক্ৰান্ত ৰাইজক বানৰ কবলৰ পৰা উদ্ধাৰ কৰাৰ সমান্তৰালভাৱে প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰি মানৱীয়তাৰ নিদৰ্শন দাঙি ধৰিছে। সমান্তৰালকৈ তিনিচুকীয়া জিলা মইনা পাৰিজাতৰ এটি সঁজাতি দলে সোমবাৰে শিৱসাগৰ জিলাৰ বানাক্ৰান্ত ৰাইজক সাহায্য প্ৰদান কৰে। বিশিষ্ট শিশুসেৱক শিশু ভাস্কৰ হেমন্ত ৰাজ মৰাণ, তিনিচুকীয়া জিলা মইনা পাৰিজাতৰ সভাপতি পুষ্প মহন আৰু সম্পাদক সৌৰভজ্যোতি দেৱগোস্বামীৰ নেতৃত্বত যোৱা দলটিয়ে শিৱসাগৰ জিলাৰ শিৱসাগৰ সমষ্টিৰ অন্তৰ্গত পানীবিল গোমোঠা গাঁও, চুনপৰা লংকা গোহাঁই গাঁও, মৈৰামৰা সন্দিকৈ গাঁও, হাঁহচৰা মৌজাদাৰ আলিমুৰ গাঁও, ডিমৌ সমষ্টিৰ খেলুৱা কুকুৰাচোৱা গাঁও, খেলুৱা আৰন্ধৰা গাঁও আদি কৰি কেইবাখনো গাঁৱৰ প্ৰায় ২০০ৰো অধিক বানাক্ৰান্ত পৰিয়ালক তিনিচুকীয়া জিলা মইনা পাৰিজাতৰ অন্তৰ্গত বিভিন্ন শাখা মইনা পাৰিজাতৰ শিশু সেৱকসকলে স্বইচ্ছাই আগবঢ়োৱা আৰ্থিক অনুদানৰ দ্বাৰা ক্ৰয় কৰা বিভিন্ন খাদ্য সামগ্ৰী, বিভিন্ন বস্ত্ৰ, ঔষধ, আঁঠুৱা, বিছনা চাদৰৰ লগতে অন্যান্য লাগতিয়াল সামগ্ৰী প্ৰদান কৰে। সাহায্য প্ৰদানকাৰী দলটিত সহযোগ কৰে শিশু সেৱক তপন শইকীয়া, দিপাংকৰ গগৈ, বেণু চেতিয়া আৰু ইন্দ্ৰেশ্বৰ চেতিয়াই।

**২৮ জুলাইৰ পৰা ৩ আগষ্ট পৰ্যন্ত চলিব সজাগতা কাৰ্যসূচী**

# বিশ্ব হেপাটাইটিছ দিৱস উপলক্ষে গোলাঘাটত সজাগতা সমদল

**অসম বাৰ্তা ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৮ জুলাই ঃ** আজি বিশ্ব হেপাটাইটিছ দিৱস উপলক্ষে জিলা স্বাস্থ্য সমিতি, গোলাঘাটৰ তৰফৰ পৰা ভাইৰেল হেপাটাইটিছ সম্পৰ্কে জনসচেতনতা বৃদ্ধিৰ উদ্দেশ্যে এক সজাগতা সমদল মুকলি কৰা হয়। ৰাষ্ট্ৰীয় ভাইৰেল হেপাটাইটিছ নিয়ন্ত্ৰণ কাৰ্যসূচী (NVHCP)ৰ জিলা ন'ডেল বিষয়া ডাঃ ৰঞ্জিত হাজৰিকাই যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ পৰা এই সমদলটো মুকলি কৰে। ইয়াৰ লগতে তেখেতে ভাইৰেল হেপাটাইটিছৰ পৰা সুৰক্ষিত থাকিবলৈ জনসাধাৰণৰ সজাগতা, সময়মতে এই ৰোগৰ পৰীক্ষা, সুৰক্ষিত স্বাস্থ্য আচৰণ আৰু চিকিৎসা গ্ৰহণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কাৰ্যসূচীত জিলা টীকাকৰণ বিষয়া (DIO), এপিডেমিঅ'লজিষ্ট, মাইক্ৰ'বায়'লজিষ্ট, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, গোলাঘাটৰ জিলা কাৰ্যসূচী পৰিচালন গোটৰ বিষয়াসকল তথা স্বাস্থ্য বিভাগৰ অন্যান্য বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। সমদলত আশাকৰ্মী, এএনএম, জিএনএম শিক্ষাৰ্থী, জিলা মিডিয়া বিশেষজ্ঞ (DME), এপিডেমিঅ'লজিষ্ট (Epidemiologist), সমন্বিত ৰোগ নিৰীক্ষণ কাৰ্যসূচী (IDSP)ৰ বিষয়া তথা অন্যান্য স্বাস্থ্য কৰ্মীয়ে অংশ গ্ৰহণ কৰে। তদুপৰি আশা কৰ্মীসকলে হেপাটাইটিছ প্ৰতিৰোধ, লক্ষণ, আগতীয়াকৈ ৰোগ চিনাক্তকৰণ আৰু চিকিৎসা গ্ৰহণৰ প্ৰয়োজনীয়তা সম্পৰ্কীয় বাৰ্তা প্ৰেৰণ কৰাৰ হেতু প্ৰচাৰ পত্ৰিকা বিতৰণ কৰে। গোলাঘাট জিলাত সচেতনতামূলক কাৰ্যসূচীৰ অংশ হিচাপে বিভিন্ন স্বাস্থ্য কেন্দ্ৰ সমূহত তথা বান প্ৰভাৱিত অঞ্চলকে ধৰি বান সাহায্য শিবিৰ সমূহত স্বাস্থ্যকৰ্মীয়ে আজিৰ দিনটোত ভাইৰেল হেপাটাইটিছৰ প্ৰতিৰোধ ব্যৱস্থা, চৰকাৰী চিকিৎসালয়সমূহত বিনামূলীয়া পৰীক্ষা আৰু চিকিৎসা সুবিধাৰ বিষয়ে ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰে। উল্লেখযোগ্য যে প্ৰতি বছৰে ২৮ জুলাইৰ দিনটো বিশ্ব হেপাটাইটিছ দিৱস হিচাপে পালন কৰা হয়। এইবছৰৰ বিষয়বস্তু 'Let's Break it down, হেপাটাইটিছ নিৰ্মূল কৰাৰ সময়'ৰ উদ্দেশ্য হৈছে হেপাটাইটিছ ৰোগীৰ বাবে স্বাস্থ্যসেৱা সমূহ প্ৰাপ্ত কৰাৰ ক্ষেত্ৰত যিকোনো বাধা আঁতৰাই প্ৰতিৰোধ, পৰীক্ষা, চিকিৎসা আৰু সেৱাসমূহ বিস্তাৰ কৰাৰ দিশত সমাজে গুৰুত্বপূৰ্ণ ভূমিকা প্ৰদৰ্শন কৰে।

# নগাঁৱৰ তিনিটাকৈ ড্ৰাগছ সৰবৰাহকাৰীক আটক; পাঁচটা ড্ৰাগছভৰ্তি চাবোনৰ বাকচ জব্দ

**অসম বাৰ্তা, বড়মপুৰ, ২৮ জুলাই ঃ** নগাঁও জিলাত ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখি এক উল্লেখযোগ্য সফলতা লাভ কৰিছে নগাঁও বৰঘাট আৰক্ষীয়ে। গোপন সূত্ৰৰ ভিত্তিত পুৱা চলোৱা এক বিশেষ অভিযানত আৰক্ষীয়ে তিনিজনকৈ ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰাৰ লগতে তেওঁলোকৰ কবলৰ পৰা পাঁচটা ড্ৰাগছভৰ্তি চাবোনৰ বাকচ জব্দ কৰে। আৰক্ষীৰ তথ্য অনুসৰি, শিলচৰৰ পৰা নগাঁও জিলাৰ জুৰীয়ালৈ এখন বাহনত ড্ৰাগছ সৰবৰাহ কৰি অনা হৈছিল। গোপন খবৰৰ ভিত্তিত পূৰ্বপৰিকল্পিতভাৱে অভিযান চলাই আৰক্ষীয়ে ড্ৰাগছসহ তিনিওজন অভিযুক্তক হাতে-লোটে আটক কৰিবলৈ সক্ষম হয়। ধৃত সৰবৰাহকাৰীসকল হৈছে প্ৰশান্ত দাস, ৰাহুল ইছলাম আৰু ৰোনিমা আৰ্যায়া। অভিযানকালত ড্ৰাগছ সৰবৰাহত ব্যৱহাৰ কৰা AS01FT2172 নম্বৰৰ এখন বাহনো আৰক্ষীয়ে জব্দ কৰে। জব্দ কৰা ড্ৰাগছৰ পৰিমাণ, বজাৰ মূল্য আৰু এই সৰবৰাহ চক্ৰৰ সৈতে জড়িত আন ব্যক্তিসকলৰ সন্ধানত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। এই ঘটনাৰ সৈতে জড়িত অধিক তথ্য লাভৰ বাবে ধৃতসকলক সোধা-পোছা চলি থকা বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, নগাঁও জিলাত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে ধাৰাবাহিকভাৱে কঠোৰ অভিযান চলাই আহিছে। শেহতীয়া এই সফল অভিযানক ড্ৰাগছমুক্ত সমাজ গঢ়াৰ দিশত আৰক্ষীৰ আন এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গণ্য কৰা হৈছে।

# বানাক্ৰান্তৰ কাষত ভাৰতীয় সেনা; চণ্টক-বিহুবৰত সেৱাৰ হাত আগবঢ়ালে 'ৰেড শ্বিল্ড গানাৰ্ছ'ৰ জোৱানে

**অসম বাৰ্তা, গেলেকী, ২৮ জুলাই ঃ** চকুৰ পলকতে বিধ্বংসী বানত মানুহৰ সপোনৰ ঘৰখন, পশুধন, খেতিপথাৰ তচনচ হৈ যোৱা নাজিৰাৰ চণ্টক আৰু বিহুবৰ অঞ্চলৰ বানপীড়িত ৰাইজৰ কাষত আৰ্তজনৰ ত্ৰাণকৰ্তা হৈ থিয় দিছে ভাৰতীয় সেনা। দুৰ্যোগৰ এই কঠিন সময়ত ৰাইজৰ সেৱাত সমৰ্পিত হৈ পৰিছে সেনাৰ 'ৰেড শ্বিল্ড গানাৰ্ছ' (Red Shield Gunners) ৰ জোৱানসকল। যোৱা ১৯ তাৰিখৰ পৰা আৰম্ভ হোৱা প্ৰবল বানপানীত বিপন্ন লোকসকলক উদ্ধাৰ অভিযান চলোৱাৰ পৰা আৰম্ভ কৰি সেনাই ধাৰাবাহিকভাৱে সাহায্য আগবঢ়াই আহিছে। ইয়াৰে অংশ হিচাপে আজি সেনাই বিহুবৰৰ ঔগুৰিজান অঞ্চলৰ ৰিলিফ কেম্পত আশ্ৰয় লৈ থকা বন্যাৰ্তসকলৰ মাজত কাপোৰ, চাউল, চেনি, হৰলি'কে ধৰি বিভিন্ন অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰে। সামগ্ৰী বিতৰণৰ উপৰিও সেনাই ঔগুৰিজানত এটা অস্থায়ী স্বাস্থ্য শিবিৰ স্থাপন কৰে। এই শিবিৰত অঞ্চলটোৰ প্ৰায় ৩০০জন বন্যাৰ্তক বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে প্ৰয়োজনীয় ঔষধ-পাতি যোগান ধৰা হয়। বানৰ সংহাৰত দিশহাৰা হৈ পৰা পৰিয়ালসমূহক সেনাৰ এই মানৱীয় আৰু দায়িত্বশীল পদক্ষেপে দুৰ্যোগৰ সময়ত এক ডাঙৰ সকাহ প্ৰদান কৰিছে। সেনাৰ এনে তৎপৰতা আৰু সেৱাভাৱক অঞ্চলটোৰ বানপীড়িত ৰাইজে মুক্তকণ্ঠে প্ৰশংসা কৰিছে।

# মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উজনি অসমৰ বানাক্ৰান্ত ৰাইজৰ বাবে বান সাহায্য প্ৰদান

**অসম বাৰ্তা, ৰহা, ২৮ জুলাই ঃ** শেহতীয়াকৈ উজনি অসমৰ তিনিখন জিলা ক্ৰমে শিৱসাগৰ, চৰাইদেউ, যোৰহাটৰ মৰিয়নি আৰু নাজিৰাত প্ৰলয়ংকাৰী বানে জনজীৱন বিধ্বস্ত কৰিছে। অভাৱনীয়ভাৱে এটা নিশাৰ ভিতৰতে প্ৰায় ৭ লাখ লোক গৃহহীন হোৱাৰ লগতে ৭০ গৰাকীৰো অধিক লোকক বানে উটুৱাই নিলে। হাজাৰ হাজাৰ পশুধনৰ মৃত্যু হ'ল। এতিয়া কেৱল মৃত্যু উপত্যকাত পৰিণত হ'ল উজনি অসমৰ এই তিনিখন জিলা। এই দুৰ্যোগৰ সময়ত সমগ্ৰ অসমবাসী উজনি অসমবাসীৰ দুখত দুখী হৈ পৰিছে আৰু চৰকাৰৰ সমান্তৰালকৈ দল-মত নিৰ্বিশেষে সকলো লোকেই বান দুৰ্গত সকলক এটোপাল খোৱা পানী, এমুঠি অন্ন, এসাঁজ কাপোৰ আৰু এপদ নিত্য ব্যৱহাৰ্য সামগ্ৰী বিতৰণ কৰাৰ চেষ্টা চলাইছে। এই ক্ষেত্ৰত পিছপৰি থকা নাই মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থা। ইয়াৰ অংশ স্বৰূপে মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি পৰেশ চন্দ্ৰ ডেকা আৰু সম্পাদক ৰাতুল ৰাজবংশী সহ এটি সঁজাতি দল আজি পুৱা ১০ বজাত বানপিড়িত সকলৰ ওচৰত উপস্থিত হৈ ৭০ কাৰ্টুন পানী সহ ৩০০ বানপিড়ীত পৰিয়াললৈ অত্যাৱশ্যকীয় সামগ্ৰী প্ৰদান কৰে। তেওঁ লোকৰ এই প্ৰচেষ্টাক সকলোৱে শলাগ জ্ঞাপন কৰে। মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকলৰ লগতে সকলোৱে সহযোগতে এই অনুষ্ঠানটিয়ে ৰাইজৰ বাবে সহায় হাত আগবঢ়াবলৈ পাই নথৈ আনন্দ লাভ কৰিছে বুলি জানিব দিয়ে।

# গোলাঘাট জিলা কাৰাগাৰৰ পৰাই পলায়নৰ পৰিকল্পনা ৰচিছিল নেকি ত্ৰিপল মাৰ্ডাৰৰ অভিযুক্ত নাজিবুৰে ?

**জিলা কাৰাগাৰৰ অৰ্ডাৰলিৰ দায়িত্বত থকা দীপু লয়িঙক আটক**

**অসম বাৰ্তা ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৮ জুলাই ঃ** গোলাঘাট জিলা কাৰাগাৰৰ পৰাই পলায়নৰ পৰিকল্পনা ৰচিছিল নেকি ত্ৰিপল মাৰ্ডাৰৰ মুল অভিযুক্ত নাজিবুৰ ৰহমানে। যোৱা ২৫ জুলাইত গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ কাৰাবন্দী ৰখা কক্ষৰ পৰা দুই অপৰাধীৰ সৈতে নাজিবুৰ ৰহমানে পলায়ন কৰা ঘটনাৰ পিছতই পোহৰলৈ আহিছে বহু চাঞ্চল্যকৰ তথ্য। কাৰণ এই ঘটনাৰ সন্দৰ্ভত গোলাঘাট জিলা কাৰাগাৰৰ এগৰাকী কৰ্মচাৰীক সোধপোছৰ বাবে আটক কৰা হৈছে। যোৱানিশা গোলাঘাট জিলা কাৰাগাৰত গোলাঘাটৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ৰাজেন সিঙৰ নেতৃত্বত যোৱা এটা বৃহৎ আৰক্ষী দলে কেইবা ঘণ্টা ধৰি তন্ন-তন্নকৈ কাৰাগাখনৰ কেইবাগৰাকী বিষয়া, কৰ্মচাৰীক সোধপোছা কৰি চৰজমিন তদন্ত চলাই অৱশেষত আটক কৰিছে কাৰাগাখনৰ অৰ্ডালিৰ দায়িত্বত থকা দীপু লয়িং নামৰ কৰ্মচাৰীজনক। জানিব পৰামতে ত্ৰিপল মাৰ্ডাৰৰ মুল অভিযুক্ত নাজিবুৰ ৰহমানে ঘনে ঘনে শাৰীৰিক অসুস্থতাৰ দোহাই দি জেইলৰ পৰা চিকিৎসালয়ৰ কাৰাবন্দী ৰখা কক্ষত থাকিব লৈছিল। যাৰ বাবে কাৰাগাৰখনৰ চিকিৎসক তথা আন বিষয়াও এই তদন্তৰ আওতালৈ অহাৰ সম্ভৱনা আছে। আনহাতে হত্যাকাৰী নাজিবুৰ ৰহমানৰ সন্ধান বিচাৰি চুবুৰীয়া ৰাজ্য নাগালেণ্ডত গোলাঘাট আৰক্ষীৰ এটা দলে বাহৰ পাতি অভিযান আৰম্ভ কৰিছে। উল্লেখ্য যে আৰক্ষীয়ে ইতিমধ্যে এই ঘটনাৰ সন্দৰ্ভত পলাতক নাজিবুৰৰ ভাতৃ হিজবুৰ ৰহমানৰ লগতে হাজোতী কেইজনৰ নিৰীক্ষণৰ দায়িত্বত থকা এজন আৰক্ষী বিষয়া বীৰেন চন্দ্ৰ বৰা আৰু দুজন গৃহৰক্ষী জোৱান কৃষ্ণকান্ত দাস আৰু দিকু শইকীয়াক গ্ৰেপ্তাৰ কৰিছে যদিও এতিয়াও গোলাঘাট আৰক্ষীয়ে নাজিবুৰ ৰহমানৰ লগতে আন দুই পলাতক আচামীৰ সন্ধান উলিওৱাত ব্যৰ্থ হৈছে। উল্লেখযোগ্য যে ২০২৩ চনৰ ২৪ জুলাইত গোলাঘাট নগৰৰ মাজ মজিয়াৰ হিন্দী স্কুল পথত সঞ্জীৱ ঘোষ, জুনু ঘোষ, আৰু সংঘমিত্ৰা ঘোষক অতি নৃশংসভাৱে হত্যা কৰিছিল নাজিবুৰ ৰহমানে।

# ভূৰবন্ধা ৰাজহ গাঁওসমূহক মিকিৰভেটা ৰাজহ চক্ৰত সংযোগৰ চেষ্টা বিৰুদ্ধে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বলৈ স্মাৰক পত্ৰ প্ৰেৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৮ জুলাই ঃ** ভূৰবন্ধা ৰাজহ গাঁওসমূহক মৰিগাঁও ৰাজহ চক্ৰৰ পৰা বিচ্ছিন্ন কৰি মিকিৰভেটা ৰাজহ চক্ৰত সংযোগ কৰাৰ চলি থকা প্ৰচেষ্টাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ভূৰবন্ধা বাসীয়ে। এই সন্দৰ্ভত সোমবাৰে ভূৰবন্ধা অঞ্চলৰ ৰাইজে মৰিগাঁও জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ এখনি স্মাৰক পত্ৰ দাখিল কৰে। স্মাৰক পত্ৰত ৰাইজে স্পষ্টকৈ উল্লেখ কৰে যে, বহু বছৰ ধৰি ভূৰবন্ধা ৰাজহ গাঁওসমূহ মৰিগাঁও ৰাজহ চক্ৰৰ সৈতে জড়িত হৈ আহিছে আৰু প্ৰশাসনিক, ভৌগোলিক আৰু সামাজিক দিশৰ পৰা এই সংযোগেই অধিক সুবিধাজনক। এনে অৱস্থাত গোপনে এই গাঁওসমূহক আন ৰাজহ চক্ৰত সংযোগ কৰাৰ চেষ্টা ৰাইজে কেতিয়াও মানি নলয় বুলি জনায়। আজি জিলা আয়ুক্তৰ হৈ স্মাৰক এই পত্ৰখন গ্ৰহণ কৰে জিলা অতিৰিক্ত আয়ুক্ত নীতিশা বৰাই। তেওঁ ৰাইজক বিষয়টো চৰকাৰৰ উচ্চ পৰ্যায়লৈ প্ৰেৰণ কৰাৰ আশ্বাস প্ৰদান কৰে। উল্লেখযোগ্য যে, এই বিষয়টো লৈ ইতিমধ্যে ভূৰবন্ধা অঞ্চলত তীব্ৰ অসন্তোষৰ পৰিৱেশ সৃষ্টি হৈছে আৰু ৰাইজে শীঘ্ৰে স্থায়ী সমাধান বিচাৰি চৰকাৰৰ হস্তক্ষেপ দাবী জনাইছে।

# ডিব্ৰুগড়ৰ শ্ৰুতি শিল্পী সমাজৰ উদ্যোগত ভূপেন্দ্ৰ সংগীত কৰ্মশালা আৰু প্ৰাইজমণি প্ৰতিযোগিতাৰ সফল

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৮ জুলাই ঃ** ডিব্ৰুগড়ৰ শ্ৰুতি শিল্পী সমাজৰ উদ্যোগত বিশিষ্ট শিল্পী তথা সুৰসম্ৰাট ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে আয়োজন কৰা তিনিদিনীয়া ভূপেন্দ্ৰ সংগীত কৰ্মশালা আৰু সদৌ অসম ভিত্তিত প্ৰাইজমণি ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা সফলভাৱে সম্পন্ন হয়। জুলাইৰ ২৪, ২৫ আৰু ২৬ তাৰিখে অনুষ্ঠিত কৰ্মশালাত অসমৰ আগশাৰীৰ সংগীত শিল্পীসকলে অংশগ্ৰহণ কৰি ভূপেন হাজৰিকাৰ সংগীতৰ সুৰ, কথা, উপস্থাপনা, গীতৰ দৰ্শন আৰু পৰিৱেশনৰ বিভিন্ন দিশ সম্পৰ্কে অংশগ্ৰহণকাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বহু সংগীতপ্ৰেমী আৰু শিক্ষাৰ্থীয়ে এই কৰ্মশালাত অংশগ্ৰহণ কৰে। কৰ্মশালাৰ অন্তিম দিনা অনুষ্ঠিত সদৌ অসম ভিত্তিত প্ৰাইজমণি ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন জিলাৰ প্ৰতিযোগীসকলে অংশগ্ৰহণ কৰে। বিশিষ্ট সংগীতজ্ঞসকলৰ বিচাৰকৰ দায়িত্বত অনুষ্ঠিত প্ৰতিযোগিতাখনত প্ৰতিযোগীসকলে ডঃ ভূপেন হাজৰিকাৰ কালজয়ী গীতসমূহ পৰিৱেশন কৰি উপস্থিত দৰ্শকক আপ্লুত কৰে। অনুষ্ঠানত বিজয়ীসকলক নগদ ধনৰাশি, স্মাৰক, মানপত্ৰ আৰু ট্ৰফী প্ৰদান কৰা হয়। ইয়াৰ উপৰি কৰ্মশালাত অংশগ্ৰহণ কৰা সকলো শিক্ষাৰ্থীক অংশগ্ৰহণৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত শ্ৰুতি শিল্পী সমাজ, ডিব্ৰুগড়ৰ সভাপতি ডঃ নৱজ্যোতি গগৈ, সম্পাদক চন্দন পাঠক, সমাজৰ বিষয়ববীয়াসকল, বিশিষ্ট শিল্পী, সংগীতপ্ৰেমী আৰু বহু সংখ্যক দৰ্শক উপস্থিত থাকে। ডঃ ভূপেন হাজৰিকাৰ সংগীত আৰু আদৰ্শ নতুন প্ৰজন্মৰ মাজত অধিক জনপ্ৰিয় কৰি তোলাৰ লক্ষ্যৰে শ্ৰুতি শিল্পী সমাজে ভৱিষ্যততো এনে সৃষ্টিশীল কাৰ্যসূচী অব্যাহত ৰাখিব বুলি আয়োজকসকলে জানিবলৈ দিয়ে।

# বৰপেটাৰোডৰ বেঁকী নৈৰ চৰত উদ্ধাৰ অৰ্ধগলিত মৃত হাতী পোৱালি

**অসম বাৰ্তা, কুমুল্লী পৰা, ২৮ জুলাই ঃ** বৰপেটাৰোডৰ সমীপৰ বেঁকী নৈৰ চৰত এটা অৰ্ধগলিত অৱস্থাৰ মৃত হাতী পোৱালি উদ্ধাৰ হোৱাক কেন্দ্ৰ কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। স্থানীয় লোকে নৈৰ চৰত মৃতদেহটো প্ৰত্যক্ষ কৰাৰ পিছতে ঘটনাৰ খবৰ বন বিভাগক অৱগত কৰে যদিও, বাতৰি যুগুত কৰা সময়লৈকে বিভাগীয় বিষয়া-কৰ্মচাৰী ঘটনাস্থলীত উপস্থিত নোহোৱাত স্থানীয় ৰাইজৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হৈছে। প্ৰত্যক্ষদৰ্শীসকলৰ মতে, হাতী পোৱালিটো বহুদিন ধৰি পানীত উটি আহি নৈৰ চৰত আবদ্ধ হৈ থকাৰ ফলত মৃতদেহটো অৰ্ধগলিত অৱস্থালৈ পৰিণত হৈছে। স্থানীয়ভাৱে ধাৰণা কৰা হৈছে যে, মানাহ ৰাষ্ট্ৰীয় উদ্যান অঞ্চলত হোৱা বানপানী বা প্ৰবল সোঁতৰ ফলত পোৱালিটো মাতৃৰ পৰা বিচ্ছিন্ন হৈ বেঁকী নৈৰ সোঁতে উটি আহিব পাৰে। অৱশ্যে মৃত্যুৰ সঠিক কাৰণ সম্পৰ্কে বন বিভাগৰ আনুষ্ঠানিক তদন্ত আৰু পশুচিকিৎসা পৰীক্ষাৰ পিছতহে নিশ্চিতভাৱে কোৱা সম্ভৱ হ'ব। স্থানীয় ৰাইজে অভিযোগ কৰে যে, এনে সংবেদনশীল ঘটনাৰ খবৰ তৎক্ষণাত বন বিভাগক দিয়া সত্ত্বেও বিভাগীয় দল সময়মতে উপস্থিত নোহোৱাটো উদ্বেগজনক। তেওঁলোকৰ মতে, বন্যপ্ৰাণীৰ মৃত্যু বা উদ্ধাৰৰ দৰে ঘটনাত দ্ৰুত সঁহাৰি জনোৱাটো সংশ্লিষ্ট বিভাগৰ দায়িত্ব, যাতে প্ৰয়োজনীয় তদন্ত, নমুনা সংগ্ৰহ আৰু মৃতদেহৰ সঠিক ব্যৱস্থাপনা সময়মতে সম্পন্ন কৰিব পৰা যায়। উল্লেখ্য যে, মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা নামি অহা বেঁকী নৈ অঞ্চলটো হাতীকে ধৰি বিভিন্ন বন্যপ্ৰাণীৰ বিচৰণভূমি হিচাপে পৰিচিত। বিশেষকৈ বানপানীৰ সময়ত বহু বন্যপ্ৰাণী সোঁতৰ কবলত পৰি বসতিপূৰ্ণ অঞ্চল বা নদীৰ চৰত উটি অহা ঘটনা পূৰ্বেও সংঘটিত হৈছে। স্থানীয় সচেতন মহলে ঘটনাটোৰ সঠিক তদন্ত কৰি হাতী পোৱালিটোৰ মৃত্যুৰ প্ৰকৃত কাৰণ উদঘাটন কৰাৰ লগতে ভৱিষ্যতে এনে ঘটনাৰ ক্ষেত্ৰত বন বিভাগে অধিক দ্ৰুত আৰু সক্ৰিয়ভাৱে ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে।

# হাউৰীয়াপেটত বিপিএফৰ উদ্যোগত গ্ৰীষ্মকালীন পাঠদান শিবিৰৰ সামৰণি অনুষ্ঠান সম্পন্ন



**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ২৮ জুলাই ঃ** গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত হাউৰীয়াপেটস্থিত নৱজ্যোতি হাইস্কুলত বিপিএফৰ উদ্যোগত এক মাহজুৰি সফলতাৰে অনুষ্ঠিত হোৱা গ্ৰীষ্মকালীন পাঠদান শিবিৰৰ সামৰণি অনুষ্ঠান আজি বিদ্যালয় চৌহদত অনুষ্ঠিত হয়। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী, দলীয় কৰ্মী আৰু অঞ্চলটোৰ বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে কেন্দ্ৰীয় বিপিএফ যুৱ শাখাৰ সভাপতি কাষ্টম বসুমতাৰী আৰু শ্ৰীৰামপুৰ TCLCCৰ সভাপতি মুখলেছুৰ ৰহমানে উপস্থিত থাকি শিক্ষাৰ্থীসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। তেওঁলোকে শিক্ষাৰ গুৰুত্ব, শৃংখলাবোধ, নৈতিক মূল্যবোধ আৰু সৰ্বাংগীণ ব্যক্তিত্ব বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে এনে পাঠদান শিবিৰে শিক্ষাৰ্থীসকলৰ জ্ঞান, আত্মবিশ্বাস আৰু সৃজনশীলতা বিকাশত ইতিবাচক ভূমিকা পালন কৰে বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত গ্ৰীষ্মকালীন পাঠদান শিবিৰত অংশগ্ৰহণ কৰা শিক্ষাৰ্থীসকলক অভিনন্দন জনোৱাৰ লগতে তেওঁলোকৰ আগন্তুক শিক্ষাজীৱনৰ সফলতা কামনা কৰা হয়। উপস্থিত অভিভাৱকসকলেও এনে শিক্ষামূলক পদক্ষেপক আদৰণি জনাই ভৱিষ্যতেও এই ধৰণৰ কাৰ্যসূচী অব্যাহত ৰখাৰ আশা প্ৰকাশ কৰে। উল্লেখ্য যে, বিপিএফৰ উদ্যোগত আয়োজন কৰা এই একমাহীয়া গ্ৰীষ্মকালীন পাঠদান শিবিৰত অঞ্চলটোৰ বহু শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰি পাঠ্যজ্ঞানৰ লগতে নৈতিক শিক্ষা আৰু ব্যক্তিত্ব বিকাশৰ ক্ষেত্ৰতো লাভান্বিত হয়।

# গোলাঘাটত দুদিনীয়া শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ

**অসম বাৰ্তা, মেৰাপানী, ২৮ জুলাই ঃ** অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত আৰু গোলাঘাট জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সহযোগত ২০২৬ শিক্ষা বৰ্ষৰ দুদিনীয়া শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ ফৰকাটিং চিনিয়ৰ চেকেণ্ডাৰী স্কুলত অনুষ্ঠিত হয়। শিক্ষকসকলৰ পেছাদাৰী দক্ষতা বৃদ্ধি আৰু শিক্ষাদান পদ্ধতি অধিক ফলপ্ৰসূ কৰি তোলাৰ লক্ষ্যৰে আয়োজন কৰা এই প্ৰশিক্ষণ কাৰ্যসূচীত জিলাখনৰ ৪০খন জাতীয় বিদ্যালয়ৰ মুঠ ১০৯জন শিক্ষক-শিক্ষয়ত্ৰীয়ে অংশগ্ৰহণ কৰে। গোলাঘাট জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সম্পাদক সঞ্জীৱ চাৰিঙ্গীয়াই আঁত ধৰা শুভাৰম্ভণি অনুষ্ঠানত সভাপতিত্ব কৰে সমিতিৰ সভাপতি পল্লৱ বৰবৰাই। অনুষ্ঠানত উপস্থিত শিক্ষক-শিক্ষয়ত্ৰীসকলক উদ্দেশ্যি শিক্ষাৰ গুণগত মান উন্নয়ন, আধুনিক শিক্ষণ-পদ্ধতিৰ প্ৰয়োগ আৰু ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত এনে প্ৰশিক্ষণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰা হয়। প্ৰশিক্ষণ কাৰ্যসূচীত গুৱাহাটী জাতীয় বিদ্যালয়ৰ শিক্ষয়ত্ৰী অলকা গোস্বামী, জুৰী শইকীয়া, অৰ্পণা দেৱী, শিক্ষক ৰোহিনী গোস্বামী, আঠখেলীয়া জাতীয় বিদ্যালয়ৰ জিতেন বৰা আৰু বৰপথাৰ জাতীয় বিদ্যালয়ৰ চিত্ৰলোচন শৰ্মাই সমল ব্যক্তি হিচাপে উপস্থিত থাকি শিক্ষণ-পদ্ধতি, পাঠ পৰিকল্পনা, শ্ৰেণীকোঠা পৰিচালনা আৰু আধুনিক পাঠদান কৌশলৰ ওপৰত বিশদ আলোচনা আগবঢ়ায়। অনুষ্ঠানত গোলাঘাট জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ উপদেষ্টা অনু খনিকৰ, উপ-সভাপতি ভদ্ৰেশ্বৰ বৰা, সহ-সম্পাদক জিতেন বৰুৱা, ফৰকাটিং চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ সঞ্চালক লাচিত বৰুৱাৰ লগতে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। আয়োজকসকলে আশা প্ৰকাশ কৰে যে, এই দুদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীয়ে শিক্ষকসকলৰ জ্ঞান, দক্ষতা আৰু শিক্ষাদানৰ মান অধিক সমৃদ্ধ কৰাৰ লগতে বিদ্যালয়সমূহত গুণগত শিক্ষাৰ বিকাশত ইতিবাচক ভূমিকা পালন কৰিব।

**নুমলীগড়ৰ ধোদাং গাঁৱৰ পৰা গৈ বেতবাৰী, দগাঁও আৰু কাকতি গাঁৱৰ প্ৰায় তিনি সহস্ৰাধিক বানপীড়িত পৰিয়ালৰ মাজত খাদ্য আৰু অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ**

# নিজেও বানাক্ৰান্ত, তথাপিও শিৱসাগৰৰ আৰ্তজনৰ কাষত ধোদাং গাঁৱৰ যুৱকসকল

**অসম বাৰ্তা, নুমলীগড়, ২৮ জুলাই ঃ** দুখৰ সময়ত আৰ্তজনৰ কাষত ঠিয় হ'ব পৰাটোও এক সৌভাগ্যৰ কথা। সকলোৱেই একে মানব সভ্যতা। মানুহৰ দুখ দুৰ্দশাৰ প্ৰতি মানুহেই দায়বদ্ধ। অসমৰ সাম্প্ৰতিক ভয়াৱহ বান পৰিস্থিতিত মানৱতাৰ অনন্য নিদৰ্শন দাঙি ধৰিছে বোকাখাত সমজিলাৰ নুমলীগড়ৰ ইতিহাসপ্ৰসিদ্ধ ধোদাং গাঁৱৰ যুৱকসকলে। আহোম স্বৰ্গদেউ গদাধৰ সিংহৰ দিনৰে ইতিহাসে গৰকা ধোদাং গাঁওবাসী আৰু শুভাকাঙ্ক্ষী সমাজৰ সহযোগত এটি প্ৰায় কুৰি জনীয়া স্বেচ্ছাসেৱী যুৱকৰ দলে শিৱসাগৰ জিলাৰ বেতবাৰী এলেকাৰ, দগাঁও আৰু কাকতি গাঁও বান অধ্যুষিত অঞ্চলত উপস্থিত হৈ প্ৰায় তিনিসহস্ৰাধিক বানপীড়িত পৰিয়ালৰ মাজত খাদ্য সামগ্ৰী আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ একোটাকৈ টোপোলা বিতৰণ কৰে। শিৱসাগৰ, চৰাইদেউ, নাজিৰা, আৰু যোৰহাট জিলাৰ বিস্তীৰ্ণ অঞ্চলত এতিয়াও বানৰ বিভীষিকাময় পৰিস্থিতি অব্যাহত আছে। বানপানী কিছু পৰিমাণে হ্ৰাস পালেও বহু গাঁও এতিয়াও জলমগ্ন হৈ থকাৰ বাবে সাধাৰণ জনজীৱন স্বাভাৱিক হ'ব পৰা নাই। বহু ঠাইত পথ-ঘাট সম্পূৰ্ণ পানীৰ তলত, আনহাতে ঘৰ-দুৱাৰ, চোতাল আৰু কৃষিভূমি এবুকু পানীত ডুব গৈ আছে। বানৰ প্ৰকোপ আৰম্ভ হোৱাৰ ৯-১০ দিন পাৰ হৈ যোৱাৰ পিছতো বহু পৰিয়াল আশ্ৰয় শিবিৰ অথবা পথৰ ওপৰতে অতি কষ্টৰে দিন অতিবাহিত কৰিবলগীয়া হৈছে। বানৰ ফলত ছাত্ৰ-ছাত্ৰী, শিশু, আবাল-বৃদ্ধ, গৰ্ভৱতী মহিলা, প্ৰসূতি আৰু ৰোগীসকল বিশেষভাৱে দুৰ্ভোগৰ সন্মুখীন হৈছে। বহু ঠাইত পানী কমিলেও ঘৰসমূহ একাঠু বা একঁকাল পলসে পোত খাই থকাৰ বাবে বসবাসৰ অনুপযোগী হৈ পৰিছে। আন বহু গাঁৱত বানৰ সোঁতে ঘৰ-দুৱাৰৰ সমুলঞ্চে উটুৱাই নি কোনো চিন-মোকামেই নাথাকিল। বহু মানুহ মৃত্যু মুখত পৰিল, বহু লোক এতিয়াও সন্ধানহীন। গৰু-গাই, হাঁহ-কুকুৰা, ছাগলী আদি পশুধনো বানৰ সোঁতত উটি যোৱাত অঞ্চলসমূহত এক হৃদয়বিদাৰক পৰিস্থিতিৰ সৃষ্টি হৈছে। এনে সংকটময় সময়ত নুমলীগড় ধোদাং গাঁৱৰ যুৱকসকলে বানাক্ৰান্ত অঞ্চলসমূহত উপস্থিত হৈ খাদ্য সামগ্ৰীৰ লগতে নিত্যপ্ৰয়োজনীয় বিভিন্ন সামগ্ৰীৰ একোটাকৈ টোপোলা বানপীড়িত পৰিয়ালৰ হাতত তুলি দিয়ে। সাহায্য সামগ্ৰী লাভ কৰি বহু পৰিয়ালে কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে এনে মানৱীয় পদক্ষেপক আন্তৰিকভাৱে শলাগ লয়। উল্লেখযোগ্য যে ধোদাং গাঁও নিজেও ধনশিৰি নদীৰ বানৰ কবলত পৰি প্ৰায়ে ক্ষতিগ্ৰস্ত হোৱা এখন বান অধ্যুষিত গাঁও। এই বছৰো চলিত বান পানীৰ কবলত পৰা নিজ গাঁও বানৰ সমস্যাৰে জৰ্জড়িত হৈ থকাৰ পিছতো ধোদাং গাঁৱৰ যুৱকসকলে নিজৰ কষ্টক উপেক্ষা কৰি, চলিত বানপানীত অতি দুৰ্যোগে হেঁচামাৰি ধৰা শিৱসাগৰৰ বানাক্ৰান্ত লোকসকলৰ কাষত উপস্থিত হৈ সহমৰ্মিতাৰে মানৱতাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰে। তেওঁলোকৰ এই প্ৰয়াসে সমাজলৈ এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে যে দুৰ্যোগৰ সময়ত মানৱীয় সহায়-সহযোগিতা আৰু সামাজিক ঐক্যইহে বিপদগ্ৰস্ত মানুহক নতুন আশাৰ পোহৰ দেখুৱাব পাৰে। স্থানীয় ৰাইজে ধোদাং গাঁৱৰ যুৱকসকলৰ এই মহৎ উদ্যোগৰ উচ্চ প্ৰশংসা কৰাৰ লগতে সমাজৰ আন স্বেচ্ছাসেৱী সংগঠন আৰু সক্ষম ব্যক্তিসকলকো বানপীড়িত আৰ্তজনৰ কাষত দুখৰ দিনত সাধ্য অনুসাৰে ঠিয় হোৱাৰ আহ্বান জনায়।

# চামগুৰি সত্ৰত বৰগীত আৰু খোলবাদন কৰ্মশালাৰ সামৰণি

**অসম বাৰ্তা, মাজুলী, ২৮ জুলাই ঃ** মাজুলী জিলাৰ মুখা শিল্প নিৰ্মাণৰ বাবে বিখ্যাত চামগুৰি সত্ৰত, চামগুৰি গাঁৱৰক্ষী বাহিনী আৰু সত্ৰ বাসীৰ সহযোগত যোৱা ১ জুলাইৰ পৰা মাহযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত বৰগীত আৰু খোলবাদন কৰ্মশালাৰ আজি বিয়লি এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানেৰে সামৰণি পৰে। বিয়লি ৫বজাৰ পৰা সত্ৰৰ কীৰ্ত্তনঘৰত অনুষ্ঠিত সভাখনিত সভাপতিত্ব কৰে পদ্মশ্ৰী বঁটা প্ৰাপক বিশিষ্ট মুখা শিল্পী ডঃ হেমচন্দ্ৰ গোস্বামীয়ে আৰু আতধৰে শিল্পী খগেন গোস্বামীয়ে। কৰ্মশালাত অংশগ্ৰহণ কৰা ২৬ গৰাকী প্ৰশিক্ষাৰ্থীৰ এটি সমবেত বৰগীতেৰে আৰম্ভ হোৱা সভাখনিত ডেকা সত্ৰাধিকাৰ তিলক চন্দ্ৰ গোস্বামী, অসম গৌৰৱ বঁটা প্ৰাপক দয়াল গোস্বামী, অবসৰ প্ৰাপ্ত শিক্ষক ব্ৰজেন গোস্বামী, পেৰাভাৰী গাঁও গাঁওৰক্ষী বাহিনীৰ সভাপতি প্ৰফুল্ল বৰা, চামগুৰি গাঁওৰক্ষী বাহিনীৰ সভাপতি-সম্পাদক ক্ৰমে বিপুল বৰদলৈ আৰু যতীন বৰা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। সভাত প্ৰশিক্ষক, অনাতাঁৰ শিল্পী অৰুণ বৰাক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। প্ৰশিক্ষাৰ্থী জাহ্নৱী গোস্বামী আৰু পঞ্চী দোলাকাষৰীয়াই সভাত শংকৰদেৱ আৰু মাধৱদেৱ বিৰচিত দুটি বৰগীত পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। সভাত প্ৰাক্তন অধ্যক্ষ মনিকা গোস্বামী, প্ৰধান শিক্ষক জিতু গোস্বামী, শিল্পী হৰেন গোস্বামী, প্ৰভাত গোস্বামী, তপন গোস্বামী, প্ৰেম বৰা, মৃদুল বৰা, অজিত বৰা, দুলাল কাকতি উপস্থিত থাকি ভাষণ প্ৰদান কৰে।

# বানাক্ৰান্তত প্ৰাণ আহুতি দিয়া লোকৰ আত্মাৰ চিৰশান্তি কামনাৰে আজিৰে পৰা অনুষ্ঠিত হৈছে ৪ৰ্থ বাৰ্ষিক দিহিং পাটকাই Butterfly & Biodiversity Trail



**প্ৰথমদিনা ৭টা বিপন্ন প্ৰজাতিৰ পখিলা নথিভুক্ত**

**অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ২৮ জুলাই ঃ** অসম আৰু অৰুণাচল প্ৰদেশৰ যুৱ পৰিৱেশকৰ্মীসকলৰ দ্বাৰা গঠিত কমিউনিটি অৰ্গেনাইজেশ্যন 'বাটাৰফ্লাই এণ্ড বাইঅ'ডাইভাৰছিটি ট্ৰেইল'ৰ উদ্যোগত দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানত আজিৰে পৰা ৩১ জুলাই, ২০২৬ তাৰিখলৈকে অনুষ্ঠিত হৈছে ৪ৰ্থ বাৰ্ষিক বাটাৰফ্লাই এণ্ড বাইঅ'ডাইভাৰছিটি ট্ৰেইল (Butterfly ণ্ড Biodiversity Trail in Dihing Patkai National Park)ৰ। আজি জয়পুৰ ফৰেষ্ট ৰেঞ্জৰ অন্তৰ্গত বৰ্ষাৰণ্যত দ্বিতীয়বাৰৰ বাবে অনুষ্ঠানৰ প্ৰথম কাৰ্যসূচী শুভাৰম্ভ কৰে। কাৰ্যসূচী অনুসৰি প্ৰথমে সম্প্ৰতি বানত প্ৰাণ আহুতি দিয়া মৃত ব্যক্তিৰ আত্মাৰ সদ্গতিৰ অৰ্থে, আহত লোকৰ দুৰাৰোগ্য কামনাৰে এক মিনিট মৌন প্ৰাৰ্থনা কৰে। ইয়াৰ পিছতে অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা বিশিষ্ট ব্যক্তিৰ পৰিচয়, অংশগ্ৰহণকাৰীৰ পৰিচয়ৰ পিছত ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত মানি চলিবলগীয়া কেতবোৰ নীতি-নিয়মৰ বিষয়ে উদ্যোক্তাসকলে অৱগত কৰে আৰু ইয়াৰ পিছতে পখিলা, জীৱ-জন্তু, চৰাই-চিৰিকতি, গছ-গছনি ইত্যাদি চোৱা, নথিভুক্ত কৰা পৰ্ব আৰম্ভণি কৰে। উল্লেখ্য, প্ৰথমদিনা ১০৪ টাতকৈ অধিক প্ৰজাতিৰ পখিলা নথিভুক্ত কৰে। ইয়াৰে ৭টা বিপন্ন প্ৰজাতিৰ। ইয়াৰ ভিতৰত Yellow Dise, Yellow Kaiser, White Dragontail, Dot Dase Sergeant, Burmise Bushblue, Scarce Blue Tiger, Striped Ringlet. দিনৰ আহাৰ গ্ৰহণৰ পিছত পুনৰ আৰম্ভ হয় দ্বিতীয়লানি কাৰ্যসূচী। প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণ, সজাগতা, ইক' ট্যুৰিজিম আদিৰ ওপৰত "জৈৱ বৈচিত্ৰ্যৰ বিশেষ অনুষ্ঠান"ত মানস মাউজিকেন্দ্ৰিক ইক' ট্যুৰিজিম ছ'ছাইটিৰ ফাউণ্ডাৰ তথা বিশিষ্ট পৰিৱেশবিদ মহেন্দ্ৰ বসুমতাৰীয়ে মানস ৰাষ্ট্ৰীয় উদ্যান, ইক' ট্যুৰিজিম, পৰিৱেশ সংৰক্ষণৰ সম্পৰ্কত দীঘলীয়া মন্তব্য আগবঢ়ায়। জয়পুৰ ৰেঞ্জ বিষয়া কবিন্দ্ৰ কুমাৰ বৰাই এনে এক অনুষ্ঠান আয়োজন কৰাৰ বাবে উদ্যোক্তাসকলক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে এনেধৰণৰ অনুষ্ঠান আগন্তুক দিনতো গ্ৰহণ কৰি যাবলৈ আহ্বান জনোৱাৰ লগতে সহযোগিতা আগবঢ়োৱাৰ কথা উল্লেখ কৰে। বিগ বাটাৰফ্লাই মান্থ (Big Butterfly Month)ৰ ফাউণ্ডাৰ তথা ৮৫ খনতকৈও অধিক পখিলা উদ্যান প্ৰতিষ্ঠাতা ছহেইল মদনে বিখ্যাত বিজ্ঞানী আইনষ্টাইনৰ প্ৰসংগৰে সকলোকে পৰিৱেশ বিজ্ঞানী হ'বলৈ আহ্বান জনায়। বক্তব্যৰ মাজতে পৰিৱেশকৰ্মী মহেশ বৰুৱাই দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ ওপৰত নিৰ্মিত Documentary Film দেখুৱাই সকলোকে মোহিত কৰি তোলে। অনুষ্ঠানৰ মাজতে বড়োসকলৰ প্ৰধান নৃত্য "বাগুৰুম্বা", প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ কণ্ঠৰ সংগীতত নৃত্য পৰিৱেশন কৰে। শুভাৰম্ভণি অনুষ্ঠানত বিশিষ্ট ব্যক্তি হিচাবে উপস্থিত আছিল অৰুণাচল প্ৰদেশৰ পখিলা মানৱ ৰশন উপাধ্যায়, জয়পুৰ ৰেঞ্জ বিষয়া কবিন্দ্ৰ কুমাৰ বৰা, বিশিষ্ট পৰিৱেশকৰ্মী সতেন্দ্ৰনাথ দত্ত, পৰিৱেশকৰ্মী দেৱজিৎ সোণোৱালসহ বহুকেইগৰাকী বিশিষ্ট পৰিৱেশকৰ্মী। লগতে পৰিৱেশ সংস্থা আৰণ্যক, বিভিন্ন দল-সংগঠন, সাংবাদিক সংগঠনৰ প্ৰতিনিধিবৰ্গ উপস্থিত আছিল। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থী, টিংখাং কলেজ, বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয়, নেপকুৰ ছাত্ৰ-ছাত্ৰী, নাহৰকটীয়া হাইস্কুলৰ ছাত্ৰ-ছাত্ৰী, জ্ঞানোদয় একাডেমী, জয়পুৰ হাইয়াৰ ছেকেণ্ডাৰী শিক্ষানুষ্ঠানৰ লগতে স্থানীয় বহুকেইখন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰে। পৰৱৰ্তী অনুষ্ঠান অৰুণাচল প্ৰদেশৰ দেওমালি ৰেঞ্জৰ অন্তৰ্গত অৰণ্য, লক্ষ্মীপথাৰ আৰু চৰাইপুং ৰেঞ্জত অনুষ্ঠিত কৰিব বুলি উদ্যোক্তাই জানিবলৈ দিছে।

# গোসাঁইগাঁৱৰ শ্ৰীৰামপুৰত প্ৰায় ৩ কিলোগ্ৰাম হেৰোইন জব্দ; দুজনক আটক

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৮ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-পশ্চিমবংগ সীমান্তৰ শ্ৰীৰামপুৰ আন্তঃৰাজ্যিক তালাচী চকীত আৰক্ষীয়ে এক সফল অভিযান চলাই বৃহৎ পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ (হেৰোইন) জব্দ কৰিবলৈ সক্ষম হয়। অভিযানত প্ৰায় ৩ কিলোগ্ৰাম হেৰোইন উদ্ধাৰ কৰাৰ লগতে ৰাজস্থানৰ দুজন অভিযুক্তক আটক কৰা হৈছে। আৰক্ষীৰ তথ্য অনুসৰি, মাজনিশা গোপন সূত্ৰৰ ভিত্তিত মহেন্দ্ৰ কেম্পাৰ বাহনত তালাচী চলোৱা হয়। তালাচীৰ সময়ত বাহনখনৰ গোপন চেম্বাৰৰ পৰা ২৪৪টা হেৰোইনভৰ্তি পেকেট উদ্ধাৰ কৰা হয়। জব্দ কৰা হেৰোইনৰ আনুমানিক বজাৰ মূল্য ৫ৰ পৰা ৬ কোটি টকা বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিয়ে। এই ঘটনাত বাহনখনৰ চালক শ্ৰাৱণ কুমাৰ (২৩) আৰু সহচালক অশোক কুমাৰ (২৫)ক আটক কৰা হৈছে। দুয়ো ৰাজস্থানৰ বাৰমেৰ জিলাৰ বাসিন্দা বুলি আৰক্ষীয়ে নিশ্চিত কৰিছে। তদন্তত পোহৰলৈ অহা মতে, নম্বৰবিহীন বাহনখনত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ ব'ৰ্ড সংলগ্ন কৰি চলাচল কৰা হৈছিল। তালাচীৰ পিছত আৰক্ষীয়ে বাহনখনৰ ভিতৰৰ পৰা GJ 08 FA 7389 নম্বৰৰ এখন পঞ্জীয়ন নম্বৰ প্লেটো উদ্ধাৰ কৰে। আটকাধীন দুয়োজনে আৰক্ষীক প্ৰাথমিক জেৰাত জনোৱা মতে, গুৱাহাটীৰ পৰা কোনো অজ্ঞাত ব্যক্তিয়ে বাহনখন তেওঁলোকৰ হাতত তুলি দি পশ্চিমবংগৰ জলপাইগুৰী জিলাৰ হাসিমাৰালৈ লৈ যাবলৈ দায়িত্ব অৰ্পণ কৰিছিল। অভিযানত কোকৰাঝাৰ জিলা আৰক্ষীৰ সহকাৰী আৰক্ষী অধীক্ষক (ক্ৰাইম ব্ৰাঞ্চ) আজিজা গুলেনুৰ, গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া মণ্টুৰাম বৰা, গোসাঁইগাঁও থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কে. এছ. চিমটে, শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জীৱ সন্দিকৈকে ধৰি আৰক্ষীৰ এটি বৃহৎ দলে অংশগ্ৰহণ কৰে। আৰক্ষীয়ে বাহনখন জব্দ কৰাৰ লগতে সমগ্ৰ ঘটনাৰ সৈতে জড়িত আন ব্যক্তি আৰু ড্ৰাগছ সৰবৰাহ চক্ৰৰ সন্ধানত তদন্ত অব্যাহত ৰাখিছে।

**শিৱসাগৰৰ বানপীড়িতৰ বাবে এক লাখ টকাৰ সাহায্য ঘোষণা**

# ডুবাইপ্ৰবাসী ইমাম শ্বেখ আব্দুৰ ৰহমান ৰাইহানীৰ মানৱীয় পদক্ষেপ

**অসম বাৰ্তা, কুমুল্লী পৰা, ২৮ জুলাই ঃ** অসমৰ বৰপেটা জিলাৰ হাউলীৰ ওচৰৰ জয়পুৰ গাঁৱৰ সু-সন্তান তথা সংযুক্ত আৰব আমিৰশ্বাহী (UAE)-ৰ ডুবাইত ইমাম হিচাপে কৰ্মৰত শ্বেখ আব্দুৰ ৰহমান ৰাইহানীয়ে উজনি অসমৰ ভয়াবহ বানপানীত ক্ষতিগ্ৰস্ত শিৱসাগৰ জিলাৰ নাজিৰা অঞ্চলৰ বানপীড়িত ৰাইজৰ সহায়ৰ বাবে এক লাখ টকাৰ আৰ্থিক অনুদান আগবঢ়োৱাৰ ঘোষণা কৰিছে। উজনি অসমৰ সাম্প্ৰতিক বানপানীয়ে বহু পৰিয়ালক গৃহহীন কৰাৰ লগতে জীৱন-জীৱিকা, কৃষি, পশুধন আৰু দৈনন্দিন জীৱনত গভীৰ সংকটৰ সৃষ্টি কৰিছে। এনে দুৰ্যোগৰ সময়ত মানৱীয় দায়বদ্ধতাৰ পৰিচয় দি শ্বেখ আব্দুৰ ৰহমান ৰাইহানীয়ে আগবঢ়োৱা ঘোষণাক সমাজৰ এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। ৰাইহানীয়ে কয় যে, প্ৰাকৃতিক দুৰ্যোগত বিপৰ্যস্ত হৈ পৰা অসহায় লোকসকলৰ কাষত থিয় দিয়াটো কেৱল সামাজিক কৰ্তব্যই নহয়, ই মানৱতা আৰু নৈতিক দায়িত্বৰো অংশ। প্ৰবাসত থাকিলেও নিজৰ মাতৃভূমিৰ দুখ-দুৰ্দশাৰ সৈতে একাত্মতা প্ৰকাশ কৰাটো প্ৰতিজন সচেতন নাগৰিকৰ দায়িত্ব বুলি তেওঁ মত প্ৰকাশ কৰে। স্থানীয় সচেতন মহলে ৰাইহানীৰ এই উদাৰ পদক্ষেপৰ শলাগ লৈ কয় যে, বিদেশত কৰ্মৰত অসমীয়া প্ৰবাসীসকলৰ এনে সামাজিক দায়বদ্ধতা আৰু মানৱীয় সহায় আগন্তুক সময়তো সমাজৰ বাবে প্ৰেৰণাৰ উৎস হৈ থাকিব। বানপীড়িতসকলৰ দুৰ্দিনত আগবঢ়োৱা এই সহায়ে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক কিছু পৰিমাণে হ'লেও সকাহ দিয়াত সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে। সমাজৰ বিভিন্ন মহলে শ্বেখ আব্দুৰ ৰহমান ৰাইহানীৰ এই মানৱীয় পদক্ষেপক আন্তৰিকভাৱে আদৰণি জনাই আন সামৰ্থ্যবান ব্যক্তি, সংগঠন আৰু প্ৰবাসী অসমীয়াসকলকো দুৰ্যোগত ক্ষতিগ্ৰস্ত লোকসকলৰ সহায়ৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনাইছে।

# নগাঁৱৰ কাটিমাৰীত ৩৪ বেটেলিয়ন চিআৰপিএফৰ ৮৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বঢ়মপুৰ, ২৮ জুলাই ঃ** নগাঁও জিলাৰ কাটিমাৰীত অৱস্থিত ৩৪ বেটেলিয়ন চেণ্ট্ৰেল ৰিজাৰ্ভ পুলিচ ফ'ৰ্চ (চিআৰপিএফ)-এ ২৭ জুলাইত ৮৮ সংখ্যক প্ৰতিষ্ঠা দিৱস গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত বিভিন্ন কাৰ্যসূচীৰে উদযাপন কৰে। অনুষ্ঠান আৰম্ভণিতে কোৱাৰ্টাৰ গাৰ্ডত গাৰ্ড অৱ অনাৰ প্ৰদান কৰাৰ লগতে দেশৰ সেৱাত আত্মবলিদান দিয়া শ্বহীদ জোৱানসকলৰ স্মৃতিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইয়াৰ পিছতে চিআৰপিএফৰ গৌৰৱোজ্জ্বল ইতিহাস, আদৰ্শ আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা সুৰক্ষাত বাহিনীটোৰ উল্লেখযোগ্য অৱদানৰ ওপৰত এক সংক্ষিপ্ত ভাষণ প্ৰদান কৰা হয়। ভাষণত কৰ্তব্য পালন কৰি প্ৰাণ উৎসৰ্গা কৰা বীৰ জোৱানসকলৰ সাহস, ত্যাগ আৰু দেশপ্ৰেমক সশ্ৰদ্ধে স্মৰণ কৰা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে সৈনিক সন্মিলন (Sainik Samelan) অনুষ্ঠিত কৰাৰ লগতে জোৱানসকলৰ মাজত মিঠাই বিতৰণ কৰা হয়। বাহিনীৰ মাজত পাৰস্পৰিক সম্প্ৰীতি আৰু শাৰীৰিক সক্ষমতা বৃদ্ধিৰ লক্ষ্যৰে এক বন্ধুত্বপূৰ্ণ ভলীবল প্ৰতিযোগিতাও আয়োজন কৰা হয়। পিছত বেটেলিয়ন মেছত 'বড়া খানা'ৰ ব্যৱস্থা কৰা হয়, য'ত বিষয়ববীয়া আৰু জোৱানসকলে একেলগে অংশগ্ৰহণ কৰি ভাতৃত্ববোধ আৰু সৌহাৰ্দ্যৰ পৰিৱেশ সৃষ্টি কৰে। উক্ত অনুষ্ঠানত উপ-কমাণ্ডেণ্ট মোৱাটচি জুভিচু (Moatoshi Dzuvichu), সহকাৰী কমাণ্ডেণ্ট সুৰিন্দৰ সিং ৰাৱাট (Surinder Singh Rawat) আৰু সহকাৰী কমাণ্ডেণ্ট দীপংকৰ ৰায় (Dipankar Ray) উপস্থিত থাকি অনুষ্ঠানৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে জোৱানসকলৰ সৈতে মত বিনিময় কৰে।

একেই দাবীৰে ভুৰবন্ধাতো সৰ্বাত্মক বন্ধ পালন, টায়াৰ জ্বলাই উত্তাল প্ৰতিবাদ

# মৰিগাঁও ৰাজহ চক্ৰৰ পৰা সংগোপনে গাঁও কৰ্তনৰ বিৰুদ্ধে দন্দুৱাত উত্তাল প্ৰতিবাদ

### ৰাজপথত টায়াৰ জ্বলাই পথ অৱৰোধ; বিধায়ক ৰমাকান্ত দেউৰীক গাঁও চোৰ আখ্যা

**অসম বাৰ্তা, মৰিগাঁও, ২৯ জুলাই** ঃ মৰিগাঁও ৰাজহ চক্ৰৰ পৰা সংগোপনে গাঁও কৰ্তন কৰি মিকিৰভেটা ৰাজহ চক্ৰত সংলগ্নকৰণৰ অভিসন্ধিৰ বিৰুদ্ধে মৰিগাঁও জিলাৰ ভুৰবন্ধাৰ পিছত এইবাৰ উত্তাল হৈ পৰিছে দন্দুৱা অঞ্চল। গাঁও কৰ্তনক কেন্দ্ৰ কৰি আজি দন্দুৱা অঞ্চলত সৃষ্টি হয় এক উত্তপ্ত পৰিস্থিতিৰ। উল্লেখ্য যে মৰিগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত দন্দুৱা মৌজাত অন্তৰ্ভুক্ত হৈ আছে ৪ খনকৈ বৃহৎ ৰাজহ গাঁও ক্ৰমে দন্দুৱা, সাপমাৰী, বনপাৰা আৰু কাছমাৰী গাঁও, যাৰ অধীনত অন্তৰ্ভুক্ত হৈ আছে প্ৰায় ১৮ খনকৈ সৰু-বৰ গাঁও। এই বৃহৎ গাঁও ৪খন মৰিগাঁও ৰাজহ চক্ৰৰ পৰা সংগোপনে কৰ্তন কৰি নি মিকিৰভেটা ৰাজহ চক্ৰত সংলগ্ন কৰাৰ প্ৰস্তুতি চলাইছে মৰিগাঁও জিলা প্ৰশাসনে। এই সিদ্ধান্তক হঠকাৰী আৰু একপ্ৰকাৰ চক্ৰান্ত আখ্যা দি আজি ৰাজপথলৈ ওলাই আহে গাঁও কেইখনৰ সহস্ৰাধিক প্ৰতিবাদী ৰাইজ। ইপিনে এই সমগ্ৰ নাটকীয় ঘটনাটোৰ মূল সূত্ৰধাৰ মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰী বুলি অভিযোগ উত্থাপন কৰি তেওঁৰ বিৰুদ্ধেও তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে সংশ্লিষ্ট গাঁও কেইখনৰ স্থানীয় ৰাইজে। আজি পুৱাৰ ভাগত সহস্ৰাধিক প্ৰতিবাদী পুৰুষ-মহিলা, যুৱক যুৱতী ৰাজপথলৈ ওলাই আহি টায়াৰ জ্বলাই পথ অৱৰোধ কৰাৰ লগতে যাতায়াত ব্যৱস্থা সম্পূৰ্ণৰূপে স্তব্ধ কৰি তোলে। আনহাতে মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীক গাঁও চোৰ আখ্যা দি মৰিগাঁও-মৈৰাবাৰী সংযোগী মূল পথত প্ৰতিবাদকাৰীসকলে তেওঁৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান দি পৰিৱেশ উত্তপ্ত কৰি তোলে। স্থানীয় লোকসকলৰ অভিযোগ এই যে মৰিগাঁও ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ পৰা মাত্ৰ ২/৩ কিলোমিটাৰ দূৰত্বত অৱস্থিত এই গাঁও কেইখন হঠাৎ ইয়াৰ পৰা আঁতৰাই ২০ কিলমিটাৰ দূৰণিবটীয়া মিকিৰভেটা ৰাজহ চক্ৰত সংলগ্ন কৰিলে সাধাৰণ ৰাইজ প্ৰশাসনিক কাম-কাজৰ ক্ষেত্ৰত ব্যাপক হাৰাশাস্তিৰ সন্মুখীন হ'বলগাত পৰিব। ৰাইজে স্পষ্ট কৰি দিয়ে যে যদিহে এই সিদ্ধান্ত শীঘ্ৰে বাতিল কৰা নহয় আৰু গাওঁকেইখনক মৰিগাঁও ৰাজহ চক্ৰতে সংলগ্ন কৰি ৰখা নহয়, তেন্তে পৰৱৰ্তী পৰ্যায়ত এই প্ৰতিবাদ আৰু অধিক ভয়াৱহ হৈ পৰিব। ইপিনে একেই দাবীৰে উত্তাল আৰু প্ৰতিবাদ মুখৰ হৈ থকা ভূৰবন্ধাত আজি ১২ ঘণ্টীয়া সৰ্বাত্মক বন্ধ পালন কৰা হয়। বন্ধৰ সময়চোৱাত বৃহত্তৰ অঞ্চলটোত সকলো দোকান বজাৰৰ লগতে যান-বাহনৰ চলাচল সম্পূৰ্ণ ৰূপে বন্ধ থাকে। প্ৰতিবাদকাৰী সকলে ৰাজপথৰ ওপৰত টায়াৰ জ্বলাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে ভূৰবন্ধা, ঔগুৰি, খাটৰবড়ি, কটহগুৰি আৰু পাতিদৈয়া গাঁও কেইখন মৰিগাঁও ৰাজহ চক্ৰৰ পৰা কৰ্তন কৰি মিকিৰভেটা ৰাজহ চক্ৰত সংলগ্নকৰণৰ চৰকাৰী ভাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ বিৰুদ্ধে বিগত তিনিদিন ধৰি প্ৰতিবাদ মুখৰ হৈ আছে বৃহত্তৰ অঞ্চলটোৰ জনসাধাৰণ।

# খকগুগুৰীৰ চিকৌপামত পশুধনৰ বাবে খাদ্য সংগ্ৰহ কৰিবলৈ গৈ পানীৰ তলত নিখোঁজ গোপাল ৰবিদাস নামৰ এজন লোক

গোলাঘাট জিলাত বাঢ়নি পানীয়ে কাঢ়ি নিলে আৰু এজনৰ প্ৰাণ

**অসম বাৰ্তা, নুমলীগড়, ২৯ জুলাই** ঃ চলিত বানত গোলাঘাট জিলাত বাঢ়নি পানীয়ে কাঢ়ি নিলে আৰু এজনৰ প্ৰাণ। পশুধনৰ বাবে খাদ্য যোগাৰ কৰিবলৈ যোৱা গোপাল ৰাবিদাস নামৰ লোকজন হঠাৎ নিখোঁজ হৈ পৰে পানীৰ তলত। গোলাঘাট জিলাৰ দেৰগাঁও ৰাজহ চক্ৰৰ খকগুগুৰী গাঁৱৰ চিকৌপাম অঞ্চলত বানৰ বাঢ়নি পানীত পৰি এজন লোকৰ সলিল সমাধি হোৱাৰ এক শোকাৱহ ঘটনা সংঘটিত হৈছে। মৃত ব্যক্তি খকগুগুৰী চিকৌপামৰ বাসিন্দা গোপাল ৰবিদাস বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, চলি থকা বান পৰিস্থিতিৰ মাজতে গৃহপালিত পশুধনৰ বাবে খাদ্য সংগ্ৰহ কৰিবলৈ গোপাল ৰবিদাস ঔটেঙা তলৰ বিললৈ গৈছিল। সেই সময়তে দুৰ্ভাগ্যজনকভাৱে তেওঁ বাঢ়নি পানীত পৰি নিখোজ হয়। ঘটনাটো জানিব পাৰি স্থানীয় ৰাইজ তৎক্ষণাত ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। বাতৰি যুগুত কৰা সময়লৈকে পানীৰ তলৰ পৰা গোপাল ৰবিদাসক উদ্ধাৰ কৰিব পৰা হোৱা নাই বুলি জানিব পৰা গৈছে। স্থানীয় লোক আৰু প্ৰশাসনৰ সহযোগত উদ্ধাৰ অভিযান অব্যাহত আছে। এই মৰ্মান্তিক ঘটনাই সমগ্ৰ অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পেলাইছে। বিশেষকৈ গোপাল ৰবিদাসৰ অকাল মৃত্যুত তেওঁৰ একমাত্ৰ ভগ্নী শোকত ভাগি পৰিছে। পৰিয়ালটোৰ একমাত্ৰ ভগ্নীৰ হিয়া ভঙা কান্দোন আৰু আত্মীয়-স্বজনৰ দুখে সমগ্ৰ অঞ্চলৰ পৰিৱেশ শোকাকুল কৰি তোলে। উল্লেখযোগ্য যে, চলিত বৰ্ষৰ ভয়াবহ বানত গোলাঘাট জিলাত ইতিমধ্যে কেইবাটাও দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হৈছে। গোপাল ৰবিদাসৰ এই ঘটনাৰ সৈতে জিলাখনত বানৰ ফলত আৰু এজন লোকে প্ৰাণ হেৰুৱালে। বানপানীৰ মাজত প্ৰয়োজনীয় কামত ওলাই যোৱাৰ ক্ষেত্ৰত চৰম সাৱধানতা অৱলম্বন কৰিবলৈ প্ৰশাসনৰ তৰফৰ পৰা পুনৰাই আহ্বান জনোৱা হৈছে।

# শিৱসাগৰৰ বানাক্ৰান্তৰ মাজত উজনি অসম বধিৰ সন্থাৰ সাহায্য সামগ্ৰী বিতৰণ




**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৯ জুলাই** ঃ সহানুভূতি আৰু সামাজিক দায়বদ্ধতাৰ এক আদৰ্শ দাঙি ধৰি শিৱসাগৰ জিলাৰ বানাক্ৰান্ত পৰিয়ালসমূহৰ কাষত থিয় দিছে উজনি অসম বধিৰ সন্থা (Upper Assam Districts Association of the Deaf চমুকৈ UADAD)ই। বুধবাৰে সংগঠনটোৱে শিৱসাগৰ জিলাৰ বেতবাৰী অঞ্চলৰ বানপীড়িত লোকসকলৰ মাজত এক সাহায্য বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰে। দুৰ্যোগৰ পৰৱৰ্তী পৰিস্থিতি মোকাবিলা কৰাত সহায় কৰাৰ উদ্দেশ্যে এই মানৱীয় প্ৰচেষ্টাৰ জৰিয়তে বানাক্ৰান্ত পৰিয়ালসমূহক বিভিন্ন অত্যাৱশ্যকীয় সামগ্ৰী প্ৰদান কৰা হয়। সাহায্য সামগ্ৰীৰ টোপোলাসমূহত বাল্টি, চেনিটেৰী নেপকিন, ব্লিচিং পাউডাৰ, ফ্ল'ৰ ক্লিনাৰ, থাল, ষ্টীলৰ গিলাচ, ফেচ মাস্ক, মহ খেদোৱা সামগ্ৰী, ডেটল চাবোন, ব'ডিল'চন, জুইশলা, মম, বিস্কুট, খোৱা পানীৰ বটল, ডেইৰী মিল্ক চকলেট আৰু অন্যান্য দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰী অন্তৰ্ভুক্ত আছিল। UADAD ৰ সভাপতি বিজয় গোহাঁইৰ নেতৃত্বত অনুষ্ঠিত এই সাহায্য প্ৰদান কাৰ্যসূচীত সংগঠনটোৰ উপ-সভাপতি তথা 'ইউথ আছাম'ৰ প্ৰাক্তন সভাপতি মানস প্ৰতিম পহুকিংগিয়া, কোষাধ্যক্ষ কিশোৰ দাস, দুলীয়াজানৰ সদস্য নৱপল্লৱ চেতিয়া, যোৰহাটৰ ধ্ৰুৱজ্যোতি বৰা আৰু ডিব্ৰুগড়ৰ সমৰ্থক অনুপম গোহাঁইয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। এই মহৎ কাৰ্যসূচীলৈ সাহায্য আগবঢ়োৱা সকলো দাতা তথা শুভচিন্তকক ধন্যবাদ জ্ঞাপন কৰি সন্থাই কয় যে সংকটৰ সময়ত মানুহৰ কাষত থিয় দিয়াটো আমাৰ সকলোৰে নৈতিক দায়িত্ব। লগতে, বানাক্ৰান্ত পৰিয়ালসমূহৰ সুৰক্ষা, সুস্বাস্থ্য আৰু আশু আৰোগ্য কামনা কৰে সংগঠনটোৱে।

# মঙলদৈত সংস্কৃতি সংৰক্ষণ আৰু বিকাশ কেন্দ্ৰ, অসমৰ চপাই শাখা সমিতি গঠন

**অসম বাৰ্তা, মঙলদৈ, ২৯ জুলাই** ঃ সংস্কৃতি সংৰক্ষণ আৰু বিকাশ কেন্দ্ৰ চপাই শাখা সমিতি গঠনৰ উদ্দেশ্যে চপাইত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। বিশিষ্ট সাংস্কৃতিক কৰ্মী শৰৎ চন্দ্ৰ শৰ্মাৰ বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভণি হোৱা অনুষ্ঠানটিত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তিলক চন্দ্ৰ ডেকাই সভাপতিত্ব কৰে। সভাত সংস্কৃতি সংৰক্ষণ আৰু বিকাশ কেন্দ্ৰ অসমৰ সঞ্চালক গৌতম শৰ্মা আৰু সম্পাদক তথা অনাতাঁৰ শিল্পী ত্ৰিদীৱ কলিতাই সংস্থাৰ লক্ষ্য উদ্দেশ্য, লোককৃষ্টিৰ সংৰক্ষণ আৰু ইয়াৰ বিকাশৰ বাবে আমাৰ কৰণীয় সম্পৰ্কে বিশদভাবে বক্তব্য ৰাখে। সভাত সংস্কৃতি সংৰক্ষণ আৰু বিকাশ কেন্দ্ৰ অসম ৰ দৰং জিলা সমিতিৰ সম্পাদিকা দীপাঞ্জলি নাথ সাংস্কৃতিক সম্পাদিকা অনাতাঁৰ শিল্পী ৰেখাৰাণী দেৱী, মহিলা সমন্বয়ক ডেইজী শইকীয়া, জিলা কৰ্মকৰ্তা অৰুণ কুমাৰ বৰুৱাৰ উপস্থিতিত চপাই শাখা সমিতি গঠন কৰা হয়। উক্ত সমিতিৰ সভাপতি জয়ন্তী চহৰীয়া ডেকা, উপ-সভাপতি নীলিমা ডেকা, সম্পাদক ৰিপন ডেকা, সহকাৰী সম্পাদক চন্দ্ৰ নাথ আৰু দীপিকা ডেকাকে প্ৰমুখ্যে কৰি একৈশজনীয়া সমিতি গঠন কৰা হয়। উক্ত সভাত লোক কৃষ্টিৰ বিশিষ্ট সাধক তৰুণ আজাদ ডেকাই লোক কৃষ্টিৰ সম্পদ চিয়াগীত সম্পৰ্কে বক্তব্য ৰখাৰ লগতে চপাইত অনুষ্ঠিত হৈ থকা চিয়াগীতৰ কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক ক্ৰমে নৱ কুমাৰ শৰ্মা, লক্ষ্মীকান্ত শৰ্মা, সূৰ্য ডেকা, বিশিষ্ট সংগঠক সূৰ্য শৰ্মা, জ্যেষ্ঠ সাংবাদিক গণেশ দত্ত, সমাজ সেৱিকা কনকলতা দেৱী, সাহিত্য সেৱী নিৰলা দেৱী।

১৫খন বাহনত প্ৰয়োজনীয় সামগ্ৰী প্ৰেৰণ

# উজনি অসমৰ বানাক্ৰান্তৰ সহায়ত হাউলীৰ সহমৰ্মিতা যাত্ৰা

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২৯ জুলাই** ঃ উজনি অসমৰ ভয়াবহ বানপানীত ক্ষতিগ্ৰস্ত ৰাইজৰ কাষত থিয় দিবলৈ বৰপেটা জিলাৰ হাউলীৰ বিভিন্ন ব্যক্তি আৰু সংগঠনে এক মানৱীয় পদক্ষেপ গ্ৰহণ কৰিছে। হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত, মাছ ব্যৱসায়ী ছাব্বাছ খান আৰু তামোল ব্যৱসায়ী দেৱান শ্বহিদুল ইছলামৰ নেতৃত্বত বানাক্ৰান্ত লোকসকলৰ বাবে বিভিন্ন অত্যাৱশ্যকীয় সামগ্ৰী কঢ়িয়াই নিয়া ১৫খন বাহনৰ এক সহমৰ্মিতা যাত্ৰা বুধবাৰে আবেলি উজনি অসমলৈ ৰাওনা হয়। যাত্ৰাৰ জৰিয়তে বানপীড়িত পৰিয়ালসমূহলৈ খাদ্য সামগ্ৰী, নিত্য ব্যৱহাৰ্য সামগ্ৰীকে ধৰি বিভিন্ন প্ৰয়োজনীয় সা-সামগ্ৰী পঠিওৱা হৈছে। এই মানৱীয় পদক্ষেপে দুৰ্যোগৰ সময়ত সামাজিক দায়বদ্ধতা, সহানুভূতি আৰু ঐক্যবদ্ধ প্ৰচেষ্টাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে। উদ্যোগটোক স্থানীয় ৰাইজে আন্তৰিকভাৱে আদৰণি জনাইছে। বানৰ দৰে দুৰ্যোগৰ সময়ত অসহায় লোকসকলৰ কাষত থিয় দি সহায়ৰ হাত আগবঢ়োৱা এই প্ৰচেষ্টাই সমাজত মানৱতাৰ মূল্যবোধ অধিক সুদৃঢ় কৰিব বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে।

জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে ২২০টা পৰিয়াললৈ আগবঢ়ালে সাহায্যৰ হাত

# শিৱসাগৰৰ মিছাজানত আজমল ফাউণ্ডেচনৰ বান সাহায্য বিতৰণ

**অসম বাৰ্তা, গেলেকী, ২৯ জুলাই** ঃ শেহতীয়াকৈ অহা সংহাৰী বানৰ ফলত ক্ষতিগ্ৰস্ত হোৱা শিৱসাগৰ জিলাৰ দেওপানী মিছাজান অঞ্চলত আজমল ফাউণ্ডেচনৰ উদ্যোগত আৰু অসম ৰাজ্যিক জমিয়ত উলামা জৰুৰীকালীন বান সাহায্যৰ সহযোগত এক বান সাহায্য বিতৰণ কাৰ্যসূচী সফলতাৰে ৰূপায়ণ কৰা হয়। ন-পাম বাৰুৱতীস্থিত মিছাজান কেন্দ্ৰীয় ঈদগাহ প্ৰাংগনত অনুষ্ঠিত এই কাৰ্যসূচীত জাতি, বৰ্ণ আৰু ধৰ্ম নিৰ্বিশেষে অঞ্চলটোৰ প্ৰায় ২২০টা দুৰ্দশাগ্ৰস্ত পৰিয়ালক অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী তথা সাহায্য প্ৰদান কৰা হয়। উল্লেখ্য যে, উজনি অসমৰ বানাক্ৰান্ত ৰাইজৰ দুৰ্দশা মোচনৰ বাবে মৌলানা বদৰুদ্দিন আজমলে ২ কোটি টকাৰ বিশেষ সাহায্য প্ৰদানৰ কথা ঘোষণা কৰিছিল। এই ঘোষণাৰ অংশ হিচাপে আজমল ফাউণ্ডেচনে ধাৰাবাহিকভাৱে উপদ্ৰুত অঞ্চলসমূহত সাহায্য প্ৰদানৰ কাম চলাই আহিছে। ইতিমধ্যে নাজিৰা ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন বানপীড়িত এলেকাত আজমল ফাউণ্ডেচনৰ উদ্যোগত সাহায্য সামগ্ৰী বিতৰণ কৰা হৈছে। ফাউণ্ডেচনৰ লগত জড়িত বিষয়ববীয়াসকলে জানিবলৈ দিয়ে যে অনাগত দিনতো উজনি অসমৰ আৰু অধিক ক্ষতিগ্ৰস্ত পৰিয়ালক সহায় কৰাৰ উদ্দেশ্যে এনে বান সাহায্য অভিযান অব্যাহত থাকিব। ফাউণ্ডেচনৰ এই মহতী কাৰ্যসূচীক মিছাজানৰ স্থানীয় ৰাইজে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে শলাগ লৈছে।

# চপাই সাহিত্য সভাৰ গ্ৰন্থ উন্মোচনী অনুষ্ঠান

**অসম বাৰ্তা, মঙলদৈ, ২৯ জুলাই** ঃ দৰং জিলা সাহিত্য সভাৰ অন্তৰ্গত চপাই শাখা সাহিত্য সভাৰ নিয়মীয়া লেখা পাঠ অনুষ্ঠানৰ স'তে সঙ্গতি ৰাখি অলপতে অসম চৰকাৰে প্ৰদান কৰা যুৱ লেখক বঁটাপ্ৰাপক মনীষা শৰ্মাৰ গল্প সংকলন 'কেতিয়াবা এনেকৈয়ে' উন্মোচন কৰে ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক শশাংক হাজৰিকাই। অনুষ্ঠানত সভাপতিত্ব কৰে চপাই সাহিত্য সভাৰ সভাপতি নৱ কুমাৰ শৰ্মাই। চিৰ চেনেহী মোৰ ভাষা জননী শীৰ্ষক গীতটিৰে শুভাৰম্ভণি হোৱা সভাখনত গ্ৰন্থ উন্মোচক হাজৰিকাই গ্ৰন্থৰ প্ৰাসংগিকতা, গ্ৰন্থাগাৰৰ্গৰাকী আৰু গ্ৰন্থখন ৰচনাৰ আঁৰৰ বিভিন্ন দিশৰ ওপৰতো এটি সুন্দৰ বক্তৃতা প্ৰদান কৰে। এই অনুষ্ঠানতে প্ৰভাত বৰুৱা, কৈলাস শৰ্মা, দ্বিজেন্দ্ৰ মোহন দেৱশৰ্মাই গল্প, প্ৰভাত চৌধুৰী, অবিনাচ ৰাভা, তিলেশ্বৰ নাথে প্ৰবন্ধ, ভাৰত ডেকাই মহাভাৰতৰ কাহিনী, দণ্ড শৰ্মা, প্ৰাণেশ্বৰী ডেকা, তিলেশ্বৰ নাথ, সূৰ্য কুমাৰ ডেকা, হংসধৰ কলিতা, উপেন চহৰীয়া, গিৰীশ ডেকা আৰু লক্ষ্মী কান্ত শৰ্মাই কবিতা পাঠ কৰে। লেখাসমূহৰ ওপৰত পৰ্যালোচনা আগবঢ়ায় লক্ষ্মীকান্ত শৰ্মাই। অনুষ্ঠানত কণ্ঠশিল্পী দ্বিজেন্দ্ৰ মোহন দেৱশৰ্মাই এটি গীত গাই অনুষ্ঠানটি জীপাল কৰি তোলে। সূৰ্য শৰ্মাৰ চমু বক্তব্য আৰু সম্পাদক বসু নাথে আগবঢ়োৱা শলাগৰ শৰাইৰ পিছত অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণি পৰে।

# বিনামূলীয়া গ্ৰীষ্মকালীন পাঠদান শিবিৰৰ সামৰণি, Re-NEET [UG] উত্তীৰ্ণ শিক্ষাৰ্থীক হাতীধুৰা আমছুৰ সম্বৰ্ধনা

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৯ জুলাই** ঃ সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)-ৰ বৃহত্তৰ হাতীধুৰা আঞ্চলিক সমিতিৰ উদ্যোগত আয়োজন কৰা বিনামূলীয়া গ্ৰীষ্মকালীন পাঠদান শিবিৰৰ সামৰণি অনুষ্ঠানৰ লগতে সৰ্বভাৰতীয় Re-NEET (UG) পৰীক্ষাত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটি আজি হাতীধুৰা মহাবিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হয়। এই উপলক্ষে Re-NEET (UG) পৰীক্ষাত সফলতা অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক ফুলাম গামোচা আৰু সম্বৰ্ধনা পত্ৰ প্ৰদান কৰি অভিনন্দন জ্ঞাপন কৰা হয়। একে অনুষ্ঠানতে গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান শিবিৰত অংশগ্ৰহণ কৰা শিক্ষাৰ্থীসকলকো উৎসাহিত কৰা হয়। সম্বৰ্ধনা অনুষ্ঠানত আমছুৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক মাজাৰুল ইছলাম, সাংগঠনিক সম্পাদক জাকিৰ হুছেইন, পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ সভাপতি ৰেজোৱান আলী, বৃহত্তৰ হাতীধুৰা আঞ্চলিক সমিতিৰ সভাপতি ছাদ্দাম হুছেইন প্ৰধানী, তামাৰহাট প্ৰেছ ক্লাবৰ সভাপতি ললিত চন্দ্ৰ ৰায়, সম্পাদক সহিদুল হককে ধৰি অঞ্চলটোৰ বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। বক্তাসকলে শিক্ষাৰ্থীসকলৰ শৈক্ষিক সফলতাক অভিনন্দন জনোৱাৰ লগতে সমাজৰ শিক্ষাৰ উন্নয়নৰ বাবে এনে পদক্ষেপ অব্যাহত ৰাখিবলৈ আহ্বান জনায়। অনুষ্ঠানটোৱে অঞ্চলটোৰ শিক্ষাৰ্থীসকলৰ মাজত শিক্ষা আৰু প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰতি অধিক আগ্ৰহ সৃষ্টিত ইতিবাচক ভূমিকা পালন কৰিব বুলি উপস্থিত অতিথিসকলে আশা প্ৰকাশ কৰে।

# বানৰ পিছত মৃত পশুধন আঁতৰোৱাৰ অভিযানত কৰ্মীসকলৰ প্ৰশংসা মুখ্যমন্ত্ৰীৰ

পৰিৱেশ পৰিষ্কাৰ কৰিবলৈ আৰু সম্ভাব্য ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰিবলৈ ৰাজ্য চৰকাৰে ব্যাপক পদক্ষেপ গ্ৰহণ কৰিছে। বিভিন্ন বিভাগৰ কৰ্মচাৰীয়ে বানাক্ৰান্ত অঞ্চলসমূহত নিৰৱচ্ছিন্নভাৱে এই পৰিষ্কাৰ অভিযান চলাই আছে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা এক বাৰ্তাত কয় যে বানৰ ফলত হোৱা পশুধনৰ এই অপূৰণীয় ক্ষতি অত্যন্ত বেদনাদায়ক। মৃত পশুধনৰ দেহৰ পৰা যাতে কোনো ধৰণৰ ৰোগৰ সংক্ৰমণ নহয়, তাৰ বাবে নিষ্ঠা আৰু দায়বদ্ধতাৰে সেৱা আগবঢ়োৱা প্ৰতিগৰাকী কৰ্মীৰ প্ৰতি তেওঁ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে চৰাইদেউকে ধৰি বানপ্ৰভাৱিত প্ৰতিটো অঞ্চলতে এই পৰিষ্কাৰ অভিযান অব্যাহত আছে, আৰু প্ৰয়োজন অনুসৰি আন আন জিলাৰ কৰ্মচাৰীসকলেও এই গুৰুত্বপূৰ্ণ কামত অংশগ্ৰহণ কৰাটো অত্যন্ত প্ৰশংসনীয় বুলি মন্তব্য কৰে। সমান্তৰালভাৱে বানৰ এই সংকটকালত সহায়ৰ হাত আগবঢ়োৱা সকলো সংস্থা, স্বেচ্ছাসেৱক আৰু উদ্ধাৰকাৰী বাহিনীকো মুখ্যমন্ত্ৰীয়ে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। বিশেষকৈ ভাৰতীয় সেনাৰ উদ্ধাৰ আৰু সাহায্যকাৰী দলৰ ভূমিকাৰ শলাগ লৈ মুখ্যমন্ত্ৰী শৰ্মাই কয় যে সেনাৰ জোৱানসকলে অক্লান্ত পৰিশ্ৰমেৰে অসংখ্য লোকৰ জীৱন সুৰক্ষিত কৰাৰ লগতে দুৰ্গম বানাক্ৰান্ত অঞ্চলসমূহত অত্যাৱশ্যকীয় সাহায্য সামগ্ৰী বিতৰণ কৰিছে আৰু বিপদত পৰা অসংখ্য পৰিয়ালৰ কাষত দৃঢ়ভাৱে থিয় দিছে। তেওঁ এই সেৱাক মানৱতাৰ এক উজ্জ্বল আৰু অনন্য নিদৰ্শন বুলি অভিহিত কৰে। উজনি অসমৰ বানপৰিস্থিতিৰ মাজতে ৰাজ্য চৰকাৰ আৰু ভাৰতীয় সেনাৰ এই সমন্বিত প্ৰচেষ্টাই ৰাইজৰ মাজত আশাৰ সঞ্চাৰ কৰিছে যদিও পূৰ্ণ পুনৰুদ্ধাৰৰ বাবে এতিয়াও বহু পথ পাৰ হ'ব লগা আছে বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে।

# খাৰুপেটীয়াৰ আচিনতলাত ম্যাদ উকলি যোৱা খাদ্য-সামগ্ৰী বিক্ৰীৰ অভিযোগ; তদন্তৰ দাবী

**অসম বাৰ্তা, খাৰুপেটীয়া, ২৯ জুলাই** ঃ খাৰুপেটীয়াৰ আচিনতলা তিনিআলিস্থিত নামফলক (Sign Board) নথকা, জানিব পৰা মতে আব্দুল্লাৰ এখন হোলচেল দোকানত মেয়াদ উকলি যোৱা খাদ্য সামগ্ৰী বিক্ৰী কৰাৰ অভিযোগ উত্থাপিত হোৱাত অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘটনাক কেন্দ্ৰ কৰি স্থানীয় ৰাইজে বিষয়টোৰ নিৰপেক্ষ তদন্তৰ দাবী জনাইছে। অভিযোগ অনুসৰি, LZZY Potato Chips-ৰ এটা পেকেটৰ মেয়াদ ১৭ জুলাই, ২০২৬ তাৰিখে উকলি যোৱাৰ পিছতো ২৬ জুলাই, ২০২৬ তাৰিখে উক্ত হোলচেল দোকানখনৰ পৰা খাৰুপেটীয়াৰ আচিনতলা তিনিআলিস্থিত এখন খুচুৰা (Retail) দোকানলৈ বিক্ৰী কৰা হৈছিল বুলি অভিযোগ উত্থাপিত হৈছে। অভিযোগমতে, উক্ত খুচুৰা দোকানখন বাইগৰমাৰী গাঁৱৰ মুচা আলীৰ। স্থানীয় লোকৰ দাবী অনুসৰি, ইয়াৰ পূৰ্বেও একেধৰণৰ অভিযোগ উত্থাপিত হৈছিল। ঘটনাটোক কেন্দ্ৰ কৰি স্থানীয় ৰাইজে খাদ্য সুৰক্ষাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰি সংশ্লিষ্ট খাদ্য সুৰক্ষা বিভাগক বিষয়টোৰ নিৰপেক্ষ তদন্ত কৰাৰ লগতে অভিযোগসমূহ সত্য প্ৰমাণিত হ'লে দোষীৰ বিৰুদ্ধে প্ৰচলিত আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। উল্লেখ্য যে, এই অভিযোগসমূহৰ স্বাধীন চৰকাৰী তদন্ত এতিয়াও সম্পূৰ্ণ হোৱা নাই। সেয়েহে, তদন্ত সম্পূৰ্ণ হোৱাৰ পিছতহে অভিযোগসমূহৰ সত্যতা আনুষ্ঠানিকভাৱে নিশ্চিত হ'ব। লগতে, অভিযুক্ত পক্ষৰ বক্তব্য বা প্ৰতিক্ৰিয়া লাভ কৰিলে সেয়াও ন্যায়সংগতভাৱে প্ৰকাশ কৰা হ'ব।

দুজন তীৰ এজেণ্ট গ্ৰেপ্তাৰ

# ৰামপুৰত অবৈধ তীৰৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান

**অসম বাৰ্তা, কুমুল্লী পৰা, ২৯ জুলাই** ঃ বৰপেটা জিলাৰ ৰামপুৰ অঞ্চলত অবৈধ তীৰ ব্যৱসায়ৰ বিৰুদ্ধে কলগাছিয়া আৰক্ষীয়ে চলোৱা এক বিশেষ অভিযানত দুগৰাকী তীৰ এজেণ্টক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। গ্ৰেপ্তাৰ হোৱা লোক দুজন হৈছে জামাল উদ্দিন আৰু হানিফ উদ্দিন। জানিব পৰা মতে, গোপন সূত্ৰৰ ভিত্তিত কলগাছিয়া আৰক্ষীয়ে অভিযান চলাই অবৈধভাৱে তীৰ ব্যৱসায়ৰ সৈতে জড়িত থকাৰ অভিযোগত দুয়োকে আটক কৰাৰ পিছত গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে অভিযুক্ত দুজনৰ বিৰুদ্ধে প্ৰয়োজনীয় আইনী ব্যৱস্থা গ্ৰহণ কৰি অধিক তদন্ত অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে, জিলাখনত অবৈধ জুৱা আৰু তীৰ ব্যৱসায় ৰোধৰ উদ্দেশ্যে আৰক্ষীয়ে শেহতীয়াকৈ ধাৰাবাহিকভাৱে অভিযান চলাই আহিছে। আৰক্ষীৰ এনে তৎপৰতাক স্থানীয় সচেতন মহলে আদৰণি জনোৱাৰ লগতে সমাজত অবৈধ কাৰ্যকলাপ নিয়ন্ত্ৰণত এই ধৰণৰ অভিযান অধিক জোৰদাৰ কৰাৰ দাবী উত্থাপন কৰিছে।

## অসম চৰকাৰৰ পৰা ৬

এই তথ্য প্ৰকাশ কৰে। মন্ত্ৰী দুৰ্গাদাস উইকীয়ে সদনত কয় যে ছয়টা জনগোষ্ঠীৰ জনজাতিকৰণৰ মৰ্যাদাৰ দাবী সম্পৰ্কীয় প্ৰস্তাৱ অসম চৰকাৰৰ পৰা লাভ কৰা হৈছে। অসম চৰকাৰৰ মন্ত্ৰীসভাই অনুমোদন জনোৱা মন্ত্ৰী গোটৰ প্ৰতিবেদনৰ পৰামৰ্শ লাভ কৰিছে নেকি বুলি সোধাত তেওঁ কয় যে অসম চৰকাৰৰ পৰা শেহতীয়াকৈ মন্ত্ৰালয়ত এনে কোনো প্ৰতিবেদন পোৱা নাই। ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি আয়োগ আৰু ভাৰতৰ মহাপঞ্জীয়কে এই প্ৰস্তাৱ পুনৰীক্ষণ বা অনুমোদন কৰিছে নে নাই সেই সম্পৰ্কে আন এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰত চৰকাৰে ১৫.৬.১৯৯৯ তাৰিখে জাৰি কৰা নীতি নিৰ্দেশনা শচযি ২৫.৬.২০০২ আৰু ১৪.৯.২০২২ তাৰিখে সংশোধন কৰা হৈছে। অনুসৰি অন্তৰ্ভুক্তিৰ বাবে দাবীসমূহৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই নিয়ম অনুসৰি কোনো জনগোষ্ঠীক অনুসূচিত জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ যুক্তিসহ প্ৰস্তাৱ, ভাৰতৰ মহাপঞ্জীয়ক আৰু ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি আয়োগৰ অনুমোদন বাধ্যতামূলক। দুৰ্গাদাস উইকীয়ে লোকসভাত লগতে কয় যে এই সমগ্ৰ প্ৰক্ৰিয়া এক অবিৰত প্ৰক্ৰিয়া আৰু নিৰ্ধাৰিত নিয়ম অনুসৰিয়েই সকলো পদক্ষেপ গ্ৰহণ কৰা হয়।

# দিছপুৰত অসম-নাগালেণ্ড

মাজত এক গুৰুত্বপূৰ্ণ উচ্চস্তৰীয় বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন উপস্থিত থাকি দুয়োখন ৰাজ্যৰ মাজত সেতুবন্ধনৰ কাম কৰে। বৈঠকত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নাগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী পেটনৰ সৈতে দুয়োখন ৰাজ্যৰ সীমান্ত সংলগ্ন বিভিন্ন স্পৰ্শকাতৰ বিষয়ত বিস্তৃতভাৱে আলোচনা কৰে। বিধায়ক বিশ্বজিৎ ফুকনে সামাজিক মাধ্যমযোগে উল্লেখ কৰা অনুসৰি বৈঠকত মূলতঃ অসম-নাগালেণ্ড সীমান্তৰ সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত সংলগ্ন অঞ্চলসমূহৰ আন্তঃৰাজ্যিক সমস্যাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বিশেষকৈ উৰিয়ামঘাটৰ উচ্ছেদৰ পৰৱৰ্তীকালীন ঘটনা প্ৰবাহৰ বিষয়ে বৈঠকত বিশদভাৱে আলোচনা কৰা হয় আৰু উভয় ৰাজ্যই দ্বিপাক্ষিক আলোচনাৰ মাধ্যমেৰে সমস্যাসমূহ সমাধান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। বৈঠকত দুয়োখন ৰাজ্যৰ মাজত যোগাযোগৰ ব্যৱস্থা শক্তিশালী কৰাৰ লক্ষ্যৰে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। চুণ্ডাজানৰ পৰা ডিমাপুৰ এয়াৰপৰ্টলৈ দুয়োখন ৰাজ্যৰ সহযোগিতাত এখন বিকল্প আৰু উন্নত মানৰ পথ নিৰ্মাণ কৰাৰ সিদ্ধান্ত লোৱা হয়, যাৰ ফলত অসম আৰু নাগালেণ্ডৰ মাজৰ সংযোগ আৰু অধিক সুবিধাজনক হ'ব। লগতে দুয়োখন ৰাজ্যৰ জনসাধাৰণৰ মাজত সম্প্ৰীতি আৰু সাংস্কৃতিক বান্ধোন শক্তিশালী কৰিবলৈ উৰিয়ামঘাটত অসম-নাগালেণ্ড সাংস্কৃতিক সমাৰোহ আয়োজন কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত দুয়োখন ৰাজ্যৰ প্ৰতিনিধিয়ে আন্তঃৰাজ্যিক সৌহাৰ্দ্য আৰু শান্তি-শৃংখলা বৰ্তাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে বহু দশক পুৰণি অসমৰ চুবুৰীয়া ৰাজ্যকেইখনৰ সীমা বিবাদ নিষ্পত্তি কৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰি আহিছে। বৰ্তমান সময়তো অসমৰ হাজাৰ হাজাৰ হেক্টৰ ভূমি চুবুৰীয়া ৰাজ্যৰ দখলত আছে। বুধবাৰে সমাপ্ত হোৱা বিধানসভাৰ বাজেট অধিৱেশনতো চুবুৰীয়া ৰাজ্যই অসমৰ ভূমি দখল কৰি ৰখাৰ তথ্য উন্মোচিত হয়। সদনত সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই দিয়া তথ্য অনুসৰি অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মেঘালয় আৰু মিজোৰামে এতিয়াও অসমৰ মুঠ ৮২, ৭৫১.৮৬১৮ হেক্টৰ ভূমি দখল কৰি আছে। ইয়াৰ ভিতৰত নাগালেণ্ডে যোৰহাট জিলাৰ ১৪০৭৯.১৪ হেক্টৰ, শিৱসাগৰ জিলাৰ ৮৮২৯ হেক্টৰ, গোলাঘাট জিলাৰ ৩৬২৯৪.০৭ হেক্টৰ আৰু চৰাইদেউ জিলাৰ ২৮৮ হেক্টৰসহ মুঠ ৫৯, ৪৯০.২১ হেক্টৰ অসমৰ ভূমি দখল কৰি ৰাখিছে। অৰুণাচল প্ৰদেশে মুঠ ১৬, ১৪৪.০১১৭ হেক্টৰ, মেঘালয়ে মুঠ ৩, ৪৪১.৮৬০১ হেক্টৰ আৰু মিজোৰামে মুঠ ৩, ৬৭৫.৭৮ হেক্টৰ অসমৰ ভূমি বেদখল কৰি আছে। অসম আৰু নাগালেণ্ড ৰাজ্যৰ সীমা সমস্যা নিষ্পত্তিৰ বাবে উচ্চতম ন্যায়ালয়ত অসম চৰকাৰে নথি ভুক্ত কৰা গোচৰ O.S. No. 02 of 1988 বৰ্তমান বিচাৰাধীন হৈ থকাৰ প্ৰসংগত বৈঠকত উল্লেখ কৰা হয়।

## শিৱসাগৰৰ প্ৰতিটো বানপীড়িত

অনুষ্ঠিত এক সংবাদমেলত বিধায়কগৰাকীয়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক উদ্দেশ্যি কয় যে শিৱসাগৰ সমষ্টিত বানপানীৰ দ্বাৰা আক্ৰান্ত প্ৰায় ৪০, ০০০ পৰিয়ালক প্ৰতিজনী ১০ লাখ টকাকৈ ক্ষতিপূৰণ প্ৰদান কৰিব লাগিব, যাৰ বাবে মুঠ ৪ হাজাৰ কোটি টকাৰ প্ৰয়োজন হ'ব। তেওঁ কয় যে অসম এই বানপানীৰ ক্ষেত্ৰত বিংশ আৰু একবিংশ শতিকাত দেখা আটাইতকৈ ডাঙৰ দুৰ্যোগটোৰে হৈছে ১৯ জুলাইত তিনিখন জিলাত হোৱা ভয়ংকৰ বানপানী, কিন্তু চৰকাৰে ইয়াত পৰ্যাপ্ত গুৰুত্ব নিদিলে। বিধায়ক গগৈয়ে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক লক্ষ্য কৰি কয় যে অসমৰ বান পৰিস্থিতি সন্দৰ্ভত দিল্লীলৈ যোৱা মুখ্যমন্ত্ৰীক প্ৰধানমন্ত্ৰীয়ে সাক্ষাৎ নিদিলে। তেওঁ কটাক্ষ কৰে যে যদি মুখ্যমন্ত্ৰীয়ে তেওঁৰ সমষ্টিৰ প্ৰতিটো বানপীড়িত পৰিয়ালক সহায়ৰ বাবে ৪ হাজাৰ কোটি টকা দিব নোৱাৰে, তেন্তে তেওঁ কি মুখ্যমন্ত্ৰী? তেওঁ প্ৰশ্ন উত্থাপন কৰে যে মুখ্যমন্ত্ৰী ঘোৰাৰ ঘাঁহ কাটি আছে নেকি। বানপীড়িত পৰিয়ালসমূহক চৰকাৰে মাত্ৰ ১৫, ০০০ টকা সাহায্য প্ৰদান কৰি কি কৰিব বিচাৰিছে বুলিও তেওঁ প্ৰশ্ন উত্থাপন কৰে। বিজেপিৰ তৰফৰ পৰা আগবঢ়োৱা ১২ কোটি টকাৰ কাপোৰৰ সাহায্যৰ প্ৰয়োজন নাই বুলি কৈ তেওঁ পুনৰ দৃঢ়তাৰে কয় যে শিৱসাগৰৰ প্ৰতিটো বানপীড়িত পৰিয়ালক ১০ লাখ টকাকৈ দিবই লাগিব, নহ'লে তেওঁ মুখ্যমন্ত্ৰীৰ টেবুলত উঠি তাণ্ডৱ নৃত্য কৰিব বুলি সাৱধান কৰে। বিধায়ক গগৈয়ে অসমৰ সম্পদ ৰাষ্ট্ৰীয় সম্পদ হ'ব পাৰিলে অসমৰ দুৰ্যোগক ৰাষ্ট্ৰীয় সমস্যা হিচাপে কিয় গণ্য কৰা নহয় বুলিও প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয় যে মানুহৰ জীৱন আৰু সপোন সকলো শেষ হৈছে, তথাপি চৰকাৰে বানপীড়িতক মাত্ৰ ৰপ্ত হাজাৰ টকা আৰু মৃত লোকৰ পৰিয়ালক এনডিআৰএফৰ পৰা মাত্ৰ ৪ লাখ টকা প্ৰদান কৰিছে। তেওঁ কটাক্ষ কৰে যে যদি এই দুৰ্যোগ ভাৰতৰ আন কোনো ৰাজ্যত হ'লহেঁতেন, তেন্তে প্ৰধানমন্ত্ৰীয়ে লাখে লাখে টকা সাহায্য ঘোষণা কৰিলেহেঁতেন, কিন্তু অসমৰ বাবে এটকাও ঘোষণা কৰা নাই। তেওঁ মুখ্যমন্ত্ৰীকো সমালোচনা কৰি কয় যে মুখ্যমন্ত্ৰীয়ে অসমলৈ ধন আনিব পৰা নাই, বৰঞ্চ ৰাইজৰ ওচৰত হাত পাতি সাহায্য পুঁজিৰ পৰা মৃত পৰিয়ালবোৰক ধন দিছে। তেওঁ কয় যে যদি তেওঁৰ ক্ষেত্ৰত এনে হ'লহেঁতেন, তেন্তে তেওঁ মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিলেহেঁতেন। শিৱসাগৰৰ বান পৰিস্থিতি সন্দৰ্ভত তেওঁ কয় যে মুখ্যমন্ত্ৰী তথা চৰকাৰে তিনিখন জিলাক সহায় কৰিব পৰা নাই, কিন্তু ৰাইজে কৰা সাহায্যৰ বাবে কিছু পৰিমাণে বানপীড়িতসকলে সকাহ পাইছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে হেলিকপ্টাৰেৰে বান পৰিদৰ্শন কৰিবলৈ অসমলৈ কিয় অহা নাই বুলিও তেওঁ প্ৰশ্ন উত্থাপন কৰে। আনহাতে চিণ্ডিকেটৰ প্ৰসংগ উত্থাপন কৰি তেওঁ কয় যে বিধায়ক আৰু মন্ত্ৰীসকলে শিলৰ চিণ্ডিকেট কৰি নেপালীখুটি শেষ কৰিছে, আৰু এতিয়া সেই মন্ত্ৰী-বিধায়কসকলেই সাহায্য দি ঘূৰি ফুৰিছে। নাগালেণ্ডৰ পাহাৰৰ তলত শিল আৰু কয়লা বিচাৰি ২০-২১ কিলোমিটাৰ খান্দি তাত জমা হৈ থকা পানী ওলাই আহি তিনিখন জিলাক শেষ কৰি দিলে বুলিও তেওঁ অভিযোগ কৰে। নদীবান্ধৰ প্ৰসংগত অখিল গগৈয়ে কয় যে দিখৌ নদীৰ ওপৰত দুটা সৰু সৰু নদীবান্ধ নিৰ্মাণ কৰি আছে যদিও সেই বান্ধ ভাঙি গৈছে আৰু এই কথা লুকুৱাই ৰখা হৈছিল। সমগ্ৰ সংবাদমেলত তেওঁ চৰকাৰৰ বান সাহায্য নীতি, মুখ্যমন্ত্ৰীৰ দিল্লী সফৰ আৰু মৃতকৰ পৰিয়াললৈ প্ৰদান কৰা সাহায্যৰ পৰিমাণক তীব্ৰ সমালোচনা কৰি অসমৰ বানপীড়িত লোকসকলৰ প্ৰতি অধিক আৰ্থিক সাহায্যৰ দাবী উত্থাপন কৰে।

## এক লাখ বানাক্ৰান্ত পৰিয়াললৈ ১৫

আৰম্ভ কৰিছে। মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে যে এই জৰীপৰ কাম চঞ্জ্ব আৰু ৃজ্ব জুলাই তাৰিখে নিয়োজিত কৰ্মচাৰীসকলৰ দ্বাৰা সম্পন্ন কৰা হ'ব, আৰু ৃৰ জুলাই তাৰিখে সংশ্লিষ্ট জিলাৰ উপায়ুক্তৰ হাতত তথ্য প্ৰদান কৰা হ'ব। ইয়াৰ পিছত লাভ কৰা তথ্য অনুসৰি প্ৰয়োজনীয় সহায় বিতৰণ কৰা হ'ব। ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক সমলৰ ক্ষতি নিৰূপণ কৰি বিদ্যায়তনিক সহায় প্ৰদানৰো ব্যৱস্থা কৰা হৈছে বুলি মন্ত্ৰী বড়াই উল্লেখ কৰে। বানৰ পাছত সৃষ্টি হোৱা স্বাস্থ্যজনিত সমস্যাসমূহ সমাধানৰ বাবে পৰ্যাপ্ত চিকিৎসক আৰু ঔষধৰ ব্যৱস্থা কৰা হৈছে, আৰু বানত প্ৰভাৱিত পশুধনসমূহৰ বাবেও চৰকাৰে খাদ্য যোগান ধৰাৰ ব্যৱস্থা কৰিছে। মন্ত্ৰীগৰাকীয়ে বান সমস্যা আৰম্ভ হোৱাৰ পৰা তৎকালীনভাৱে কাৰ্যকৰী কৰা উদ্ধাৰ অভিযান আৰু পৰৱৰ্তী সময়ত প্ৰদান কৰা সাহায্য সামগ্ৰীৰ খতিয়ানো দাঙি ধৰে। সংবাদমেলৰ পূৰ্বে ভাৰতীয় জনতা পাৰ্টীৰ কৰ্মকৰ্তাসকলৰ সৈতে এখন আলোচনা সভা সম্পন্ন কৰি দলৰ তৰফৰ পৰাও বানপীড়িতসকলক সহায় কৰাৰ প্ৰয়াস আৰম্ভ কৰা বুলি তেওঁ উল্লেখ কৰে। চৰকাৰে শিৱসাগৰ জিলাখনক বানৰ কবলৰ পৰা উদ্ধাৰ কৰি পুনৰ সংস্থাপিত কৰাৰ চেষ্টা অব্যাহত ৰাখিছে, আৰু এই কঠিন সময়ত ৰাইজক সকলো ধৰণৰ সহায় আগবঢ়োৱা হ'ব বুলি মন্ত্ৰী বিমল বড়াই অন্তত আশ্বাস প্ৰদান কৰে।

## ২০৩০ৰ ভিতৰত অৰুণাচলত

জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণ কৰি থকাৰ বাবে খৰালি সময়ত অস্বাভাৱিক তথা অতি ভয়ংকৰভাৱে হ্ৰাস পাইছে মহাবাহু ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ। ইতিমধ্যে বিগত দিনসমূহত অসমৰ বহু অঞ্চলত ব্ৰহ্মপুত্ৰৰ বুকু শুকুৱাৰ খবৰে সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰাৰ লগতে চিন্তিত কৰি তুলিছিল ৰাজ্যবাসীক। অৰুণাচলত এইদৰে ব্ৰহ্মপুত্ৰৰ ওপৰত ইটোৰ পিছত সিটোকৈ জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ ফলত অসম যে সাংঘাতিক ধৰণে বিপদত পৰিব, সেয়া বিশেষজ্ঞসকলে অহৰহ মত পোষণ কৰি আহিছে। পূব অৰুণাচল প্ৰদেশৰ ভাৰত-চীন সীমান্তৱৰ্তী ল'ৱাৰ দিবাং ভেলী জিলাত ভাৰত চৰকাৰে নিৰ্মাণ কৰিবলৈ লোৱা দেশৰ সৰ্ববৃহৎ জলবিদ্যুৎ প্ৰকল্প হিচাপে বিবেচিত হোৱা দিবাং বহুমুখী জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণকাৰ্য সম্প্ৰতি দ্ৰুতগতিত চলি আছে। ২০২২ বৰ্ষৰ ৯ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অৰুণাচলৰ ৰাজধানী ইটানগৰৰ পৰা শিলান্যাস কৰা এই প্ৰকল্প তথা বান্ধ হৈছে পৰিকল্পিত এক বৃহৎ পকী বান্ধ। যদি এই বান্ধ নিৰ্মাণ কৰা হয় তেন্তে ২৮৮ মিটাৰ (৯৪প্ত ফুট) উচ্চতাত অৱস্থিত ভাৰতৰ সৰ্ববৃহৎ তথা বিশ্বৰ সৰ্বোচ্চ পকী বান্ধ হ'ব। ইয়াৰ দ্বাৰা দিবাং নদীৰ অৱবাহিকাৰ পৰা ২, ৮৮০ মেগাৱাট পৰ্যন্ত জলবিদ্যুৎ শক্তি যোগান ধৰাৰ লগতে উপত্যকাটোৰ বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰতো সহায়ক হ'ব বুলি আশা কৰা হৈছে। স্মৰতব্য যে, ২০০৮ চনৰ ৩১ জানুৱাৰীত প্ৰথমবাৰৰ বাবে তদানীন্তন প্ৰধানমন্ত্ৰী ড: মনমোহন সিঙে ইয়াৰ আধাৰশিলা স্থাপন কৰিছিল। অৱশ্যে, ২০১৩ চনত কেন্দ্ৰীয় পৰিৱেশ আৰু বন মন্ত্ৰালয়ে এই প্ৰকল্পৰ আবেদন নাকচ কৰিছিল কৰাত ২০১৪ চনত এন এইচ পি চি লিমিটেডে পুনৰ আবেদন দাখিল কৰিছিল আৰু ২০১৫ চনত ইয়াৰ অনুমোদন লাভ কৰে। ২০১৪ চনত শাসনলৈ অহাৰ পিছত মোডী চৰকাৰে ২০১৯ চনত এই প্ৰকল্পৰ বাবে নতুনকৈ অনুমতি দিছিল। প্ৰকল্পটোৰ মূল উদ্দেশ্য বান নিয়ন্ত্ৰণ আৰু বিদ্যুৎ উৎপাদন বুলি কোৱা হৈছে। অৰুণাচল প্ৰদেশৰ নামনি দিবাং ভেলী জিলাৰ মুনলী গাঁৱৰ সমীপত নিৰ্মাণৰ কাম আৰম্ভ হোৱা ২৮৮০ মেগাৱাটৰ দিবাং বহুমুখী প্ৰকল্পৰ বাবে কেন্দ্ৰীয় চৰকাৰে মুঠ ৩১, ৮৭৫ কোটি টকা অনুমোদন জনাইছে। চৰকাৰী তথ্য মতে, ইয়াৰ দ্বাৰা বিদ্যুৎ উৎপাদন, বানপানীৰ সমস্যা সমাধানত সহায়ক হোৱাৰ উপৰিও অঞ্চলটোত কৰ্মসংস্থাপনৰ সুযোগ আৰু আৰ্থ-সামাজিক উন্নয়নৰ সূচনা হ'ব। লগতে এই প্ৰকল্পটোৱে প্ৰতি বছৰে ৰৰ, ২২৩ মিলিয়ন ইউনিট জলবিদ্যুৎ উৎপাদন কৰিব, যিয়ে স্বচ্ছ আৰু সেউজ শক্তি প্ৰদান কৰিব, যিটো উত্তৰ গ্ৰীডত যোগান ধৰা হ'ব। ১০৮ মাহৰ ভিতৰত নিৰ্মাণৰ লক্ষ্যৰে সম্প্ৰতি যুদ্ধকালীন তৎপৰতাৰে কাম আৰম্ভ হোৱা এই প্ৰকল্পটো ২০৩২ চনৰ ফেব্ৰুৱাৰী মাহত কাৰ্যক্ষম হৈ উঠিব বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, যোৱা মে' মাহত অৰুণাচল চৰকাৰে ১৭৫০ মেগাৱাট ডেমৱে নিম্ন জলবিদ্যুৎ প্ৰকল্পৰ বাবে এক বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। অৰুণাচলৰ লোহিত জিলাত ১৭৫০ মেগাৱাট শক্তিৰ ডেমৱে নিম্ন জলবিদ্যুৎ প্ৰকল্প ৰূপায়ণৰ বাবে গ্ৰীণকো ডেমৱে পাৱাৰ লিমিটেডৰ সৈতে চুক্তিপত্ৰত স্বাক্ষৰ কৰে। এই চুক্তিখন অৰুণাচল প্ৰদেশৰ ব্যক্তিগত খণ্ডৰ উন্নয়নকাৰীৰ সৈতে গ্ৰহণ কৰা অন্যতম বৃহৎ জলবিদ্যুৎ সহযোগিতা আৰু ভাৰতৰ নবীকৰণযোগ্য শক্তি সম্প্ৰসাৰণ আৰু স্বচ্ছ শক্তিৰ পৰিৱৰ্তনত ৰাজ্যখনৰ ভূমিকা শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। অৰুণাচল প্ৰদেশ চৰকাৰ আৰু পূৰ্বতে এথেনা ডেমৱে পাৱাৰ লিমিটেড নামেৰে পৰিচিত গ্ৰীণকো ডেমৱে পাৱাৰ লিমিটেডৰ মাজত BOOT (Build, Own, Operate and Transfer) ভিত্তিত প্ৰকল্পটো সম্পন্ন কৰাৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। উপ-মুখ্যমন্ত্ৰী তথা জলবিদ্যুৎ বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী চৌনা মেইন আৰু আয়ুক্ত শচজলবিদ্যুৎগ্ন সোণম চোম্বেৰ উপস্থিতিত ৰাজ্য চৰকাৰৰ হৈ হাগে লাইলাঙে এই চুক্তিত স্বাক্ষৰ কৰে। লোহিত জিলাৰ পৰশুৰাম কুণ্ড আৰু ব্ৰহ্ম কুণ্ডৰ সমীপৰ লোহিত নদীত প্ৰস্তাৱিত ডেমৱে নিম্ন জলবিদ্যুৎ প্ৰকল্পটোৰ স্থাপন ক্ষমতা ১৭৫০ মেগাৱাট হ'ব, য'ত ৩৪২ মেগাৱাটকৈ পাঁচটা উৎপাদন ইউনিটৰ লগতে এটা অতিৰিক্ত ৪০ মেগাৱাট ইউনিট থাকিব। চৰকাৰী তথ্য মতে, এই প্ৰকল্পটোৱে ৯৫ শতাংশ উদ্যোগ উপলব্ধতাৰ ক্ষেত্ৰত ৯০ শতাংশ নিৰ্ভৰযোগ্য বছৰত বছৰি প্ৰায় ৭৩২৬ মিলিয়ন ইউনিট বিদ্যুৎ উৎপাদন কৰিব। প্ৰস্তাৱিত আন্তঃগাঁথনিৰ ভিতৰত আছে আটাইতকৈ গভীৰ ভেটিৰ স্তৰৰ পৰা সৰ্বোচ্চ উচ্চতা ১৬৩.১২ মিটাৰ আৰু শিখৰ দৈৰ্ঘ্য ৪৭৪.৩৫ মিটাৰ থকা পকী মাধ্যাকৰ্ষণ বান্ধ। সম্পূৰ্ণ জলাশয় স্তৰত থকা জলাশয়টোৰ জলাশয়টোৰ সংৰক্ষণ ক্ষমতা ৫১৬.৩৮ মিলিয়ন ঘনমিটাৰ আৰু ইয়াৰ পানী বিস্তৃত এলেকা প্ৰায় ১১৩১ হেক্টৰ হ'ব বুলি আশা কৰা হৈছে। ডিজাইনটোত বান ব্যৱস্থাপনাৰ বাবে একাধিক গেটৰ সৈতে সজ্জিত পৃষ্ঠৰ অজি আৰু স্লুইচ স্পিলৱেৰ বৈশিষ্ট্য থকা স্পিলৱে ব্যৱস্থাও অন্তৰ্ভুক্ত কৰা হৈছে। আন্তঃগাঁথনিৰ ভিতৰত লগতে থাকিব ছটা ডাইভাৰচন সুৰংগ, মাটিৰ তলৰ চাপৰ খাদ, আৰু লোহিত নদীৰ সোঁপাৰত অৱস্থিত এটা বৃহৎ পৃষ্ঠ শক্তিকেন্দ্ৰ। ১১২ মিটাৰ ডিজাইন হেড আৰু ১৭২৯ কিউমেকৰ ডিজাইন ডিচাৰ্জৰ অধীনত ভাৰটিকেল ফ্ৰান্সিছ টাৰ্বাইনৰ সৈতে চলিবলৈ প্ৰস্তাৱ কৰা হৈছে এই শক্তি কেন্দ্ৰটো। অৰুণাচল চৰকাৰৰ মতে, এই প্ৰকল্পই নিৰ্মাণ আৰু কাৰ্য্যকৰী পৰ্যায়ত প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়োটা ধৰণৰ নিয়োগৰ সুযোগ সৃষ্টি কৰাৰ লগতে ৰাজ্যখনৰ আন্তঃগাঁথনি উন্নয়ন, জনসংযোগ আৰু অৰ্থনৈতিক কাৰ্যকলাপত অৰিহণা যোগোৱাৰ উপৰি এই প্ৰকল্পই ভাৰতৰ অন্যতম প্ৰধান জলবিদ্যুৎ প্ৰকল্প হিচাপে আত্মপ্ৰকাশ কৰিব আৰু অৰুণাচল প্ৰদেশৰ অৰ্থনৈতিক আৰু আন্তঃগাঁথনি উন্নয়নত যথেষ্ট অৰিহণা যোগাব।

## বানপৰিস্থিতি বুজ ল'বলৈ

অনুসৰি সকলো ধৰণৰ সহযোগিতা আগবঞ্জঞ্জৱাৰ আশ্বাসও পুনৰ দৃঞ্জতাৰে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বে চ্ব জুলাইত গৃহমন্ত্ৰী অমিত শ্বাহে টেলিফোনযোগে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰা ৰাজ্যৰ বান পৰিস্থিতিৰ বুজ লৈছিল। আজি পুনৰ সেই একেই পৰিস্থিতিৰ ওপৰত খবৰ লোৱাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰেৰণ কৰা আন্তঃমন্ত্ৰণালয়ৰ দলটোৱে ৰাজ্যিক প্ৰশাসনক কেনেদৰে সহায় কৰি আছে তাকো গৃহমন্ত্ৰীগৰাকীয়ে পৰ্যবেক্ষণ কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম ফেচবুকত এই টেলিফোনিক বাৰ্তালাপৰ বিষয়ে সদৰি কৰি কয়, মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াই পুনৰবাৰ কিছু সময় পূৰ্বে ফোনযোগে অসমৰ বৰ্তমানৰ বান পৰিস্থিতি আৰু চলিত সাহায্য আৰু উদ্ধাৰ অভিযানৰ বুজ লয়। তেখেতে সকলো পৰ্যায়ৰ পৰিস্থিতিৰ বিষয়ে খবৰ লোৱাৰ লগতে আশ্বস্ত কৰে যে সাহায্য, পুনৰুদ্ধাৰ আৰু পুনৰ্নিৰ্মাণৰ ক্ষেত্ৰত প্ৰয়োজন অনুসৰি ভাৰত চৰকাৰৰ পৰা সকলোধৰণৰ সহযোগিতা অব্যাহত থাকিব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে এই কঠিন সময়ত অসমৰ জনসাধাৰণৰ স্বাৰ্থত ইতিমধ্যে আন্তঃমন্ত্ৰণালয়ৰ দল প্ৰেৰণ কৰাৰ উপৰি কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট সংস্থাসমূহে পূৰ্ণ সহযোগিতা আগবঞ্জাই যাব বুলিও গৃহমন্ত্ৰীয়ে পুনৰ দৃঞ্জতাৰে উল্লেখ কৰে। এই দুৰ্যোগৰ সময়ত অসমৰ জনসাধাৰণৰ প্ৰতি দেখুওৱা আন্তৰিক সহানুভূতি, অব্যাহত সহযোগিতা আৰু দৃঞ্জ প্ৰতিশ্ৰুতিৰ বাবে মুখ্যমন্ত্ৰীয়ে গৃহমন্ত্ৰী ডাঙৰীয়ালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

## বানাক্ৰান্তসকলক ক্ষতিপূৰণ আৰু মানৱ

কেৱল প্ৰাকৃতিক দুৰ্যোগ বুলি কোৱা কথাখিনি সম্পূৰ্ণৰূপে নাকচ কৰি ইয়াক মানৱসৃষ্ট বিপৰ্যয় বুলি অভিহিত কৰা হৈছে। কংগ্ৰেছৰ মুখপাত্ৰ ৰীতম সিঙে দাখিল কৰা এই পত্ৰখনত উজনি অসমত সৃষ্টি হোৱা এই বিপৰ্যয়ত ইতিমধ্যে জ্ঞ্জ জনতকৈ অধিক লোকৰ মৃত্যু হোৱাৰ লগতে ছ লাখতকৈও অধিক লোক প্ৰভাৱিত হোৱাৰ উল্লেখ কৰা হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ে গৃহীত কৰা বাধ্যতামূলক ন্যায়িক আদেশসমূহ দীৰ্ঘদিন ধৰি ইচ্ছাকৃতভাৱে অৱজ্ঞা কৰাৰ অভিযোগ তুলি কংগ্ৰেছৰ আইনী কোষে ৰাজ্য চৰকাৰক তীব্ৰ গৰিহণা দিয়ে। উল্লেখযোগ্য যে বছৰ বছৰ ধৰি কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা বিৰোধী দলৰ প্ৰাক্তন নেতা দেৱব্ৰত শইকীয়াই দিখৌ নদীৰ অৱবাহিকাৰ ভংগুৰ পৰিৱেশ ৰক্ষাৰ বাবে অদম্য আইনী যুঁজ চলাই আহিছে। পত্ৰখনত কংগ্ৰেছে অভিযোগ কৰে যে পিআইএল জ্ঞ্জ্ব !চঞ্জ্বৰজ্ব, পিআইএল ছচ! চঞ্জ্বৰজ্ব, আৰু পুনৰীক্ষণ আবেদন ৰঞ্জ্বৰ !চঞ্জ্বচৰ জৰিয়তে উচ্চ ন্যায়ালয়ে উচ্চশক্তি সমিতি গঠন, মাষ্টাৰ প্লেন প্ৰস্তুত কৰা, আৰু অবৈধ খনন বন্ধ কৰিবলৈ বন টাস্ক ফ'ৰ্চ বেটেলিয়নৰ দ্বাৰা বিশেষভাৱে প্ৰশিক্ষণপ্ৰাপ্ত লোক নিয়োগৰ স্পষ্ট নিৰ্দেশনা দিয়াৰ পিছতো ৰাজ্য চৰকাৰ সম্পূৰ্ণ অচল হৈ আছে। ৰীতম সিঙে পত্ৰখনত উল্লেখ কৰা মতে এই বিপৰ্যয়ৰ মূল কাৰণ দুটা। প্ৰথমটো হৈছে নদীৰ বুকুত অবৈজ্ঞানিকভাৱে চলি থকা কয়লা খনন, যাৰ ফলত নদীৰ পাৰসমূহ দুৰ্বল হৈ পৰিছে আৰু পানীৰ প্ৰবাহ সহ্য কৰিব নোৱাৰা হৈ পৰিছে। দ্বিতীয়টো কাৰণ হৈছে নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ বান্ধসমূহৰ পৰা কোনো পূৰ্ব-সতৰ্কতা নোহোৱাকৈ হঠাতে এৰি দিয়া পানী। অনিয়ন্ত্ৰিত যান্ত্ৰিক খননৰ ফলত নদীসমূহৰ প্ৰাকৃতিক পৰিৱেশ প্ৰতিৰক্ষা হেৰুৱাই পেলোৱা বুলিও অভিযোগ উত্থাপন কৰা হয়। পত্ৰখনত কংগ্ৰেছে ন্যায়ালয়ৰ ওচৰত কেইবাটাও দাবী আৰু অনুৰোধ জনায়। প্ৰথমতে চৰকাৰী গাফিলতি আৰু 'ট্ৰন্তৱ্ধ ৠন্দ্ৰ গুৠস্তু'ৰ দোহাই দি চৰকাৰে নিজৰ দায়িত্বৰ পৰা আঁতৰি থাকিব নোৱাৰে বুলি উল্লেখ কৰি বানপীঞ্জতি লোকসকলক কেৱল নামমাত্ৰ সাহায্য নিদি তেওঁলোকৰ হেৰুওৱা সম্পত্তি আৰু জীৱনৰ উচিত সাংবিধানিক ক্ষতিপূৰণ দিয়াৰ নিৰ্দেশ দিবলৈ অনুৰোধ জনায়। দ্বিতীয়তে ডিষ্ট্ৰিক্ট মিনাৰেল ফাউণ্ডেচন ট্ৰাষ্ট শচডডত্তঠথ্গ্ন আৰু ত্নত্তল্দ্ধ চঞ্জ্বচছু ৰ অধীনত বানপ্ৰৱণ অঞ্চলত স্থায়ী, দুৰ্যোগ-প্ৰতিৰোধী গৃহ নিৰ্মাণ আৰু কৃষিভূমিৰ পুনৰুদ্ধাৰৰ কাম কৰিবলৈ চৰকাৰক নিৰ্দেশ দিবলৈ দাবী জনায়। তৃতীয়তে চঞ্জ্বৰজ্ব চনত ন্যায়ালয়ে গঠন কৰিবলৈ দিয়া বিশেষ টাস্ক ফ'ৰ্চ শচঠৠজঙ্গদ্দ্ধ স্ত্বদৠ ঠৠজত্তঙ্গ ট্ৰদ্ধত্ৰন্ঠগ্ন আৰু নদীৰ গতিপথ সলনি নোহোৱাকৈ ৰখাৰ বাবে প্ৰস্তুত কৰা মাষ্টাৰ প্লেন বৰ্তমান কি পৰ্যায়ত আছে, তাৰ এক বিতং প্ৰতিবেদন চৰকাৰৰ পৰা বিচাৰিবলৈ অনুৰোধ জনায়। ইয়াৰ লগতে বৰ্তমান অসম চৰকাৰে অসমক 'গ্ৰীণ এনাৰ্জী হাব' কৰাৰ বাবে গ্ৰহণ কৰা বৃহৎ জলবিদ্যুৎ প্ৰকল্পৰ আঁচনি সম্পৰ্কেও কংগ্ৰেছে উদ্বেগ প্ৰকাশ কৰে। পত্ৰখনত এনে এটা স্বতন্ত্ৰ বিশেষজ্ঞ কমিটিৰ দ্বাৰা ইয়াৰ পাৰিৱেশিক প্ৰভাৱ পুনৰীক্ষণ নকৰালৈকে আৰু বান্ধৰ পানী এৰাৰ সুৰক্ষিত নিয়ম তৈয়াৰ নকৰালৈকে এই নিৰ্মাণ কাৰ্য স্থগিত ৰখাৰ নিৰ্দেশ দিবলৈ ন্যায়ালয়ৰ ওচৰত আহ্বান জনোৱা হয়। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ এই পদক্ষেপে ৰাজ্যৰ বান পৰিস্থিতি আৰু চৰকাৰৰ ভূমিকাক লৈ নতুনকৈ বিতৰ্কৰ সূচনা কৰিছে।

## বানত হেৰুওৱা শৈক্ষিক নথিৰ

মাৰ্কশ্বীট আৰু পঞ্জীয়ন পত্ৰৰ দৰে গুৰুত্বপূৰ্ণ শৈক্ষিক নথিসমূহ। এই দুৰ্যোগৰ মাজতো ছাত্ৰ-ছাত্ৰীসকলক কিছু সকাহ দিবলৈ অসম চৰকাৰে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। বানপানীত শৈক্ষিক নথি নষ্ট হোৱা সকলোকে ডুপ্লিকেট কপি বিনামূলীয়াকৈ প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে ৰাজ্যিক শিক্ষা বিভাগে। চৰাইদেউ, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাৰ বানাক্ৰান্ত লোকসকলৰ বাবে এই সুবিধা প্ৰযোজ্য হ'ব। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা সংসদক এই সম্পৰ্কীয় নিৰ্দেশনা জাৰি কৰিছে চৰকাৰে। এই সিদ্ধান্ত অনুসৰি হাইস্কুল শিক্ষান্ত পৰীক্ষা, হাই মাদ্ৰাছা পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা উত্তীৰ্ণ হোৱা প্ৰমাণ পত্ৰ, মাৰ্কশ্বীট, এডমিট কাৰ্ড আৰু ৰেজিষ্ট্ৰেষণ কাৰ্ডৰ ডুপ্লিকেট কপি প্ৰদান কৰা হ'ব। ইয়াৰ বাবে বানপীঞ্জতিসকলে বানত আক্ৰান্ত হোৱাৰ প্ৰমাণ দেখুৱাই আবেদন কৰিব লাগিব, কিন্তু কোনো ধৰণৰ আৰক্ষীৰ ৰিপৰ্টৰ প্ৰয়োজন নাই, কেৱল এটা আত্মঘোষণাই যথেষ্ট বুলি স্পষ্ট কৰিছে চৰকাৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নিজৰ এক্স পোষ্টযোগে এই সিদ্ধান্ত ৰাইজক অৱগত কৰি লিখিছে যে কালি ঘোষণা কৰা অনুসৰি চাৰিখন জিলাৰ বানপীঞ্জতি ছাত্ৰ-ছাত্ৰীক ডুপ্লিকেট এডমিট কাৰ্ড, মাৰ্কশ্বীট আৰু অন্যান্য নথি-পত্ৰ বিনামূলীয়াকৈ প্ৰদানৰ বাবে অধিসূচনা জাৰি কৰা হৈছে, আৰু এই ক্ষেত্ৰত কোনো আৰক্ষীৰ ৰিপৰ্টৰ প্ৰয়োজন নাই, এটা আত্মঘোষণাই যথেষ্ট হ'ব। শিক্ষামন্ত্ৰী ৰণোজ পেগুৱেও এক সামাজিক মাধ্যমৰ পোষ্টযোগে শিক্ষাৰ্থীসকলক সহায় কৰিবলৈ অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ডে গ্ৰহণ কৰা বিশেষ সিদ্ধান্তৰ কথা উল্লেখ কৰে। তেওঁ কয় যে ব'ৰ্ডে হাইস্কুল শিক্ষান্ত পৰীক্ষা, হাই মাদ্ৰাছা পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা উত্তীৰ্ণ হোৱাৰ প্ৰমাণপত্ৰ, এডমিট কাৰ্ড, মাৰ্কশ্বীট আৰু পঞ্জীয়ন পত্ৰৰ বাবে ডুপ্লিকেট কপি প্ৰদান কৰাৰ সিদ্ধান্ত লৈছে। চৰাইদেউ, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাৰ পৰা বানাক্ৰান্ত লোকসকলে এই সুবিধা লাভ কৰিব। আবেদনকাৰীয়ে বানপীঞ্জতি ব্যক্তি হিচাপে প্ৰমাণপত্ৰ আপলোড কৰি অনলাইনত আবেদন কৰিব পাৰে আৰু ইয়াৰ বাবে আৰক্ষীৰ পৰীক্ষণ প্ৰতিবেদনৰ প্ৰয়োজন নাই। এই বিশেষ সাহায্য ব্যৱস্থাৰ লক্ষ্য হৈছে ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰীসকলে সন্মুখীন হোৱা অসুবিধাসমূহ লাঘৱ কৰা বুলি মন্ত্ৰী পেগুৱে উল্লেখ কৰে।

## কয়লা ব্লক আবণ্টন কেলেংকাৰী

বন্ধ ঘোষণা কৰি তেওঁৰ বিৰুদ্ধে জাৰি কৰা চমন বাতিল কৰে। প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙে চঞ্জ্বচছু চনৰ ছ ডিচেম্বৰত মৃত্যুবৰণ কৰিছিল, আৰু এই ৰায় প্ৰকাশৰ লগে লগে তেওঁৰ স্মৃতিৰ প্ৰতি এক ন্যায়িক সন্মান প্ৰদান কৰা হৈছে। উচ্চতম ন্যায়ালয়ে চিবিআইৰ পৰা গোচৰ বন্ধৰ প্ৰতিবেদন গ্ৰহণ কৰে। এই প্ৰতিবেদনত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীকে ধৰি নাম সাঙোৰ খোৱা অন্যান্য লোকসকলক ক্লীনশ্বীট প্ৰদান কৰা হয়। বিচাৰপীঠে মত প্ৰকাশ কৰে যে নিম্ন আদালতে চিবিআইৰ গোচৰ বন্ধৰ প্ৰতিবেদন নাকচ কৰাৰ কোনো বাধ্যতামূলক কাৰণ নাছিল। বিশেষ ন্যায়াধীশে বন্ধৰ প্ৰতিবেদন নাকচ কৰাৰ কোনো বৈধ কাৰণ নাছিল বুলি দৃষ্টিগোচৰ হোৱাত উচ্চতম ন্যায়ালয়ে এই ৰায় প্ৰদান কৰে। যদিও প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ মৃত্যুৰ পিছত আবেদনখন কাৰিকৰীভাৱে অফলপ্ৰসূ বুলি নিষ্পত্তি কৰিব পৰা গ'লহেঁতেন, তথাপি বিশেষ ন্যায়াধীশৰ আদেশৰ বৈধতা পৰীক্ষা কৰাটো প্ৰয়োজনীয় বুলি বিবেচনা কৰে বিচাৰপীঠই, কাৰণ ইয়াত তেওঁৰ বিৰুদ্ধে বিৰূপ তথ্য সন্নিবিষ্ট কৰা হৈছিল। উল্লেখযোগ্য যে ২০০5 চনত ওড়িশাৰ তালাবিৰা-দ্বিতীয় কয়লা ব্লক আবণ্টনৰ সন্দৰ্ভত মনমোহন সিং, উদ্যোগপতি কুমাৰ মংগলম বিৰলা, প্ৰাক্তন কয়লা সচিব পিচি পৰখ আৰু আন তিনিজনলৈ বিশেষ আদালতে চমন জাৰি কৰিছিল। হিন্দলকোক কয়লা ব্লক আবণ্টন সম্পৰ্কীয় গোচৰটোত চিবিআয়ে দোষমুক্ত ঘোষণা কৰি দুখন বন্ধৰ প্ৰতিবেদন দাখিল কৰাৰ পিছতো প্ৰয়াত প্ৰধানমন্ত্ৰী সিঙে বিচাৰ আদালতৰ সিদ্ধান্তক প্ৰত্যাহ্বান জনাইছিল। ২০১৫ চনৰ ১ এপ্ৰিলত উচ্চতম ন্যায়ালয়ে জাৰি কৰা চমন স্থগিত ৰাখি কৈছিল যে আবেদনসমূহে দুৰ্নীতি প্ৰতিৰোধ আইন, ১৯৮৮ৰ ধাৰা 13(1)(â)(iii)ৰ সাংবিধানিক বৈধতাকে ধৰি আইনৰ একাধিক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। ন্যায়ালয়ত জ্যেষ্ঠ অধিবক্তা কপিল ছিবাল আৰু অভিষেক মনু সিংভীয়ে যুক্তি দৰ্শাইছিল যে পূৰ্বৰ প্ৰধানমন্ত্ৰীয়ে স্ক্ৰীনিং কমিটীৰ পৰামৰ্শৰ বিৰুদ্ধে হিন্দলকোক কয়লা ব্লক আবণ্টন দিয়াৰ ক্ষেত্ৰত গ্ৰহণ কৰা সিদ্ধান্ত কোনো নীতি বহিৰ্ভুত নহয়, বৰঞ্চ ই এক শুদ্ধ প্ৰশাসনিক সিদ্ধান্ত আছিল আৰু জনস্বাৰ্থৰ মূল্যায়নক লৈ বিশেষ ন্যায়াধীশে বিচাৰত বহিব নোৱাৰে। ছিবালে লগতে উল্লেখ কৰিছিল যে চিবিআয়ে দুবাৰ গোচৰ বন্ধৰ প্ৰতিবেদন দাখিল কৰাৰ পিছতো বিচাৰ আদালতে চমন জাৰি কৰিছিল, যিটো আইনী নীতিৰ সৈতে সংগতিপূৰ্ণ নাছিল। দীৰ্ঘ এদশকৰো অধিক সময়ৰ ন্যায়িক যুঁজৰ অন্ত পেলাই উচ্চতম ন্যায়ালয়ে চিবিআইৰ বন্ধ প্ৰতিবেদন গ্ৰহণ কৰি প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ বিৰুদ্ধে চলি থকা গোচৰটোৰ সম্পূৰ্ণ সমাপ্তি ঘটায়। এই ৰায়ে কেৱল মনমোহন সিঙৰ স্মৃতিক ন্যায় প্ৰদান কৰাই নহয়, তদুপৰি দেশৰ ন্যায়িক ব্যৱস্থাত সত্য আৰু ন্যায়ৰ জয়কো পুনৰ প্ৰতিষ্ঠা কৰিছে বুলি ৰাজনৈতিক মহলে মত প্ৰকাশ কৰিছে।

## যন্তৰ মন্তৰৰ প্ৰতিবাদক লৈ উত্তাল

কৰি ৰাহুল গান্ধীয়ে কয় যে এনে ঘটনাৰ মাথোঁ দুটাই কাৰণ হ'ব পাৰে। তেওঁ কয় যে হয় গৃহমন্ত্ৰীয়ে গুলী চলাবলৈ নিৰ্দেশ জাৰি কৰিছিল, নহ'লে প্ৰতিবাদস্থলীত গুলীচালনা হ'ব বুলি তেওঁ সম্পূৰ্ণ অজ্ঞাত আছিল। প্ৰথমটো পৰিস্থিতিত অমিত শ্বাহ দোষী, দ্বিতীয়টো পৰিস্থিতিত তেওঁ অযোগ্য, আৰু এই দুটাৰ বাহিৰে তৃতীয় কোনো কাৰণ থাকিব নোৱাৰে বুলি ৰাহুল গান্ধীয়ে স্পষ্ট কৰে। লোকসভাত কামকাজ স্থগিত ৰখাৰ পিছত সাংবাদিকৰ সৈতে হোৱা সাক্ষাৎকাৰত ৰাহুল গান্ধীয়ে অমিত শ্বাহৰ সংসদত অনুপস্থিতিৰ বিষয়েও প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয় যে ভাৰতৰ তথাকথিত সাহসী গৃহমন্ত্ৰীগৰাকী সেইদিনা লোকসভাত উপস্থিত নাছিল, আৰু যদি তেওঁ কোনো নিৰ্দেশেই দিয়া নাই, তেন্তে সদনলৈ কিয় অহা নাই, সেই সম্পৰ্কে তেওঁৰ নিজৰ স্থিতি স্পষ্ট কৰিব লাগে। ৰাহুল গান্ধীয়ে কয় যে সংসদত কথা কোৱাটো তেওঁৰ অধিকাৰ আৰু তেওঁলোকে তেওঁক এই অধিকাৰ প্ৰদান কৰিব লাগে। তেওঁ লোকসভাত ইতিমধ্যে এই বিষয়টো উত্থাপন কৰিছে বুলিও জনায়। উল্লেখযোগ্য যে বুধবাৰে লোকসভাত 'ৰাজহুৱা পৰীক্ষাশচনীতি বহিৰ্ভুত উপায় প্ৰতিৰোধগ্ন সংশোধনী বিধেয়ক, চঞ্জ্বচছ' সন্দৰ্ভত আলোচনাৰ সময়ছোৱাতে এই বিতৰ্কই তীব্ৰতা লাভ কৰে। ৰাহুল গান্ধীয়ে লোকসভাত গৃহমন্ত্ৰীগৰাকীৰ সদনত উপস্থিত থাকিবলৈ সাহসৰ অভাৱ বুলি অভিযোগ উত্থাপন কৰাত সদনত তীব্ৰ আপত্তিৰ সৃষ্টি হয়। ইফালে কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে ৰাহুল গান্ধীৰ এই অভিযোগ সম্পূৰ্ণ ভিত্তিহীন বুলি দাবী কৰে আৰু কোনো প্ৰমাণ নোহোৱাকৈ এজন জ্যেষ্ঠ মন্ত্ৰীৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰাৰ বাবে তেওঁৰ বিপক্ষে মন্তব্য প্ৰকাশ কৰে। ইয়াৰ লগতে ৰাহুল গান্ধীয়ে লোকসভাত দিয়া ভাষণৰ সময়ত ব্যৱহাৰ কৰা এটা শব্দৰ বিৰুদ্ধেও ৰিজিজুৱে আপত্তি দৰ্শোৱাত সদনত আন এক সংঘাতৰ সৃষ্টি হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ আপত্তিৰ পিছতে অধ্যক্ষ ওম বিৰলাই এই হুলস্থূলৰ মাজতে সদনৰ কাম-কাজ স্থগিত ৰখাৰ নিৰ্দেশ দিয়ে আৰু সংসদীয় অভিলেখৰ পৰা বিতৰ্কিত শব্দটো প্ৰত্যাহাৰ কৰিবলৈ নিৰ্দেশ জাৰি কৰে। লোকসভাৰ অধ্যক্ষগৰাকীয়ে ৰাহুল গান্ধীক বাস্তৱিক ভিত্তি নোহোৱাকৈ ব্যক্তিগত অভিযোগ উত্থাপন নকৰিবলৈ সকীয়নি দিয়ে।

## নামেৰীত চাৰিগুণ বৃদ্ধি বাঘৰ সংখ্যা

সংৰক্ষণৰ ক্ষেত্ৰত এক উজ্জ্বল নিদৰ্শন হিচাপে আত্মপ্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস উপলক্ষে এক্স (পূৰ্বৰ টুইটাৰ) যোগে প্ৰকাশ কৰা পোষ্টত কয় যে ভাৰতৰ বাঘ সংৰক্ষণ কৌশলৰ উল্লেখযোগ্য সফলতা উদযাপন কৰাৰ সময়ত অসমে বাসস্থান ব্যৱস্থাপনা আৰু বন্যপ্ৰাণী সুৰক্ষাৰ ক্ষেত্ৰত এক আৰ্হি হিচাপে থিয় দিছে। তেওঁ লগতে কয় যে কঠোৰ চোৰাং চিকাৰ বিৰোধী ব্যৱস্থা, সক্ৰিয় কৰিড'ৰ সংৰক্ষণ আৰু প্ৰযুক্তি-চালিত চোৰাচিতাৰ জৰিয়তে যোৱা কেইবছৰমানৰ পৰা অসমৰ বাঘৰ সংখ্যা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। এই বছৰৰ এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে মুখ্যমন্ত্ৰীয়ে নামেৰী ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ অবিশ্বাস্য ৰূপান্তৰৰ কথা উল্লেখ কৰে। তেওঁ কয় যে নামেৰীত বাঘৰ সংখ্যা মাত্ৰ টাৰ পৰা ১২টালৈ চাৰিগুণ বৃদ্ধি পাইছে, যি অসমৰ বন্যপ্ৰাণী সংৰক্ষণৰ সফলতাৰ জ্বলন্ত প্ৰমাণ। শৰ্মাই লগতে কয় যে কাজিৰঙা আৰু মানসৰ পৰা আৰম্ভ কৰি ওৰাং আৰু নামেৰীলৈকে ৰাজ্যখনৰ সংৰক্ষিত বনাঞ্চলসমূহে ঢেকীয়াপতীয়া বাঘৰ বাবে সুৰক্ষিত অভয়াৰণ্য হিচাপে গৌৰবেৰে থিয় দিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱসত এই মহান জন্তুটোক সুৰক্ষা দিয়া আৰু অসমৰ পৰিৱেশ ভাৰসাম্য বজাই ৰখাৰ প্ৰতি তেওঁৰ চৰকাৰৰ দায়বদ্ধতাক পুনৰবাৰ দৃঢ়তাৰে প্ৰকাশ কৰে। ৰাজ্যখনৰ বন্যপ্ৰাণী সুৰক্ষাৰ বাবে গ্ৰহণ কৰা চোৰাং চিকাৰ বিৰোধী ব্যৱস্থা আৰু প্ৰযুক্তি-চালিত চোৰাংচোৱাগিৰি আদি পদক্ষেপসমূহে যে ফল প্ৰদান কৰিছে, সেই কথা মুখ্যমন্ত্ৰীয়ে বিশেষভাৱে উল্লেখ কৰে। অসমৰ বাঘ সংৰক্ষণৰ এই সফলতাই ৰাজ্যখনৰ বন্যপ্ৰাণী প্ৰেমী আৰু পৰিৱেশবিদসকলৰ মাজত যথেষ্ট সঁহাৰি লাভ কৰিছে আৰু আগন্তুক দিনবোৰত এই ধাৰা অব্যাহত থাকিব বুলি আশা ব্যক্ত কৰা হৈছে।

## আঢ়ৈশ বছৰীয়া ধৰ্মীয় অনুষ্ঠানৰ

পীযুষ হাজৰিকাই মন্ত্ৰী কেশৱ মহন্তৰ হৈ বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰে। বিধেয়কখনৰ পক্ষত সদনত ভাষণ দি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে এই আইনখন সম্পূৰ্ণৰূপে নতুন নহয়, বৰঞ্চ ইতিমধ্যে সদনত বহুতখিনি চৰ্চা হৈছিল আৰু পূৰ্বতে সদনে অনুমোদন জনাইছিল। কিন্তু তেতিয়াৰ সদস্য ভৰত নৰহে এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছিল যে মাজুলীত বসবাস কৰা অনুসূচিত জনজাতিৰ লোকসকলৰ মাটিৰ পট্টা নাছিল, আৰু ডিচিচি ক্ষমতা দিলে তেওঁলোক উচ্ছেদ হোৱাৰ সম্ভাৱনা থাকে। সেই সময়তে মুখ্যমন্ত্ৰীয়ে সদনত প্ৰতিশ্ৰুতি দিছিল যে অনুসূচিত জনজাতি আৰু অনুসূচিত জাতিৰ লোকসকলৰ অসুবিধা হ'বলৈ নিদিয়া হ'ব, প্ৰয়োজন হ'লে নতুনকৈ আইনখন সদনত আনিব। সেই প্ৰতিশ্ৰুতি অনুসৰিয়েই বৰ্তমান আইনখনত নতুন খচৰা কৰি অনুসূচিত জাতি, অনুসূচিত জনজাতি, আহোম, মৰাণ আৰু মটক সম্প্ৰদায়ক বিশেষ সুৰক্ষা প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰে যে এই আইনত বামুণ, কলিতা বা মুছলমানৰ নাম উল্লেখ কৰা হোৱা নাই, কেৱল খিলঞ্জীয়া অৰ্থাৎ স্থানীয় লোকসকলক সুৰক্ষা দিয়াই ইয়াৰ মূল উদ্দেশ্য। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে আঢ়ৈশ বছৰ পুৰণি ধৰ্মীয় অনুষ্ঠানসমূহৰ পাঁচ কিলোমিটাৰৰ ভিতৰত কেৱল সেই অনুষ্ঠানৰ লগত জড়িত স্থানীয় লোকসকলেহে মাটিৰ মালিক হ'ব পাৰিব। উদাহৰণস্বৰূপে বৰপেটা সত্ৰত বৰপেটীয়া লোকসকল থাকিব, বটদ্ৰৱাত বটদ্ৰৱাৰ লোকসকল থাকিব, আনকি তেওঁ নিজেও সেই অঞ্চলত মাটি কিনিব নোৱাৰিব। মুখ্যমন্ত্ৰীয়ে পুনৰ্বাৰ কয় যে এই আইন কোনো বিশেষ ধৰ্মৰ বিৰুদ্ধে বৈষম্যমূলক নহয়, বৰঞ্চ কামাখ্যা মন্দিৰৰ আশে-পাশে কামাখ্যাৰ পাণ্ডাসকলৰ পৰিয়াল থাকিব, সেই দৰে বৰপেটা সত্ৰৰ আশে-পাশে মুছলমান বা হিন্দু যিকোনো স্থানীয় লোকেই থাকিব পাৰিব, কিন্তু বাহিৰৰ পৰা কোনো ব্যক্তিয়েই সেই অঞ্চলত মাটি কিনিব নোৱাৰিব। তেওঁ লগতে কয় যে ৰাজ্যৰ আইকনিক অনুষ্ঠানসমূহৰ মাত্ৰ পাঁচ কিলোমিটাৰ অঞ্চল এই আইনৰ আওতাত অনা হৈছে, আৰু ইতিমধ্যে আইনগতভাৱে তাত থকাসকলৰ কোনো ক্ষতি নহয়, কেৱল নতুনকৈ মাটি ক্ৰয় কৰাত বাধা দিয়া হৈছে। এই বিধেয়কখনৰ বিষয়ে সদনত বিৰোধী কংগ্ৰেছৰ বিধায়কসকলে আপত্তি উত্থাপন কৰে, বিশেষকৈ শ্বেৰমান আলী আহমেদে খিলঞ্জীয়াৰ সংজ্ঞাৰ প্ৰসংগ উত্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে উত্তৰত কয় যে এই আইনত নিৰ্দিষ্ট কোনো ধৰ্মীয় অনুষ্ঠানৰ কথা কোৱা হোৱা নাই আৰু সকলোকে সমানভাৱে প্ৰযোজ্য। তেওঁ বিৰোধীসকলক কটাক্ষ কৰি কয় যে এই বিধেয়কত আপত্তি কৰিলে বুজিব যে তেওঁলোকৰ সেই পাঁচ কিলোমিটাৰ অঞ্চলৰ ভিতৰত মাটি কিনি যোৱাৰ ইচ্ছা আছে। ইয়াৰ লগতে মুখ্যমন্ত্ৰীয়ে কয় যে ২০০৬ চনৰ বন অধিকাৰ সুৰক্ষা আইনত পূৰ্বপ্ৰধান মনমোহন সিঙে তিনিপ্ৰজন্ম অৰ্থাৎ ৭৫ বছৰৰ মাপকাঠি ব্যৱহাৰ কৰিছিল, আৰু এই বিধেয়কতো একে সময়সীমা গ্ৰহণ কৰা হৈছে। তেওঁ কংগ্ৰেছক উদ্দেশ্যি কয় যে যেতিয়া তেওঁলোকে ২০০৬ চনত আইন পাৰিত কৰিছিল তেতিয়া আপত্তি কৰা নাছিল, এতিয়া কৰাৰ প্ৰয়োজন নাই। ইফালে সদনত সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকাই কংগ্ৰেছ বিধায়কসকলৰ বিৰোধিতা প্ৰসংগত কয় যে তেওঁলোকৰ আচৰণ দেখি সন্দেহ হয় যে তেওঁলোকৰ সমৰ্থকসকল মূল অসমৰ নেকি। এই মন্তব্যক লৈ বিধায়ক শ্বেৰমান আলী আহমেদে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে আৰু মন্ত্ৰীগৰাকীক উভতি ধৰে, যাৰ ফলত সদনত যথেষ্ট বাকযুদ্ধৰ সৃষ্টি হয়। অৱশেষত দীঘলীয়া বিতৰ্কৰ পাছত 'অসম ভূমি আৰু ৰাজহ নিয়ন্ত্ৰণ (সংশোধন) বিধেয়ক, ২০২৬' সদনত গৃহীত হয়। বিধেয়কখন অনুসৰি বৰপেটা সত্ৰ, বটদ্ৰৱা সত্ৰ, মাজুলী, পোৱামহ্লা আদি আইকনিক ধৰ্মীয় অনুষ্ঠানৰ পাঁচ কিলোমিটাৰ পৰিধিৰ ভিতৰত কেৱল তিনিপ্ৰজন্ম ধৰি তাত বসবাস কৰি অহা লোকসকলেহে মাটি বেচা-কিনা কৰিব পাৰিব, আন কোনো বাহিৰীয়া ব্যক্তিয়ে এই অঞ্চলত মাটি ক্ৰয় কৰাৰ সুযোগ নাপাব। মুখ্যমন্ত্ৰীয়ে কয় যে এই আইনৰ যোগেদি অসমৰ সত্ৰ-মন্দিৰসমূহৰ প্ৰাচীন পৰম্পৰা আৰু স্থানীয় সংস্কৃতি সুৰক্ষিত হ'ব, আৰু ইয়াৰ দ্বাৰা 'বৰ অসম' নিৰ্মাণৰ বাণী সদনৰ পৰা প্ৰেৰণ কৰা হৈছে।

## শিক্ষা ব্যৱস্থাৰ প্ৰধান শত্ৰু

তোলা। এই অভিযোগে সদনত এক উত্তাল পৰিৱেশৰ সৃষ্টি কৰে আৰু ৰাজনৈতিক মহলত যথেষ্ট চাঞ্চল্যৰ সৃষ্টি কৰে। লোকসভাত ভাষণ দি ৰাহুল গান্ধীয়ে নীট প্ৰশ্নকাকত ফাদিলক লৈ দেশজুৰি ছাত্ৰ ছাত্ৰীসকলে কৰা প্ৰতিবাদক পূৰ্ণ সমৰ্থন জনায়। তেওঁ কয় যে ৰাজপথত যুৱক-যুৱতীসকলে যি অভিব্যক্তি প্ৰকাশ কৰিছে, তাৰ বাবে তেওঁ আত্মবিশ্বাসী। ছাত্ৰ-ছাত্ৰীসকল বিৰক্ত হৈছিল কাৰণ তেওঁলোকক ভাৰতত ছাত্ৰ হ'বলৈ দিয়া হোৱা নাছিল, তেওঁলোকৰ আবেগক অনুসৰণ কৰিবলৈ দিয়া হোৱা নাছিল, তেওঁলোকে বিচৰা কথা ক'বলৈ দিয়া হোৱা নাছিল আৰু প্ৰশ্নবোৰ সুধিবলৈ দিয়া হোৱা নাছিল বুলি তেওঁ উল্লেখ কৰে। প্ৰাক্তন কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক লক্ষ্য কৰি ৰাহুল গান্ধীয়ে কয় যে তেওঁৰ পদত্যাগ সম্পূৰ্ণ 'পৃষ্ঠীয়' আছিল, কাৰণ প্ৰকৃততে শিক্ষা মন্ত্ৰণালয় তেওঁৰ দ্বাৰা পৰিচালিত নাছিল, বৰঞ্চ আৰএছএছৰ দ্বাৰাহে পৰিচালিত হৈছিল। তেওঁ কয় যে ৰাজনাথ সিঙে কোৱা কথা সঁচা যে বিজেপিৰ মন্ত্ৰীসকলে কেতিয়াও পদত্যাগ নকৰে, কিন্তু ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ পৰাই স্পষ্ট হয় যে তেওঁ কেতিয়াও শিক্ষা মন্ত্ৰালয় চলাব পৰা নাছিল। ৰাহুলে কটাক্ষ কৰি কয় যে শিক্ষা মন্ত্ৰালয় চলোৱা সংগঠনটো হৈছে আৰএছএছ, আৰু ইয়াক প্ৰকৃততে পৰিচালনা কৰা ব্যক্তিজন হৈছে মন্ত্ৰীৰ কাৰ্যালয়ত বহি থকা অ'এছডি (বিশেষ কৰ্মচাৰী)। ৰাহুল গান্ধীয়ে অভিযোগ উত্থাপন কৰে যে আজি প্ৰতিখন বিশ্ববিদ্যালয়তে আৰএছএছ সমৰ্থিত উপাচাৰ্য আছে আৰু ধৰ্মেন্দ্ৰ প্ৰধান কেৱল এটা প্ৰতীক মাত্ৰ। তেওঁ পুনৰবাৰ কয় যে প্ৰকৃত শত্ৰু হৈছে আৰএছএছ, কাৰণ তেওঁলোকেই ছাত্ৰ-ছাত্ৰীসকলক ছাত্ৰ হোৱাৰ পৰা বাধা দিয়ে আৰু তেওঁলোকে বিচাৰে যে মানুহ অন্ধভক্ত হওক, যিয়ে নিজৰ বুদ্ধি-বিবেচনা প্ৰয়োগ নকৰে। ৰাহুল গান্ধীৰ এই মন্তব্যৰ প্ৰতি শাসকীয় দলৰ সদস্যসকলে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে আৰু সদনত শাসক-বিৰোধীৰ মাজত তুমুল বাকযুদ্ধৰ সৃষ্টি হয়। অধ্যক্ষ ওম বিৰলাই কেইবাবাৰো সদন শান্ত কৰিবলৈ চেষ্টা কৰে যদিও ৰাহুল গান্ধীৰ আৰএছএছ বিৰোধী মন্তব্যক লৈ সদনৰ পৰিৱেশ যথেষ্ট উত্তাল হৈ থাকে। ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰে যে ৰাহুল গান্ধীৰ এই ভাষণে আসন্ন নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছৰ ৰণনীতি স্পষ্ট কৰি দিছে, য'ত তেওঁলোকে আৰএছএছ আৰু বিজেপিৰ মতাদৰ্শক প্ৰত্যক্ষভাৱে প্ৰশ্ন কৰাৰ সিদ্ধান্ত লৈছে।

## সংসদত অসাংবিধানিক আৰু

অভিযোগ কৰে যে কংগ্ৰেছৰ সাংসদসকলে এই গুৰুত্বপূৰ্ণ বিধেয়কখনৰ মূল বিষয়বস্তুৰ ওপৰত আলোচনা নকৰি কেৱল ৰাজনীতিকৰণতে ব্যস্ত হৈ আছে। তেওঁ কয় যে আজি লোকসভাত আশা কৰা হৈছিল যে ৰাহুল গান্ধী আৰু আন সাংসদসকলে বিধেয়কখনৰ সন্দৰ্ভত গঠনমূলক আলোচনা কৰিব, কিন্তু তাৰ পৰিৱৰ্তে তেওঁলোকে অসংলগ্ন বিষয়ৰ কথা কৈ বিষয়টোৰ পৰা মনোযোগ আঁতৰাই ৰাজনৈতিক সুবিধা লোৱাৰ চেষ্টা চলাইছে। ৰিজিজুৱে স্পষ্ট কৰে যে এই বিধেয়কখন ছাত্ৰ-ছাত্ৰীৰ দাবীৰ প্ৰতি সঁহাৰি জনাই উত্থাপন কৰা হৈছে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই সিদ্ধান্ত অত্যন্ত ডাঙৰ পদক্ষেপ। তেওঁ কয় যে ২০-৩০ মিনিটৰ ভাষণ দিয়াৰ সময়তো অন্ততঃ ৫ মিনিট এই গুৰুত্বপূৰ্ণ বিধেয়কৰ বিষয়ে আলোচনা কৰিব পাৰিলেহেঁতেন, কিন্তু বিৰোধীয়ে সেয়া নকৰিলে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দাবী কৰে যে শিক্ষাৰ্থীৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি লক্ষ্য ৰাখিয়েই চৰকাৰে এই বিধেয়ক আনিছে, আৰু প্ৰধানমন্ত্ৰীৰ এই পদক্ষেপে দেশৰ শিক্ষাৰ্থীৰ মাজত নতুন আস্থাৰ সৃষ্টি কৰিছে। পৰীক্ষা ব্যৱস্থা উন্নত কৰাৰ ক্ষেত্ৰত কংগ্ৰেছৰ কোনো গঠনমূলক পৰামৰ্শ থাকিলে সেয়া আগবঢ়াবলৈও তেওঁ আহ্বান জনায়। কিৰেণ ৰিজিজুৱে বিশেষভাৱে ৰাহুল গান্ধীক সমালোচনা কৰি কয় যে তেওঁ সংসদীয় গণতন্ত্ৰৰ সৈতে খাপ নোখোৱা, অসাংবিধানিক আৰু অসংসদীয় ভাষা ব্যৱহাৰ কৰিছে। মতবিৰোধ থাকিব পাৰে কিন্তু সংসদত শালীনতা আৰু সংযত ভাষা ব্যৱহাৰ কৰাটো গণতন্ত্ৰৰ বাবে অতি প্ৰয়োজনীয় বুলিও তেওঁ উল্লেখ কৰে। ইয়াৰ লগতে তেওঁ কংগ্ৰেছৰ সাংসদ প্ৰিয়ংকা গান্ধী ভাদ্ৰাইও বিধেয়কৰ বিষয়ৰ বাহিৰত ভাষণ দিছে বুলি অভিযোগ উত্থাপন কৰে। ৰিজিজুৰ মতে বিৰোধীয়ে গুৰুত্বপূৰ্ণ বিধেয়কৰ ওপৰত আলোচনা নকৰি অন্য বিষয় উত্থাপন কৰি সংসদৰ আলোচনা ৰাজনৈতিক দিশলৈ ঘূৰাই নিব বিচাৰিছে, যি গণতান্ত্ৰিক পৰম্পৰাৰ প্ৰতি শোভনীয় নহয়। ইফালে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে বুধবাৰে লোকসভাত জন্ম-মৃত্যুৰ পঞ্জীয়ন (সংশোধনী) বিধেয়ক ২০২৬ উত্থাপন কৰে। একেদিনাই ৰাজহুৱা পৰীক্ষাশচনীতি বহিৰ্ভূত উপায় প্ৰতিৰোধগ্ন সংশোধনী বিধেয়কৰ ওপৰতো আলোচনা অব্যাহত থাকে, যিটো কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙে বিবেচনা কৰি পৰৱৰ্তী সময়ত গৃহীত কৰিবলৈ প্ৰস্তাৱ আগবঢ়াব। প্ৰশ্নকাকত ফাদিলৰ ঘটনাক লৈ লোকসভাত চলা এই বিতৰ্কই ৰাজনৈতিক মহলত যথেষ্ট চাঞ্চল্যৰ সৃষ্টি কৰিছে, আৰু সংসদীয় পৰিক্ৰমা মন্ত্ৰী ৰিজিজুৰ এই কটাক্ষমূলক মন্তব্য আগন্তুক দিনবোৰত বিৰোধী-শাসকীয় দলৰ মাজৰ দ্বন্দ্ব আৰু তীব্ৰ কৰিব পাৰে বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## নিৰ্মাণ শ্ৰমিকৰ দীৰ্ঘদিনীয়া দাবী

সুবিধাসমূহৰ পৰা বঞ্চিত হোৱা বাবে তীব্ৰ অসন্তোষ প্ৰকাশ কৰে। জিলাখনৰ আটাইকেইটা শ্ৰম কাৰ্যালয়ৰ পঞ্জীয়নভুক্ত শ্ৰমিকসকলে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি তেওঁলোকৰ দাবীসমূহ জোৰদাৰভাৱে উত্থাপন কৰে। এই সন্দৰ্ভত নিৰ্মাণ শ্ৰমিক সন্থাৰ লখিমপুৰ জিলা সমিতিৰ সম্পাদক সত্যৰঞ্জন দাসে সংবাদমাধ্যমক কয় যে শ্ৰমিকসকলে আবেদন কৰা বিভিন্ন ধৰণৰ লাভৰ পৰা তেওঁলোক দীৰ্ঘদিন ধৰি বঞ্চিত হৈ আছে। নিৰ্মাণ শ্ৰমিক কল্যাণ ব'ৰ্ডৰ ফালৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰা শিক্ষা বৃত্তি, চিকিৎসা সাহায্য, বিবাহ সাহায্য, পেঞ্চন, মৃত্যু সাহায্যকে ধৰি বিভিন্ন আবেদন পত্ৰৰ বাবে বছৰ বছৰ ধৰি অপেক্ষা কৰি শ্ৰমিকসকল ভাৰাক্ৰান্ত হৈ পৰিছে। তেওঁ উল্লেখ কৰে যে বৃদ্ধ পেঞ্চন লাভ কৰা শ্ৰমিকসকলো দুবছৰ ধৰি পেঞ্চনৰ পৰা বঞ্চিত হৈ আছে, আনহাতে দুৰাৰোগ্য বেমাৰত আক্ৰান্ত হোৱা নিৰ্মাণ শ্ৰমিকসকল আজিলৈকে চিকিৎসা সাহায্যৰ পৰা বঞ্চিত। নিয়মিতভাৱে পাবলগীয়া পেঞ্চনাৰসকলৰ পেঞ্চনো বন্ধ হৈ থকা পৰিলক্ষিত হৈছে। গতিকে শ্ৰমিকসকলৰ মৰ্মবেদনা উপলব্ধি কৰি তেওঁলোকৰ দাবীসমূহ শীঘ্ৰে পূৰণ কৰিব লাগে বুলি দাসে দাবী জনায়। প্ৰতিবাদকাৰী শ্ৰমিকসকলে দুৰাৰোগ্য বেমাৰৰ চিকিৎসা সাহায্যৰ ক্ষেত্ৰত আয়ুষ্মান কাৰ্ড সংলগ্ন কৰা ব্যৱস্থা শীঘ্ৰে বাতিল কৰাৰ লগতে নিৰ্মাণ শ্ৰমিকৰ চিকিৎসা সাহায্য পূৰ্বৰ কল্যাণ ব'ৰ্ডৰ নীতি অনুসৰি প্ৰদান কৰিবলৈ দাবী জনায়। লগতে নিৰ্মাণ শ্ৰমিকৰ সকলো সাহায্য পূৰ্বৰ নীতি অনুসৰি প্ৰদান কৰিবলৈও তেওঁলোকে জোৰ দাবী উত্থাপন কৰে। ২০১০ চনৰ পৰা ২০২০ চনৰ ভিতৰত পঞ্জীয়ন হোৱা শ্ৰমিকৰ লেবাৰ কাৰ্ডৰ বয়স অনুসৰি পেঞ্চন দিয়াৰ ব্যৱস্থা কৰাৰ লগতে এইসকলৰ ক্ষেত্ৰত আধাৰ কাৰ্ডৰ বয়স বাধ্যতামূলক কৰাটো বিবেচনা কৰাৰ দাবীও উত্থাপন কৰে শ্ৰমিক সংগঠনটোৱে। তেওঁলোকে এই দাবীসমূহ উল্লেখ কৰি ৰাজ্যৰ শ্ৰম আয়ুক্ত আৰু সদস্য সচিবলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে আজি এনে বিভিন্ন দাবী পূৰণৰ বাবে সৰ্বভাৰতীয় পৰ্যায়ত নতুন দিল্লীৰ তালকাটোৰা ষ্টেডিয়ামত বিশাল শ্ৰমিক সংগঠনৰ সভা অনুষ্ঠিত হয়। তাৰ লগত সংগতি ৰাখিয়েই লখিমপুৰত নিৰ্মাণ শ্ৰমিক সন্থাই এই প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। শ্ৰমিক নেতাসকলে কয় যে ৰাজ্য চৰকাৰে শ্ৰমিকসকলৰ প্ৰতি থকা দায়িত্ব উপলব্ধি কৰি তেওঁলোকৰ দীৰ্ঘদিনীয়া দাবীসমূহ শীঘ্ৰে পূৰণ কৰাৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে, নহ'লে ভৱিষ্যতে তেওঁলোকে আন্দোলন তীব্ৰতৰ কৰিবলৈ বাধ্য হ'ব বুলি সাৱধান কৰে।

# চামগুৰিৰ "প্ৰতিদিন টাইম"ৰ সাংবাদিক নয়নমণি বৰাৰ অকাল মৃত্যু

## পুৰণিগুদামত গভীৰ শোকৰ ছাঁ

**অসম বাৰ্তা, পুৰণিগুদাম, ২৯ জুলাই** ঃ এগৰাকী যুৱ সাংবাদিকৰ অকাল মৃত্যুত শোকস্তব্ধ হৈ পৰিছে নগাঁও জিলা। নগাঁও জিলাৰ চামগুৰিৰ "প্ৰতিদিন টাইম"ৰ স্থানীয় সংবাদদাতা নয়নমণি বৰাৰ আজি আকস্মিক মৃত্যুৰ বাতৰিয়ে সমগ্ৰ নগাঁও জিলাৰ লগতে চামগুৰি আৰু বৃহত্তৰ পুৰণিগুদাম অঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে। পুৰণিগুদাম চলচলি জলাহ গাঁৱৰ বাসিন্দা, বৈদ্যুতিন সংবাদ মাধ্যম "প্ৰতিদিন টাইম"ৰ চামগুৰিৰ সাংবাদিক ৰূপে কাৰ্যনিৰ্বাহ কৰা তথা পুৰণিগুদাম প্ৰেছ ক্লাবৰ প্ৰাক্তন সম্পাদক নয়নমণি বৰা (২৮) ৰ আজি গুৱাহাটীৰ জি এন আৰ চি হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। কিছুদিন ধৰি শাৰীৰিক অসুস্থতাৰ বাবে নগাঁৱত চিকিৎসাধীন হৈ আছিল যদিও পিছলৈ উন্নত চিকিৎসাৰ বাবে গুৱাহাটীৰ জিএনআৰচি হাস্পতালত উন্নত চিকিৎসাৰ বাবে ভৰ্তি হৈছিল। মৃত্যুৰ আগলৈকে উত্তৰ গুৱাহাটীৰ জিএনআৰচি চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা সাংবাদিকগৰাকী আজি পুৱাৰ ভাগলৈকে কিছু পৰিমাণে সুস্থ আছিল যদিও দুপৰীয়া ভাগলৈ স্বাস্থ্যৰ অধিক অৱনতি হৈ অকালতে মৃত্যুক সাৱটি ল'ব লগা হয়। অতি অমায়িক আৰু নম্ৰ স্বভাৱৰ সাংবাদিকগৰাকী সংবাদ ক্ষেত্ৰখনত অতি জনপ্ৰিয় হোৱাৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ ৰাইজৰ মাজত জনপ্ৰিয় হৈ পৰিছিল। পুৰণিগুদাম প্ৰেছ ক্লাবৰ শাৰদীয় শিশু গ্ৰন্থমেলাৰ অন্যতম উদ্যোক্তা আছিল নয়নমণি বৰা। ২০১৬ চনৰ পৰা সংবাদ ক্ষেত্ৰখনত জড়িত হৈ পৰিছিল। নয়নমণি বৰাই কামপুৰৰ পৰা প্ৰকাশিত "সাপ্তাহিক অসম বাৰ্তা" নামৰ সাপ্তাহিক কাকতখনত পুৰণিগুদামৰ সাংবাদিক হিচাপে বাতৰি পৰিবেশন কৰি সাংবাদিকতা আৰম্ভ কৰে। পাছত তেজপুৰৰ পৰা প্ৰকাশিত "খবৰ প্ৰৱাহ", গুৱাহাটীৰ পৰা প্ৰকাশিত "দৈনন্দিন বাৰ্তা", "দৈনিক জনসাধাৰণ" আদি কে'বাখনো কাকতত পুৰণিগুদামৰ পৰা সাংবাদিকতা কৰিছিল লগতে কে'বাটাও পৰ্টেলত পুৰণিগুদাম আৰু চামগুৰিৰ পৰা সাংবাদিকতা কৰিছিল। পাছত বৈদ্যুতিন মাধ্যম "প্ৰতিদিন টাইম"ৰ চামগুৰিৰ সাংবাদিক হিচাপে নিষ্ঠাৰে সংবাদসেৱা আগবঢ়াই ছিল নয়নমণি বৰাই। মৃত্যুৰ আগলৈকে "প্ৰতিদিন টাইম"ৰ সাংবাদিক হিচাপে সংবাদসেৱা আগবঢ়াই অহা নয়নমণি কিছুদিন ধৰি জণ্ডিছ ৰোগত আক্ৰান্ত হৈছিল। পিছলৈ আন কেইবাটাও জটিল ৰোগত আক্ৰান্ত হৈ পৰা নয়নমণি অতি কম বয়সতে নিয়তিৰ ওচৰত হাৰ মানিলে। মাতৃৰ সৈতে জলাহগাঁৱৰ নিজা বাসগৃহত জীৱন-যাপন কৰা নয়নমনিৰ তিনি বছৰৰ পূৰ্বে পিতৃৰো মৃত্যু ঘটিছিল। অমায়িক স্বভাৱৰ সাংবাদিক নয়নমণিৰ মৃত্যুৰ বাতৰিৰ পাছতে অলেখ গুণমুগ্ধই তেওঁৰ বাসগৃহত ভিৰ কৰে। নগাঁও প্ৰেছ ক্লাব, পুৰণিগুদাম প্ৰেছ ক্লাব, বঢ়মপুৰ প্ৰেছ ক্লাব, চামগুৰি প্ৰেছ ক্লাব, চামগুৰি ইলেক্ট্ৰনিক মিডিয়া এছ'চিয়েচন, নগাঁও বাৰ্তাজীৱি সংঘ, পুৰণিগুদাম অৰ্নিবান গোষ্ঠী, পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল, পুৰণিগুদাম শতদল শাখা সাহিত্য সভা, পুৰণিগুদাম দুৰ্গা পূজা সমিতি, পুৰণিগুদাম কলং কলা কেন্দ্ৰ, পুৰণিগুদাম শৰ্মা বুক এম্পৰিয়াম, আপকু নগাঁও জিলা সমিতি, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিৰ লগতে পুৰণিগুদাম, চামগুৰি আৰু চলচলি জলাহগাঁৱৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে সাংবাদিক নয়নমণি বৰাৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

### ৩২ জনীয়া চিকিৎসক-স্বাস্থ্যকৰ্মীৰ দলে আগবঢ়ালে স্বাস্থ্যসেৱা, ঔষধ, খাদ্য-সামগ্ৰী

# নাজিৰা আৰু শিৱসাগৰত বিবেকানন্দ চিকিৎসালয়ৰ উদ্যোগত বান অধ্যুষিত এলেকাত বিনামূলীয়া স্বাস্থ্য শিবিৰ

**অসম বাৰ্তা, নুমলীগড়, ২৯ জুলাই** ঃ স্বামী বিবেকানন্দৰ অমোঘ বাণী "মানৱ সেৱাই ঈশ্বৰ সেৱা" এই মহামন্ত্ৰকে সৱোগত কৰি নুমলীগড় বিবেকানন্দ চিকিৎসালয়ে আগবঢ়াই আহিছে বিনামূলীয়া চিকিৎসা শিবিৰ। বুধবাৰে নুমলীগড় বিবেকানন্দ চিকিৎসালয়ৰ এটি দলে শেহতীয়া প্ৰলয়ংকাৰী বানত ক্ষতিগ্ৰস্ত শিৱসাগৰ আৰু নাজিৰা মহকুমাৰ দুৰ্গত লোকসকলৰ কাষত থিয় দি মানৱীয় দায়বদ্ধতাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে। চিকিৎসালয়খনৰ উদ্যোগত বুধবাৰে শিৱসাগৰ জিলাৰ গৌৰীসাগৰ অঞ্চলৰ নামতি আলি আৰু নাজিৰা মহকুমাৰ সুন্দৰপুখুৰী কলিতা গাঁৱত দুটা বিনামূলীয়া স্বাস্থ্যসেৱা শিবিৰ সফলভাৱে অনুষ্ঠিত হয়। এই স্বাস্থ্য শিবিৰ দুটাত চিকিৎসক, নাৰ্চ, লেবৰেটৰী কাৰিকৰী কৰ্মী, ফাৰ্মাচিষ্ট আৰু অন্যান্য স্বাস্থ্যকৰ্মীকে ধৰি মুঠ ৩২ জনীয়া এটা বিশেষ দলে অংশগ্ৰহণ কৰি বানপীড়িত ৰাইজক প্ৰয়োজনীয় স্বাস্থ্যসেৱা আগবঢ়ায়। বানৰ ফলত চিকিৎসা ব্যৱস্থা ব্যাহত হোৱা বহু পৰিয়ালে এই শিবিৰৰ জৰিয়তে তাৎক্ষণিক চিকিৎসা লাভ কৰি যথেষ্ট উপকৃত হয়। শিবিৰত উপস্থিত চিকিৎসকসকলে জ্বৰ, কাহ, চৰ্দি, ছালৰ বিভিন্ন ৰোগ, ডায়েৰিয়া, উচ্চ ৰক্তচাপ, ডায়েবেটিছ আদি সাধাৰণ তথা বান-উত্তৰ সময়ত দেখা দিয়া বিভিন্ন স্বাস্থ্যজনিত সমস্যাৰ পৰীক্ষা কৰি প্ৰয়োজনীয় চিকিৎসা প্ৰদান কৰে। ইয়াৰ লগতে ৰোগীসকলৰ প্ৰাথমিক ৰক্ত পৰীক্ষাও বিনামূলীয়াকৈ সম্পন্ন কৰা হয়। চিকিৎসকৰ পৰামৰ্শ অনুসৰি প্ৰয়োজনীয় ঔষধো সম্পূৰ্ণ বিনামূলীয়াকৈ বিতৰণ কৰা হয়। কেৱল চিকিৎসাসেৱাতেই সীমাবদ্ধ নাথাকি চিকিৎসালয়খনৰ দলটোৱে বানপীড়িত পৰিয়ালসমূহক স্বাস্থ্যসন্মত জীৱনযাপনৰ বিভিন্ন দিশত সজাগ কৰাৰ লক্ষ্যৰে পুষ্টিকৰ খাদ্য গ্ৰহণ, বিশুদ্ধ খোৱাপানীৰ ব্যৱহাৰ, ব্যক্তিগত পৰিচ্ছন্নতা আৰু বানৰ পিছত সংক্ৰামক ৰোগৰ পৰা সুৰক্ষিত থকাৰ বিভিন্ন পৰামৰ্শ আগবঢ়ায়। বিশেষকৈ শিশু, গৰ্ভৱতী মহিলা, বৃদ্ধ আৰু দীৰ্ঘদিনীয়া ৰোগত আক্ৰান্ত লোকসকলৰ স্বাস্থ্যৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ উপৰিও চিকিৎসালয়খনৰ উদ্যোগত বান দুৰ্গত পৰিয়ালসমূহৰ মাজত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী, শুকান খাদ্য, দৈনন্দিন ব্যৱহাৰৰ প্ৰয়োজনীয় সামগ্ৰী আৰু অন্যান্য সহায়-সম্বল বিতৰণ কৰা হয়। এই সহায় লাভ কৰি বহু দুৰ্দশাগ্ৰস্ত পৰিয়ালে কিছু সকাহ অনুভৱ কৰে। স্থানীয় ৰাইজে নুমলীগড় বিবেকানন্দ চিকিৎসালয়ৰ এই মানৱীয় পদক্ষেপক আন্তৰিকভাৱে আদৰণি জনাই কয় যে, চৰকাৰী সাহায্যৰ সমান্তৰালভাৱে বিভিন্ন স্বেচ্ছাসেৱী আৰু সামাজিক প্ৰতিষ্ঠান আগবাঢ়ি অহাত বানপীড়িত লোকসকল যথেষ্ট উপকৃত হৈছে। এনে স্বাস্থ্য শিবিৰে কেৱল চিকিৎসা সেৱাই প্ৰদান নকৰে, বৰঞ্চ দুৰ্যোগৰ সময়ত অসহায় মানুহৰ মনোবল বৃদ্ধি কৰাতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। নুমলীগড় বিবেকানন্দ চিকিৎসালয়ৰ কৰ্তৃপক্ষই জনোৱা মতে, সমাজৰ প্ৰতি দায়বদ্ধতাৰ অংশ হিচাপে আগন্তুক দিনতো প্ৰয়োজন অনুসৰি বিভিন্ন বানাক্ৰান্ত অঞ্চলত এনে বিনামূলীয়া স্বাস্থ্যসেৱা শিবিৰ, স্বাস্থ্য সজাগতা অভিযান আৰু মানৱীয় সাহায্য কাৰ্যসূচী অব্যাহত ৰখা হ'ব। চিকিৎসালয়খনৰ এই মহৎ পদক্ষেপে স্বাস্থ্যসেৱাৰ লগতে মানৱসেৱাৰ এক অনুকৰণীয় দৃষ্টান্ত স্থাপন কৰিছে।

# মানৱীয়তাৰ নিদৰ্শন; গেলাবিলৰ বানত সৰ্বস্বান্ত মামৰণীৰ বন্যাৰ্তৰ কাষত নাহৰণি বাৰেঘৰীয়াৰ ৰাইজ

**অসম বাৰ্তা, দেৰগাঁও, ২৯ জুলাই** ঃ প্ৰকৃতিৰ ৰুদ্ৰৰূপত সৰ্বস্বান্ত হৈ পৰা দেৰগাঁৱৰ মামৰণী গাঁৱৰ বানাক্ৰান্ত লোকসকলৰ কাষত থিয় দিছে নাহৰণি বাৰেঘৰীয়া গাঁৱৰ সচেতন ৰাইজ। যোৱা এঘাৰ দিন ধৰি গেলাবিল নদীৰ বাঢ়নী পানীৰ তলত থকা মামৰণী গাঁৱৰ ১২০টা দুৰ্ভোগীয়া পৰিয়ালক মঙ্গলবাৰে নাহৰণি বাৰেঘৰীয়া গাঁৱৰ ৰাইজে একত্ৰিত হৈ নিত্য ব্যৱহাৰ্য সামগ্ৰী বিতৰণ কৰে। উল্লেখ্য যে, বিগত দিনকেইটাত বানে গাঁওখনৰ জনজীৱন বিপৰ্যস্ত কৰি তোলাৰ লগতে অগণন লোকৰ বাসগৃহ আৰু পথাৰৰ ৰবিশস্য সম্পূৰ্ণৰূপে নষ্ট কৰিছে। ইয়াৰোপৰি বহু পৰিয়ালৰ পুখুৰীৰ মাছ বানে উটাই নিয়াৰ ফলত লোকসকল চৰম আৰ্থিক সংকটৰ সন্মুখীন হৈছে। এনে এক দুৰ্যোগপূৰ্ণ সন্ধিক্ষণত নাহৰণি বাৰেঘৰীয়াৰ ৰাইজে প্ৰদৰ্শন কৰা এই মহানুভৱতা আৰু মানৱীয় প্ৰচেষ্টাক এতিয়া অঞ্চলটোৰ সকলো স্তৰৰ লোকে ভূয়সী প্ৰশংসা কৰিছে।

### উদং কৰি লৈ গ'ল গেলামালৰ সামগ্ৰী, পানী মটৰ

# হেলেমৰ টকৌবাৰীত ব্যৱসায়িক প্ৰতিষ্ঠানত চুৰিকাণ্ড

**অসম বাৰ্তা, গহপুৰ, ২৯ জুলাই** ঃ চোৰৰ ধাৰাবাহিক উপদ্ৰৱত এতিয়া ত্ৰাহি মধুসূদন সুঁৱৰিব লগীয়া হৈছে হেলেম অঞ্চলৰ ৰাইজে। গৰু চোৰ, ছাগলী চোৰৰ লগতে ঘৰত চুৰি, নামঘৰত চুৰি, দোকানত চুৰি আদি ঘটনাই অঞ্চলবাসীক গভীৰ নিৰাপত্তাহীনতাত ভোগাই অহাৰ সময়তে যোৱা নিশা দুখন ব্যৱসায়িক প্ৰতিষ্ঠানত সংঘটিত হয় আন এক চুৰি কাণ্ড। বিশ্বনাথ জিলাৰ হেলেম আৰক্ষী থানাৰ অন্তৰ্গত টকৌবাৰী(গানুগাঁও) চেণ্টাৰৰ ব্যৱসায়িক কেন্দ্ৰত যোৱা নিশা সংঘটিত হোৱা এই চুৰি কাণ্ডৰ ফলত এখন ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা উদং কৰি লৈ যায় বিক্ৰীৰ বাবে থোৱা গেলামালৰ সামগ্ৰী, বেটাৰী আৰু পানী উত্তোলন কৰা মটৰ আদি। জানিব পৰা মতে -ৰঙাজান গাঁৱৰ দুই ভাতৃ ওম প্ৰকাশ আগৰৱালা আৰু সঞ্জীৱ আগৰৱালাৰ টকৌবাৰী চেণ্টাৰত থকা চৌধুৰী এণ্টাৰ প্ৰাইজ নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানখনত যোৱা নিশা চোৰৰ এটা দলে সন্মুখৰ দৰ্জাৰ লোৰ ৰ'ড আৰু তলা ভাঙি প্ৰতিষ্ঠানখনৰ ভিতৰৰ পৰা লৈ যায় প্ৰায় ৫০/৬০ হাজাৰ টকাৰ বিক্ৰী সামগ্ৰী। জানিব পৰা মতে চুৰি চক্ৰটোৱে ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ পৰা ধাৰা মিঠাতেল ৮ বাকচ, ধাৰা ৰিফাইন তেল ২ বাকচ, হনুমান ব্ৰেণ্ডৰ মিঠাতেল ৬ বাকচ, চেনি প্ৰায় ৪৫ কিলোগ্ৰাম, মচুৰ দাইল প্ৰায় ২৫ কেজি, চাউল এক পেকেট, হৰলি' ৭ টা, আটা প্ৰায় ২৫ কিলোগ্ৰাম, বেটাৰী এটা, দুই বাকচ কাপোৰ ধোৱা চাবোন লৈ যোৱাৰ লগতে ওৱান এইছ পিৰ ক্ৰমটম কোম্পানীৰ দুটা পানী উত্তোলন কৰা মটৰ চুৰি কৰি লৈ যায়। তদুপৰি উক্ত ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ কাষতে থকা ৰাজেন মিলিৰ হোটেলৰ তলা ভাঙি এটা গেছ ভৰ্তি এলপিজি চিলিণ্ডাৰ লৈ যায় চুৰি চক্ৰটোৱে। ইমান বৃহৎ পৰিমাণৰ সামগ্ৰী চুৰি কৰি লৈ যোৱাৰ বাবে চুৰি চক্ৰটোৱে মালবাহী গাড়ী ব্যৱহাৰ কৰাৰ সন্দেহ কৰা হৈছে। এটা ব্যৱসায়িক কেন্দ্ৰস্থলৰ পৰা এনেদৰে তলা ভাঙি ইমান বৃহৎ পৰিমাণৰ সামগ্ৰী চুৰি কৰি নিয়া ঘটনাই এতিয়া গভীৰ নিৰাপত্তাহীনতাত ভোগাইছে স্থানীয় ৰাইজৰ লগতে ব্যৱসায়ী সকলক। উক্ত চৌধুৰী এণ্টাৰপ্ৰাইজত চলিত মাহৰ জানুৱাৰী মাহতো আন এক চুৰি কাণ্ড সংঘটিত হৈছিল। উল্লেখযোগ্য যে -টকৌবাৰীৰ গাঁৱৰ ভিতৰৰ এটা চুবুৰীৰ পৰা যোৱা ২১ জুলাইৰ নিশা তিনিজনীকৈ গৰু চুৰি হোৱা ঘটনাৰ পিছত মাত্ৰ এসপ্তাহৰ ব্যৱধানত একেটা এলেকাত পুনৰ দোকান চুৰি হোৱা ঘটনাই চিন্তিত কৰি তুলিছে স্থানীয় ৰাইজক। অঞ্চলটোত মূৰ ডাঙি উঠা এই বৃহৎ চুৰি চক্ৰটোক অতি শীঘ্ৰে চিনাক্ত কৰি উপযুক্ত শাস্তি বিহিবলৈ হেলেম আৰক্ষীৰ ওচৰত কঠোৰ দাবী জনাইছে ভুক্তভোগী ৰাইজে।

# তিনিচুকীয়া -ডিব্ৰুগড় জিলাৰ ভৱিষ্যত চৰাইদেউ -শিৱসাগৰতকৈও ভয়ংকৰ হ'ব ঃ ৰাজু চাহু



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৯ জুলাই** ঃ ৰাজ্যৰ তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ পৰিৱেশক লৈ গুৰুতৰ আশংকা প্ৰকাশ কৰিছে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ উপ-সভাপতি তথা চাবুৱা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক ৰাজু চাহুৱে। এক প্ৰেছ বিবৃতি যোগে তেওঁ অভিযোগ কৰে যে বৰ্তমানৰ চৰকাৰৰ দিনত অবাধে চলি থকা অপেন কাষ্ট মাইনিং আৰু প্ৰকৃতি ধ্বংসৰ বাবে অতিশীঘ্ৰে এই দুখন জিলাও ধ্বংসৰ গৰাহত পৰিব। বিবৃতিটোত চাহুৱে কয় যে বৰগোলাই, লিডু, নামদাং, টিৰাপ, টিকক, খাৰচাং কালিবাৰী, লিডু মূলুং পাহাৰ, লাল পাহাৰ আদি বহু পাহাৰ আৰু প্ৰকৃতি অপেন কাষ্ট মাইনিংৰ জৰিয়তে সম্পূৰ্ণ বে-আইনীভাৱে ধ্বংস কৰা হৈছে। এই অবৈধ খননৰ ফলত প্ৰতিদিনেই টন টন কয়লা বহিঃৰাজ্যলৈ সৰবৰাহ হৈ থকাৰ পিছতো চৰকাৰৰ উচ্চ মহল কুম্ভকৰ্ণ নিদ্ৰাত আছে বুলি তেওঁ কটাক্ষ কৰে। প্ৰাক্তন বিধায়কগৰাকীয়ে সকিয়াই দিয়ে যে যদি সময় থাকোঁতেই এই বিষয়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে গুৰুত্বসহকাৰে চিন্তা নকৰে, তেন্তে তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ অৱস্থা চৰাইদেউ আৰু শিৱসাগৰতকৈও ভয়ংকৰ হৈ পৰিব। প্ৰাকৃতিক দুৰ্যোগ আৰু জলবিদ্যুৎ প্ৰকল্পৰ বিপদৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে অৰুণাচল প্ৰদেশৰ নামনি দিবাং ভেলীত নিৰ্মাণ হ'বলগীয়া ২৬৮০ মেগাৱাট ক্ষমতা সম্পন্ন জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিলে বা ভূমিকম্প সংঘটিত হ'লে নিমিষতে তচনচ হৈ যাব সমগ্ৰ উজনি অসম। প্ৰকৃতি ধ্বংসৰ এই ৰাজনীতি বন্ধ কৰিবলৈ চৰকাৰক কঠোৰ হুংকাৰ দি ৰাজু চাহুৱে জনপ্ৰতিনিধি আৰু বিশেষজ্ঞসকলক লৈ জৰুৰীভাৱে এক উচ্চপৰ্যায়ৰ তদন্ত কমিটি গঠনৰ দাবী জনায়। অন্যথায় ৰাইজেই বৃহৎ গণ আন্দোলন গঢ়ি তুলি চৰকাৰক বাধ্য কৰাব লাগিব বুলি তেওঁ প্ৰেছ বিবৃতিটোত স্পষ্ট কৰি দিয়ে।

# তিনিচুকীয়াৰ কৃষি পথাৰত কৃষি যান্ত্ৰিকীকৰণৰ ওপৰত কৃষি বিজ্ঞানীৰ গুৰুত্ব



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৯ জুলাই** ঃ তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা সমজিলাৰ অন্তৰ্গত নিংগম গাঁৱৰ জেপেং চাখাপৰ পথাৰত যান্ত্ৰিক ধান ৰোপণৰ এক প্ৰদৰ্শনীমূলক খেতিৰ মঙলবাৰে শুভাৰম্ভ কৰা হয়। যান্ত্ৰিক ধান ৰোপণৰ আৰু কৃষিৰ যান্ত্ৰিকীকৰণৰ এই কাৰ্যসূচী পাটকাই গ্ৰীন ফাৰ্মাৰ্চ প্ৰডিউচাৰ কোম্পানীৰ উদ্যোগত আৰু কৃষি বিজ্ঞান কেন্দ্ৰ, তিনিচুকীয়াৰ সহযোগত স্থানীয় কৃষকৰ মাজত অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীত ক'ল ইণ্ডিয়া লিমিটেডৰ চি. এছ. আৰ. আঁচনিৰ অধীনত ক্ৰয় কৰা ধান ৰোৱা যন্ত্ৰ (Paddy Transplanter) ব্যৱহাৰ কৰি প্ৰায় ১৫ বিঘা কৃষি ভূমিত ধান ৰোৱা হয়। এই অনুষ্ঠানত তিনিচুকীয়া কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী তথা মুৰব্বী ডঃ হেমচন্দ্ৰ শইকীয়া উপস্থিত থাকি এই পদক্ষেপে দ্বাৰা খেতি পথাৰত শ্ৰমিকৰ নাটনিৰ দৰে সমস্যা দূৰ কৰিব পৰা যাব তথা ৰোপণৰ খৰচো হ্ৰাস পাব আৰু লগতে কৃষকলৈ মাজত কৃষিৰ যান্ত্ৰিকীকৰণৰ প্ৰচাৰ বৃদ্ধি পাব বুলি মন্তব্য কৰে। এই কাৰ্যসূচীত মাৰ্ঘেৰিটা সমষ্টিৰ বিধায়ক ভাস্কৰ শৰ্মাৰ কৃষি প্ৰতিনিধি বিষ্ণু শৰ্মা, পাটকাই গ্ৰীন ফাৰ্মাৰ্চ প্ৰডিউচাৰ কোম্পানীৰ বি. অ'. ডি. জগত তামাং আৰু ছবি চেতিয়া, কৃষি বিজ্ঞান কেন্দ্ৰ, তিনিচুকীয়াৰ পথাৰ শস্য বিভাগৰ বিশেষজ্ঞ প্ৰিয়ংকা এমং, শস্য প্ৰতিৰক্ষা বিভাগৰ বিশেষজ্ঞ ডঃ শাৰদী বৰুৱা আৰু নিংগম গাঁৱৰ বহুকেইজন কৃষকে অংশগ্ৰহণ কৰি কাৰ্যসূচীটো সফলমণ্ডিত কৰাত অৰিহণা যোগায়।

# ডিব্ৰুগড়ত সদৌ অসম শিল্পী কাননৰ উদ্যোগত বৰগীত-লোকগীতৰ কৰ্মশালাৰ সামৰণি অনুষ্ঠান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৯ জুলাই** ঃ গ্ৰীষ্মকালীন বন্ধৰ সময়ছোৱাত শিশু সকলৰ মাজত সাংস্কৃতিক বিকাশ আৰু মানসিক উত্তৰণৰ বাবে ডিব্ৰুগড়ৰ অগ্ৰণী অনুষ্ঠান "সদৌ অসম শিল্পী কানন"ৰ উদ্যোগত বৰগীত আৰু লোকগীতৰ এক কৰ্মশালা অনুষ্ঠিত হৈ যায়। ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা এই কৰ্মশালাত লোকগীত আৰু বৰগীতৰ প্ৰশিক্ষণ প্ৰদান কৰে ক্ৰমে ৰীতামণি দাস শইকীয়া আৰু প্ৰীতিলতা বৰুৱাই। পাঁচদিনীয়াকৈ অনুষ্ঠিত এই কৰ্মশালাৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰশিক্ষাৰ্থী সকলৰ মাজত প্ৰমাণ পত্ৰ বিতৰণ কৰা হয়। বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা সামৰণি অনুষ্ঠানত উপস্থিত থাকে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সংগঠনটোৰ উপদেষ্টা ড° শশীকান্ত শইকীয়া, সাংস্কৃতিক মহাসভা অসমৰ ডিব্ৰুগড় জিলা সমিতিৰ সাধাৰণ সম্পাদক চন্দনজ্যোতি কলিতা, চৰকাৰী পেঞ্চনাৰ সন্থাৰ সাধাৰণ সম্পাদক মৃদুল শৰ্মা। সভাপতি নিৰুপমা গগৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সামৰণি অনুষ্ঠানত গীত পৰিৱেশন কৰে ক্ৰমে ৰূপ বৰুৱা, ৰঞ্জন হাজৰিকা, ময়ূৰাক্ষী বৰুৱা, কৃষ্ণকান্ত দাস, ৰাগিণী দত্ত, কল্যাণী শইকীয়া আৰু চন্দনা শৰ্মাই। সাংস্কৃতিক সম্পাদিকা বৰষা ফুকন সহযোগত সামৰণি অনুষ্ঠানটিৰ আঁত ধৰে সদৌ অসম শিল্পী কাননৰ সম্পাদিকা ৰীতামণি দাস শইকীয়াই।

# নলবাৰীত দেশভক্তি দিৱস উদ্‌যাপন

**অসম বাৰ্তা, নলবাৰী, ২৯ জুলাই** ঃ নলবাৰী জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ সহযোগত আজি দেশভক্ত তৰুণ ৰাম ফুকনৰ মৃত্যু দিৱসটি "দেশভক্তি দিৱস" হিচাপে উদ্‌যাপন কৰা হয়। নলবাৰী সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই সভাত জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ লগতে জিলা উন্নয়ন আয়ুক্ত যুগ কৃষ্ণ ৰাজবংশী, অতিৰিক্ত জিলা আয়ুক্ত মৌচুমী চেতীয়া আৰু কৌস্তভ ৰয়, সহকাৰী আয়ুক্ত শুভাংকৰ হৰে, অভিজিত কুণ্ডু, সুপৰ্ণা দে, কবিতা ফাংচ চৌধুৰী, স্বাধীনতা যুঁজাৰুৰ সহধৰ্মিনী লক্ষ্মী ৰাণী দাস, বিভিন্ন বিভাগৰ বিষয়া, স্থানীয় শিক্ষানুষ্ঠানৰ শিক্ষক তথা ছাত্ৰ-ছাত্ৰীৰ লগতে জ্যেষ্ঠ নাগৰিকো উপস্থিত থাকে। আজিৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বৰভাগ কলেজৰ প্ৰাক্তন অধ্যক্ষ ফণীধৰ ডেকা। দেশভক্তি দিৱসৰ আজিৰ অনুষ্ঠানত জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে বন্তি প্ৰজ্বলন কৰে আৰু শুভাৰম্ভণি ভাষণ দিয়ে। তেওঁ দেশভক্ত তৰুণৰাম ফুকনৰ জীৱন সন্দৰ্ভত বক্তব্য আগবঢ়ায়। আজিৰ "দেশভক্তি দিৱস" উদযাপনৰ মুখ্য অতিথি ফণীধৰ ডেকাই দেশভক্ত তৰুণৰাম ফুকনৰ জীৱন, স্বাধীনতা আন্দোলনত তেওঁৰ অৰিহণা, বক্তা হিচাপে তৰুণৰাম ফুকন, অধিবক্তা হিচাপে তৰুণৰাম ফুকন, অসম আৰু অসমীয়াৰ বাবে তৰুণৰাম ফুকনৰ কৰ্মৰাজিৰ ওপৰত বহলাই ব্যাখ্যা কৰে। তৰুণৰাম ফুকনদেৱৰ জীৱনৰ ওপৰত আলোকপাত কৰি শ্ৰী ডেকাই কয় যে তেওঁৰ জীৱনৰ আদৰ্শ আজিৰ প্ৰজন্মই অনুসৰণ কৰিব লাগে। তেওঁৰ বিষয়ে আজিৰ প্ৰজন্মই অধ্যয়ন কৰিব লাগে, চৰ্চা কৰিব লাগে। আজিৰ অনুষ্ঠানত উপস্থিত থাকি চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বীৰেন শৰ্মায়ো বক্তব্য আগবঢ়ায়। আজিৰ অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে নলবাৰীৰ জিলা তথ্য আৰু জনসংযোগ বিষয়া বিনু ৰাণী ৰাজবংশীয়ে। অনুষ্ঠানৰ আঁত ধৰে কিশোৰ কলিতাই।

# কাইলৈ যোৰহাট-বোকাখাতত বিদ্যুৎ যোগান ব্যাহত হ'ব

**অসম বাৰ্তা, যোৰহাট, ২৯ জুলাই** ঃ যোৰহাট গড়মূৰৰ পৰা বোকাখাত সংযোগী উচ্চ ক্ষমতা সম্পন্ন ১৩২ কি: ভল্ট পৰিবাহী লাইনৰ জৰুৰী মেৰামতিৰ কাম চলিব লগীয়া হোৱা বাবে কাইলৈ ৩০ জুলাইত পুৱা ৪-০০ বজাৰ পৰা ৮-০০ বজা পৰ্যন্ত যোৰহাটৰ পশ্চিম অংশৰ পৰা বোকাখাতলৈকে এক বৃহৎ অঞ্চলত বিদ্যুৎ যোগান ব্যাহত হ'ব। ১৩২ গড়মূৰ গ্ৰীড উপ-কেন্দ্ৰৰ আৱাসিক অভিযন্তাই জানিবলৈ দিয়া অনুসৰি অসম বিদ্যুৎ পৰিবহণ নিগমৰ অধীনত উক্ত মেৰামতিৰ কাম চলিব লগীয়া হোৱা বাবে যোৰহাট নগৰৰ লগতে, বিভাগৰ অন্তৰ্গত ৩৩ কি. ভল্ট অজন্তা বাইপাচ, পুলিবৰ, পানীচকোৱা, দেৰগাওঁ, ৰাঙলীটিং, গটঙা, কমাৰগাওঁ আৰু বোকাখাট বিদ্যুৎ বিতৰন উপ-কেন্দ্ৰৰ অন্তৰ্গত সমগ্ৰ এলেকাত উক্ত সময়ছোৱাত বিদ্যুৎ সৰবৰাহ বন্ধ থাকিব। বিভাগৰ তৰফৰ পৰা এই ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰিছে।

# ডবকা নালা গাঁৱৰ ক্ষতিগ্ৰস্ত পথ ব্যক্তিগত ধনেৰে মেৰামতি

**অসম বাৰ্তা, ডবকা, ২৯ জুলাই** ঃ শেহতীয়াকৈ হোৱা প্ৰবল বানপানীয়ে হোজাই জিলাৰ বিভিন্ন অঞ্চলৰ লগতে বিন্নাকান্দি সমষ্টিৰ অন্তৰ্গত হিন্দু ব্লক গাওঁ পঞ্চায়তৰ ৯ নং ৱাৰ্ডৰ ডবকা নালা গাঁৱতো ব্যাপক ক্ষতি সাধন কৰে। বানপানীৰ তীব্ৰ সোঁতে গাওঁখনৰ এটা অতি গুৰুত্বপূৰ্ণ সংযোগী পথ গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত হোৱাত অঞ্চলটোৰ যাতায়ত ব্যৱস্থা সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰিছিল। পথটোৰ বিভিন্ন অংশ ভাঙি যোৱাৰ লগতে বোকা-পানীৰে ভৰি পৰাত দুয়াচকীয়া, চাৰিচকীয়া বাহনতো দূৰৰ কথা, খোজকাঢ়িও যাতায়ত কৰাটো অত্যন্ত কষ্টসাধ্য হৈ পৰিছিল। ইয়াৰ ফলত ডবকা নীলা গাঁৱৰ লগতে কাষৰীয়া অঞ্চলসমূহৰ শতাধিক পৰিয়াল চূড়ান্ত দুৰ্ভোগৰ সন্মুখীন হয়। প্ৰতিদিনে বিদ্যালয়লৈ অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰী, চিকিৎসালয়লৈ যাবলগীয়া ৰোগী, গৰ্ভৱতী মহিলা, জ্যেষ্ঠ নাগৰিক, কৃষক, ব্যৱসায়ী, দিন হাজিৰা কৰা শ্ৰমিক আৰু সাধাৰণ লোকসকলে পথটোৰ বেয়া অৱস্থাৰ বাবে নানান সমস্যাৰ সন্মুখীন হ'ব লগা হয়। জৰুৰী অৱস্থাত এম্বুলেঞ্চ বা অন্যান্য বাহন চলাচল কৰাও প্ৰায় অসম্ভৱ হৈ পৰাত স্থানীয় সচেতন যুৱক যুৱক খাইৰুল আলম তালুকদাৰে বিষয়টো স্থানীয় জনপ্ৰতিনিধিক অৱগত কৰে। অভিযোগ লাভ কৰাৰ লগে লগে হিন্দু ব্লক গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ সদস্য আফতাব উদ্দিন বড়ভূঞা আৰু গাঁও পঞ্চায়তৰ সভানেত্ৰী ফাৰহানা বেগম বড়ভূঞাই ঘটনাস্থলী পৰিদৰ্শন কৰি বাস্তৱ পৰিস্থিতিৰ বুজ লয়। পথটোৰ জৰুৰী মেৰামতি অবিহনে অঞ্চলবাসীৰ দৈনন্দিন জীৱন স্বাভাৱিক হোৱাটো সম্ভৱ নহয় বুলি উপলব্ধি কৰি দুয়োগৰাকী জনপ্ৰতিনিধিয়ে চৰকাৰী সাহায্য বা প্ৰশাসনিক অনুমোদনৰ অপেক্ষা নকৰি তাৎক্ষণিকভাৱে নিজা উদ্যোগ আৰু ব্যক্তিগত ধনেৰে পথটো মেৰামতি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। পিছত সচেতন যুৱক খাইৰুল আলম তালুকদাৰৰ সক্ৰিয় সহযোগিতাত JCB মেচিন নিয়োগ কৰি ক্ষতিগ্ৰস্ত অংশসমূহ সমতল কৰা, বোকা আৰু ধ্বংসাৱশেষ আঁতৰোৱা আৰু পথটো পুনৰ চলাচল উপযোগী কৰি তোলাৰ কাম যুদ্ধকালীন তৎপৰতাৰে সম্পন্ন কৰা হয়। অতি কম সময়ৰ ভিতৰতে মেৰামতিৰ কাম সম্পূৰ্ণ হোৱাত অঞ্চলটোৰ যাতায়ত ব্যৱস্থা পুনৰ স্বাভাৱিক হৈ উঠে। বিদ্যালয়গামী ছাত্ৰ-ছাত্ৰী, কৃষক, ব্যৱসায়ী আৰু সাধাৰণ জনতাই পুনৰ নিৰাপদে পথটো ব্যৱহাৰ কৰিবলৈ সক্ষম হয়। স্থানীয় বাসিন্দাসকলে কয় যে, বিপদৰ সময়ত চৰকাৰী প্ৰক্ৰিয়াৰ অপেক্ষা নকৰি জনসাধাৰণৰ কাষত থিয় দি ব্যক্তিগত ধনেৰে পথ মেৰামতি কৰা আজিৰ সময়ত এক ব্যতিক্ৰমী আৰু প্ৰশংসনীয় পদক্ষেপ। তেওঁলোকৰ মতে, জনপ্ৰতিনিধিৰ প্ৰকৃত দায়িত্ব কেৱল উন্নয়নৰ প্ৰতিশ্ৰুতি দিয়াতেই সীমাবদ্ধ নহয়; প্ৰয়োজনৰ সময়ত জনসাধাৰণৰ সমস্যাৰ সমাধানৰ বাবে আগবাঢ়ি অহাটোৱেই হৈছে প্ৰকৃত জনসেৱা। আফতাব উদ্দিন বড়ভূঞা, ফাৰহানা বেগম বড়ভূঞা আৰু খাইৰুল আলম তালুকদাৰৰ এই সময়োপযোগী, মানৱীয় আৰু জনকল্যাণমূলক পদক্ষেপক অঞ্চলবাসীয়ে মুক্তকণ্ঠে শলাগ লৈ তেওঁলোকৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে ভৱিষ্যতেও এনেদৰে জনস্বাৰ্থক অগ্ৰাধিকাৰ দি উন্নয়নমূলক কাম-কাজ অব্যাহত থাকিব বুলি আশা প্ৰকাশ কৰে। এই পদক্ষেপে স্থানীয় জনপ্ৰতিনিধি আৰু জনসাধাৰণৰ মাজৰ আস্থা আৰু সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ লগতে জনসেৱাৰ এক উজ্জ্বল হিচাপে পৰিগণিত হৈছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন